## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: অসম-সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaāma Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1929-30 (1850-51 Sak) | Edition: |
| Size: ε2 cms - ε60 pages | Genre: Magazine |
| Volumes: 3 - 6 issues | Condition of the original: Not bad. |
| Remarks: First published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

2050
↓
২০৩১

তৃতীয় বছর
চতুর্থ "
পঞ্চম "
ষষ্ঠ "
সপ্তম "

নং
তাং


আসাম

# সাহিত্য সভা পত্ৰিকা

তৃতীয় বছৰ—১ম সংখ্যা

১৮৫০—৫১

আহিন—কাতি



সম্পাদক

শ্ৰীচন্দ্ৰধৰ বৰুৱা।

প্ৰকাশক

আসাম সাহিত্য সভা।

চন্দ্ৰকান্ত সন্দিকৈ হল, যোৰহাট।

# এই সংখ্যাৰ নিৰ্ঘণ্ট।


| বিষয় | লিখক |
|---|---|
| ১। সম্পাদকৰ জোৰণী ... | সম্পাদক ... |
| ২। সাহিত্যত কবি-কল্পনা ... | শ্ৰীযুত চিন্তাহৰণ পাটগিৰি ... |
| ৩। সাহিত্য-বিচাৰ ... | শ্ৰীযুত ডিম্বেশ্বৰ নেওগ বি. এ. |
| ৪। সন্ত্ৰমালা ... | শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা ... |
| ৫। চেৰেপাৰ আমনি ... | শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা বি. এ. ... |
| ৬। ভু আযাবনান কথা ... | শ্ৰীযুত জ্ঞানদাভিৰাম বৰুৱা বাৰ-এট্-ল ... |
| ৭। ৭ম শতিকাৰ অসমীয়াৰ শিল্পকলা আৰু কুমাৰ ভাস্কৰ বৰ্ম্মাৰ বিষয়ে যৎকিঞ্চিৎ | পণ্ডিত শ্ৰীযুত উমাকান্ত মিশ্ৰ ... |
| ৮। জাতীয় প্ৰশ্ন ... ... | শ্ৰীযুত বৃন্দীন্দ্ৰনাথ ভট্টাচাৰ্য্য ... |
| ৯। আমি সননি পোত্ৰা কাকত | সম্পাদক ... |
| ১০। এখন পুৰণি পুথিৰ চিত্ৰ ... | সম্পাদক ... |
| ১১। ডেকাসকলৈ গোহাৰি ... ... | সম্পাদক ... |
| ১২। সমালোচনা ... ... | সম্পাদক ... |
| ১৩। বিবিধ ... ... ... | সম্পাদক ... |


---

## আসাম সাহিত্য-সভা-পত্ৰিকাৰ নিয়মাৱলী।

১। এই পত্ৰিকা প্ৰতি ত্ৰমাহে একো সংখ্যাকৈ ওলায়।

২। ইয়াৰ বাৰ্ষিক বৰঙনি ৩৲ টকা। আসাম সাহিত্য সভাৰ সভ্যসকলে আধা দামত পাব। আগ[illegible] বৰঙনি নিদিলে এই পত্ৰিকা কাকৈকো পঠোৱা নহয়।

৩। ইয়াত ছপা কৰিবলৈ পঠোৱা প্ৰবন্ধাদি "চন্দ্ৰকান্ত সন্দিকৈ তল যোৰহাট" এই ঠিকনাত সম্পা[illegible] নামে আৰু আন সকলো চিঠি-পত্ৰ আৰু টকা-কৰি আসাম সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ নামে পঠাব লা[illegible]

৪। ছপা কৰিবলৈ পঠোৱা প্ৰবন্ধ ছপা কৰা নহ'লে ওভোতাই পঠোৱা নহয়।

---

আসাম সাহিত্য-সভা-পত্ৰিকা।



এখন পুৰণি পুথিৰ চিত্ৰৰ নমুনা।

২০১০-২০১১

প্ৰেচ, গোহাটী।

আসাম সাহিত্য-সভা-পত্ৰিকা এই সংখ্যাৰ পৰা দুমাহে দুমাহে ওলাব।


# আসাম সাহিত্য-সভা-পত্ৰিকা।

আহিন—কাতি, ১৮৫০—৫১

তৃতীয় বছৰ ] মুঠ সংখ্যা—৯ [ প্ৰথম সংখ্যা



নং
তাং


## সম্পাদকৰ জোৰণী।

পৰমেশ্বৰৰ কৃপাত "আসাম সাহিত্য-সভা পত্ৰিকা"ই, দুবছৰীয়া শুচি, আজি তৃতীয় বছৰত ভৰি দিলে। এই দুবছৰৰ আঠোটা সংখ্যাত থকা ত্ৰুটীবিলাকৰ বাবে, চলাওঁতাসকলে পাঠক পাঠিকাসকলৰ ক্ষমা ভিক্ষা কৰিছে। এই ত্ৰুটীবিলাক তেওঁলোকৰ চকুত পৰিছে আৰু তাক লাহে লাহে শুচাবলৈকো তেওঁলোকে যথাসাধ্য যত্ন নকৰাকৈ থকা নাই। পত্ৰিকাৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাৰে সৈতে দ্বিতীয় বছৰৰ চতুৰ্থ সংখ্যাটো মিলাই চালেই এই কথাৰ অলপ নহয় অলপ প্ৰমাণ পোৱা যাব বুলি আমি আশা কৰিছোঁ।

পত্ৰিকাক এতিয়াও আমাৰ আশানুৰূপ আৰ্হিত তুলিব পৰা নাই। কিন্তু, তাৰ বাবে হতাশ হবৰ আমি বিশেষ কাৰণ নেদেখোঁ। এই কামলৈ সময় লাগে। বহুত কাম লাহে লাহেহে কৰিব পাৰি; আৰু ভতা-তৈয়াকৈ কৰিবৰ মন যোৱা কোনো কোনো কামো, কেতিয়াবা কিবা আসোঁৱাহৰ বাবে, লাহে লাহে কৰিবলৈ বাধ্য হব লাগে। পত্ৰিকাই যদি উন্নতিৰ বাটত আৰু বেগাই খোজ দিব পৰা নাই, সি কেৱল এনেকুৱা আসোঁৱাহৰ বাবে আৰু কেতিয়াবা চলাওঁতাসকলে আও-ভাও নজনাৰ বাবেহে, কিন্তু তেওঁলোকৰ আওকাণৰ বাবে কেতিয়াও নহয়।

পত্ৰিকাত প্ৰকাশ হোৱা কোনো কোনোটো প্ৰবন্ধ ভাল নহব পাৰে। বহুতে চাগৈ এই কথা আমি মনিব পৰা নাই বুলি ভাবিছে। অনেকে গনেৰে ইয়াকো ভাবিছে যে, প্ৰবন্ধবিলাক, যোগ্যভাবে নোচোৱাকৈয়ে আমি প্ৰকাশ কৰিছোঁ। আমি কিন্তু প্ৰবন্ধবিলাকৰ ভালৰো ভালটো বাছিহে প্ৰকাশ কৰিছোঁ; আৰু প্ৰতি প্ৰবন্ধটোকে প্ৰকাশ কৰাত আমাৰ একোটা অভিপ্ৰায় আছে। প্ৰত্যেকটো প্ৰবন্ধতে, অনেক প্ৰকাৰৰ দোষ থাকিলেও, এফেৰি নহয় এফেৰি, কিবা বিশেষত্ব থকা বাবেহে, আমি তাক প্ৰকাশ কৰিছোঁ। সেই বিশেষত্ববিলাকৰ কথা বহলাই কবলৈ গলে, এখন কীৰ্ত্তন পুথি হব।

পত্ৰিকাৰ প্ৰবন্ধবিলাক যাতে প্ৰতিবাৰে ওখ হৈ যায় আৰু ভাবে, ভাষাই, ভঙ্গীয়ে পত্ৰিকাৰ লিখাই যাতে আধুনিক অসমীয়া সাহিত্যৰ আদৰ্শ হৈ উঠেগৈ, তালৈ আমাৰ লিখকসকলে সদায় চকু ৰাখিব লাগে। উঠি অহা লিখকসকলে যেন এই কথা মনত ৰাখে। আমাৰ প্ৰধান প্ৰধান সাহিত্যিকসকলৰ ওচৰতো আমি গোহাৰি কৰিছোঁ—পত্ৰিকাৰ এই মহৎ উদ্দেশ্য সাধনৰ অৰ্থে, আমি সদায় তেখেতসকলৰ হাত-মুখলৈ চাব লাগিছোঁ বুলি যেন তেখেতসকলেও তেনেই পাহৰি নেপেলায়।

পত্ৰিকাখন তিনি মাহৰ অন্তৰেহে ওলায় বাবে অনেকৰ মনত কুষাৰি। সেইবাবে, সম্প্ৰতি এই সংখ্যাৰপৰাই ইয়াক দুমাহে দুমাহে উলিয়াবৰ দিহা কৰা হ'ল। প্ৰতি সংখ্যাত সৰ্ব্বসাধাৰণতঃ ৫ ফৰ্ম্মাকৈ থাকিব আৰু বছেৰেকত ২৮ ফৰ্ম্মাৰ ঠাইত ৩০ ফৰ্ম্মা ওলাব; দাম কিন্তু আগৰ সমানকে ৰখা হ'ল। গ্ৰাহক পাঠক আৰু চলাওঁতা-সকলৰ যত্নত, ই সোনকালে এখন মাহিলি কাকত হব বুলি আমি আশা কৰিছোঁ। ইয়াৰ গ্ৰাহকৰ সংখ্যাও আৰু বহুত বঢ়াব লাগে। এই কাম সাহিত্য সভাৰ হাতত। সাহিত্য সভাই এই বিষয়ে যথাবিহিত যত্ন কৰিব বুলিও আমি আশা কৰিছোঁ। অৱশ্যে অনেকে ক'ব যে, কাকত ভাল হোৱা হ'লে এনেয়েই মানুহে থাপতে উৰালেহেতেন। কাকত ভাল হোৱা নাই বুলি আমি স্বীকাৰ কৰিছোঁ। কিন্তু ভাল হোৱা হলে যে, এনেয়েই গ্ৰাহক সৰহ হলহেতেন, এই কথা হলে আমাৰ কাণত নোসোমায়। অসম দেশ নেলাগে, আন কোনো উন্নত দেশতো, নথৈ যত্ন নকৰিলে আজিকালি কোনো কাকতৰে প্ৰচাৰ নহয়।

আমি ওপৰত উল্লেখ কৰা এই সকলোবিলাক কাম দুজন চাৰিজনেই কৰিব নোৱাৰে আৰু অলপ সময়তো হৈ নুঠে। ইয়ালৈ মিলা-প্ৰীতি লাগে, একতা লাগে, স্বাৰ্থত্যাগ লাগে, সহানুভূতি লাগে আৰু আশাশুধীয়া আগ্ৰহ লাগে; আৰু সেয়ে হবলৈ সময় লাগে। সেই দেখিহে কৈছোঁ—এই কামলৈ সময় লাগে।

পত্ৰিকাৰ সম্পাদকজনো জোখাৰে হোৱা নাই। নগাঁৱৰ সন্মিলনত তেওঁক সম্পাদক পাতোতে, তেওঁ এই ভাৰৰ উপযুক্ত নহওঁ বুলি জনাইছিল। যোৱা গুৱাল-পাৰৰ সন্মিলনতো, তেওঁৰ অনুপস্থিতিত, এই ভাৰ আকৌ এবছৰলৈ তেওঁৰ গাতে থোৱা হল। দ্বিতীয় বছৰৰ চতুৰ্থ সংখ্যা পত্ৰিকা ওলাওঁতেই সেই এবছৰৰো অন্ত পৰিল। কিন্তু সম্প্ৰতি সন্মিলন নবহা বাবে, ঘূৰাই নবহে-মানে, কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে তৃতীয় বছৰৰ বাবেও সেই ভাৰ আকৌ তেওঁৰ মূৰতে থ'লে। গতিকে, তেওঁৰ পক্ষে "সৰু নাৱত ডাঙৰ ভৰা, মহাপ্ৰভু ৰক্ষা কৰা" হৈছে। প্ৰকৃততে, সাহিত্যক্ষেত্ৰত তেওঁৰ গুৰুস্থানীয় শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা আৰু শ্ৰীযুত পদ্মনাথ বৰুৱা ডাঙ-ৰীয়াৰ দৰে মানুহ থাকোতে, তেওঁক সজাই পৰাই সাহিত্য সভাৰ মুখপত্ৰৰ সম্পাদক পাতি আগ বঢ়াই দিয়াটো তেওঁৰ চকুত বৰ অশোভন লাগিছে। অহা সন্মিলনত এই গধুৰ ভাৰখন এগৰাকী উপযুক্ত মানুহক দিয়া হ'ব আৰু তাৰ লগে লগে এই পত্ৰিকাও উন্নতিৰ বাটত আৰু বহুত বেগেৰে আগ বাঢ়িব বুলি তেওঁ পেটে সমন্বিতে আশা কৰিছে।

এই ছেগতে, পত্ৰিকাৰ গ্ৰাহক, পাঠক, লিখক আৰু মঙ্গলাকাঙ্ক্ষীসকলক, তেখেতসকলৰপৰা অতদিনে পোৱা বিবিধ সাহায্যৰ বাবে, সাহিত্য সভাৰ হৈ আৰু তাৰ লগতে আমাৰ নিজৰ হৈও, আমি আন্তৰিক শলাগ জনাইছোঁ; আৰু আগলৈকো তেখেতসকলৰপৰা সদায় এই দৰেই সাহায্য পাবলৈ আকাঙ্ক্ষা কৰিছোঁ।

আমাৰ লাগ্-বান্ধ্ নোহোৱা কথা কৈ পাঠকসকলক আৰু আমনি নকৰোঁ। অকল এইকেষাৰ কথাৰ আগঢ়ী শৰাইটাকনীৰেই ঢাকি, পত্ৰিকাৰ তৃতীয় বছৰৰ শৰাইখনি আমি ৰাইজলৈ আগ বঢ়ালোঁ। জগদীশ্বৰে আসাম সাহিত্য-সভা-পত্ৰিকাক দীৰ্ঘ জীৱন আৰু উদ্দেশ্য সাধনৰ অৰ্থে বিপুল সামৰ্থ্য দিয়ক।

# সাহিত্যত কবি-কল্পনা।

সাহিত্যৰ ক্ৰমবিকাশলৈ * চাই, মুখেদি ওলোৱা মাত বা কথাৰপৰা নাটক আৰু কাব্যলৈকে ধৰি, গোটেই বিষয়টোকে ক্ৰমবিকাশৰ অৱস্থাভেদে কেবা ভাগত ভাগ কৰিব পাৰি। এইদৰে ভাগ কৰি বিকাশৰ শেষ অৱস্থাত যিটো ভাগ পোৱা যায়, তাৰ নাম নাটকীয় বা কাব্য সাহিত্য। বিকাশৰ অৱস্থাভেদে সাহিত্যৰ যি দৰে শ্ৰেণী বিভাগ হব পাৰে, ৰচনাৰ সময়ত হোৱা মনৰ অৱস্থাভেদেও সাহিত্যকাৰসকলৰ ভিতৰত সেইদৰে শ্ৰেণী বিভাগ হোৱাটো স্বাভাৱিক। তেনেহলে নাটক বা কাব্যই যিদৰে সাহিত্যৰ শেষ অৰ্থাৎ উচ্চতম থাপ অধিকাৰ কৰে, সেইদৰেই নাটক বা কাব্যকাৰসকলেও সাহিত্যৰ ৰচকসকলৰ ভিতৰত শ্ৰেষ্ঠতা লাভ কৰে। এই শ্ৰেণীৰ সাহিত্যকাৰসকল কবি নামে পৰিচিত।

সাহিত্যকাৰসকলৰ ভিতৰত কবিসকলক শ্ৰেষ্ঠতা দিয়াৰ কাৰণ হৈছে,—তেওঁবিলাকৰ মন অতি তীক্ষ্ণ, দ্ৰুতগামী আৰু দূৰদৰ্শী; ভাব গভীৰ, নতুনত্বপূৰ্ণ আৰু হৃদয়স্পৰ্শী; ভাষা মিহি, লালিত্যপূৰ্ণ আৰু আড়ম্বৰশূণ্য। সাধাৰণ মনে ঢুকি নোপোৱা বস্তুকো কবিৰ মনে ঢুকি পায়গৈ। কবিৰ মনত যিবোৰ ভাবে আহি ঠাই লয়, সেইবোৰে সাধাৰণতে অকবিৰ মনত ঠাই নাপায়। কবিৰ মনৰ দৃষ্টিয়ে সূক্ষ্ম আৰু দূৰবৰ্ত্তী বস্তুকো মনিব পাৰে। কবিৰ মনত হোৱা ভাববোৰ সাধাৰণ মনৰ পক্ষে পৰি-চিত, স্বভাৱিক আৰু সহজে বোধগম্য নোহোৱাত, কবিৰ কল্পনা বুলি তাক এৰি থোৱা হয়। উপকৰা দৃষ্টিৰে চাই, কবিসকলক এক প্ৰকাৰ বলিয়া বুলি কবলৈকো অনেক সময়ত কোনো কোনোৱে পিচ নোহঁহকে। আন পক্ষে, অস্বাভাৱিক বা অসঙ্গত ভাব প্ৰকাশ কৰাৰ নিমিত্তেই যদি কবিসকলে 'বলিয়া' খিতাপ পায়, তেনেহলে এই খিতাপৰো অৰ্থ এটা নোহোৱাকৈ নাথাকে। বলিয়ালি কৰিয়েই যদি সাধাৰণৰ মনত এটা গভীৰ ভাব সুমাই দিব পাৰি, তেন্তে সেই বলিয়ালিৰ নিশ্চয় মূল্য আছে। আচলতে ই মস্তিক বিকৃতিৰ পৰা হোৱা বলিয়ালি নহয়; ই সুস্থিৰ মনত হঠাৎ অন্বিষ্ট বস্তু লাভত হোৱা ভাবৰ পৰিবৰ্ত্তন মাত্ৰ; ই ভাবৰ উচ্ছৃঙ্খলতাপূৰ্ণ গভীৰতা;—Unity in diversity.

কবিসকল প্ৰকৃতি-ভাবনাৰ সূত্ৰধাৰ। প্ৰকৃতিয়ে কি মতলবে কি কৰিছে, জীৱজগতৰ লগত প্ৰকৃতিয়ে কিদৰে চলিছে, বা জীৱজগতৰ লগত প্ৰকৃতিৰ কি সম্পৰ্ক আছে, তাক ব্যাখ্যা কৰাই কবিসকলৰ কাম। অথচ এনেবোৰ ব্যাখ্যাৰ চলতে অসঙ্গত ভাব বা ঘটনাবোৰকো কল্পনাৰ বলেৰে এনে সুন্দৰকৈ সজাই সাধাৰণৰ চকুৰ আগত এনেকৈ ধৰে যে, তাক আৰু তেতিয়া কোনো প্ৰকাৰে অসঙ্গত বা অস্বাভাৱিক বুলিব নোৱাৰি,—স্বাভাৱিক বুলি তাক মানিবলৈ বাধ্য হব লাগে। অলপ দকৈ যদি চোৱা যায়, তেন্তে এই অস্বাভাৱিক কল্পনাক স্বাভাৱিকৰ দৰে কৰি তুলি জগতৰ আগত কবিয়ে এক মহৎ আদৰ্শ বা শিক্ষা দাঙি ধৰিছে। বেদ-বেদাঙ্গ, পুৰাণ-ভাৰত, গীতা-ভাগৱত আদিয়ে মানৱত্বৰ যি শ্ৰেষ্ঠ আদৰ্শ আঁকি থৈছে, কবিয়ে প্ৰকৃতি-ৰাজ্যৰপৰাই উপাদান জুকিয়াই লৈ, সেই আদৰ্শ আৰু সুন্দৰ, আৰু সংজ কৰি পুনঃ গঢ়ি তোলে।

অস্বাভাৱিকক বা ধাৰণাৰ অতীতক আনি স্বাভাৱিকৰ শ্ৰেণীত পেলোৱাটোৱেই কবিসকলৰ বাহাদুৰি। ইয়াতেই তেওঁবিলাকৰ প্ৰতিভাৰ পৰীক্ষা। সেইহে কাব্য বা নাটকৰ ভিতৰত যিখনত অলৌকিকত্বৰ সমাবেশ বেচি, সি অতি সুন্দৰ কাব্য বা নাটক বুলি পৰিগণিত হয়। এই অলৌকিকত্ব বা অস্বাভাৱিকতা কিম্বা কল্পনা সাহি-ত্যৰ ৰহস্য। ইয়াতে সাহিত্যৰ পূৰ্ণবিকাশ। প্ৰকৃত নাটক আৰু কাব্যবোৰ এনেকুৱা বিকাশৰ ফল; আৰু এই বাবেই এই বিধৰ কাব্য আৰু নাটকবোৰে সাহিত্য-পিপাসু পাঠকৰ মনত তৃপ্তি দিব পাৰে।

* "সাহিত্যৰ ক্ৰম-বিকাশ" শীৰ্ষক যোৱা সংখ্যাত প্ৰকাশ হোৱা এই লিখকৰ প্ৰবন্ধ এটালৈ আঙুলিওৱা হৈছে।

কবিগুৰু বাল্মিকীৰ ৰামায়ণত শত শত অলৌকিক কল্পনাৰ সমাবেশ দেখিবলৈ পোৱা যায়। ইয়াৰ বাবেই ৰামায়ণ মহাকাব্য; আৰু এই মহাকাব্যৰ ৰচয়িতা বাল্মিকী ইয়াৰ বাবেই পৃথিবীৰ সকলো কবিৰ ভিতৰত শ্ৰেষ্ঠ। সমুদ্ৰৰ পানী শুকাই পেলোৱা, মানুহে ভালুক-বান্দৰ প্ৰভৃতি বন্যজন্তুৰ লগত মিত্ৰতা কৰি সিবিলাকক নিজৰ প্ৰয়োজনত লগোৱা, বান্দৰে পিঠিত পৰ্ব্বত তুলি অনা প্ৰভৃতি আজি-কালিৰ দিনত প্ৰকৃততে অদ্ভুত কল্পনা। অথচ এনেকুৱা অদ্ভুত অদ্ভুত ঘটনাবোৰ লৈয়েই কবিশ্ৰেষ্ঠ বাল্মিকীয়ে মহাকাব্য ৰামায়ণৰ ঘটনা বৰ্ণনা কৰিছে। এনেবোৰ কল্পনা ঠিক ঠাইত ঠিকমতে যদি সন্নিবেশিত হয়, তেন্তে সাহিত্যৰ সৌন্দৰ্য্য পূৰ্ণমাত্ৰায় স্ফুটি ওলায়। নাটক আৰু কাব্যৰপৰা যদি এই কল্পনাৰ বস্তুবোৰ বাদ দি পোৱা যায়, তেনেহলে সি তেতিয়া নাটক বা কাব্য নাম হেৰুৱাব; আন কি, সি তেতিয়া সাহিত্যৰ ভিতৰতে পৰেনে নপৰে সন্দেহ।

শ্ৰীমদ্ভাগৱতৰ কালীয় হ্ৰদ কি অদ্ভুত কল্পনাৰ বস্তু! ইন্দ্ৰৰ আক্ৰমণৰপৰা ৰক্ষা কৰিবলৈ শ্ৰীকৃষ্ণে হাতৰ আঙ্গুলিৰে বৃন্দাবনৰ ওপৰত গোবৰ্দ্ধন পৰ্ব্বত দাঙ্গি ধৰা দৃশ্য কেনে আচৰিত! ৰাসক্ৰীড়াত শ্ৰীকৃষ্ণৰ প্ৰতি ৰাধিকা প্ৰভৃতি গোপিনীসকলৰ কামভাবৰহিত অনুৰাগ কেনেকুৱা সাধাৰণ মনৰ ধাৰণাৰ অতীত!—এনেকুৱা কল্পনাবোৰ বাদ দিলে শ্ৰীমদ্‌ভাগৱতৰ সৌন্দৰ্য্য কিবা থাকিবনে? তেতিয়া ভাগৱতপ্ৰনেতা বেদ-ব্যাসৰ আসনেই বা পৰিবগৈ ক'ত? ভাগৱত ৰচনাৰ উদ্দেশ্যও তেতিয়া অক্ষুন্ন থাকিব নে?

কবিয়ে কোনো এক উদ্দেশ্য আগত ৰাখিহে এনেকুৱা কল্পনাৰ আশ্ৰয় লয়। যি কল্পনাত উদ্দেশ্য নাই, যি বৈষম্যৰ ভিতৰত ঐক্য নাই, যি Diversity ৰ ভিতৰত unity নাই, তাকেহে মাত্ৰ বলিয়াৰ বলিয়ালি বোলা যায়। কবিৰ কল্পনাবোৰৰ ভিতৰত বৈষম্য থাকিলেও সেইবিলাকে মাত্ৰ মূল উদ্দেশ্য বা ভাব কিম্বা Central idea এটাক আশ্ৰয় কৰিহে কাব্যত ঠাই পায়। এটাক প্ৰাধান্য বা মাহাত্ম্য দিবলৈ যাওঁতে কবিয়ে আন-টোৰ গাত বিষম তেজ বা শক্তি আৰোপ কৰে। সমুদ্ৰৰ মাহাত্ম্যক পৰাভূত কৰি তাৰ জলৰাশিৰ সঙ্কোচ-সাধন কৰি তাঁতজনৰ মাহাত্ম্যক শ্ৰেষ্ঠতা দিবলৈ মন কৰি কবিয়ে সমুদ্ৰৰ সঙ্কোচক নি কল্পনাত ঠাই দিছে। ভালুক-বান্দৰ প্ৰভৃতিৰ শত্ৰু মানুহৰ লগত সিহঁতৰ মিত্ৰতা স্থাপনৰ কল্পনা কৰি, কবিয়ে মানুহৰ দয়ালুতাৰ আৰু বন্ধুত্বৰ অভাবনীয় আদৰ্শ দেখুৱাই দিছে। কালীয় হ্ৰদৰ মহা বিষধৰ কালীয় সৰ্পক শ্ৰীকৃষ্ণৰ দ্বাৰা দমন কৰাই, কবিয়ে শ্ৰীকৃষ্ণৰ নৈসৰ্গিক প্ৰভাৱৰ প্ৰতিপাদন কৰিছে। আৰু তাকে কৰিবলৈ গৈ বিপক্ষ কালীয় সৰ্পৰ গাত বিষৰ কল্পনাতীত মাত্ৰা আৰোপ কৰিছে;—কাৰণ, বীৰত্বপূৰ্ণ শত্ৰুক পৰাভূত কৰাতহে পৰাভূত-কাৰীৰ বাহাদুৰি আৰু মহত্ব। ৰাসক্ৰীড়াতো কবিয়ে শ্ৰীকৃষ্ণ আৰু গোপিনীসকলৰ মাজত কামৰহিত প্ৰেম বা অনুৰাগৰ কল্পনা কৰি, উভয় পক্ষৰ ভিতৰত অদ্ভুত সংযমৰ আদৰ্শ দেখুৱাই দিছে। সাধাৰণ মনৰ পক্ষে ইয়াক হৃদয়ঙ্গম কৰাটোৱেই টান হৈ পৰে।

মহাকবি ভবভূতিৰ নাটক উত্তৰ ৰামচৰিতৰ তৃতীয় অঙ্ক এনেকুৱা অলৌকিক কল্পনাৰে ৰঞ্জিত। এই কল্পনাৰ বহনতে নাটকখন সৰ্ব্বাঙ্গ সুন্দৰ হৈ পৰিছে। এই অঙ্কটো বাদ দিয়াহেঁতেন বা ইয়াত ঠাই পোৱা কল্পনাবোৰে অন্য ৰূপ ধৰাহেঁতেন ভবভূতিৰ উত্তৰ ৰাম-চৰিতৰ সাহিত্যিক মূল্য আজি ইমান নহলহেঁতেন। তেতিয়াহলে এই জন কবিৰ আসনো নিশ্চয় কিছু তলতহে থাকিলহেঁতেন।

এই নাটকত কবিয়ে সগৰ্ভা সীতা দেৱীক বিসৰ্জ্জন দিয়ালে। লব-কুশ জন্মাৰ পিচত সীতা দেৱীক গঙ্গাই পাতাললৈ লৈ গল, আৰু লৰা দুটি বাল্মিকীৰ আশ্ৰয়ত থাকিল। বাৰ বছৰৰ মূৰত গঙ্গাই সূৰ্য্য পূজাৰ কাৰণে বুলি সীতা দেৱীক তমসাৰ লগত পুনঃ পঞ্চবটীলৈ পঠায়। সেই সময়তে দৈৱাৎ শম্বুকক হত্যা কৰিবলৈ গৈ শ্ৰীৰামচন্দ্ৰও পঞ্চবটীত ওলায়। পঞ্চবটীৰ দৃশ্যই শ্ৰীৰামচন্দ্ৰৰ মনত পূৰ্ব্বৰ বনবাসৰ সময়ৰ কাৰ্য্যাৱলীৰ স্মৃতি জগাই দিলে। লগতে তেওঁৰ প্ৰিয়া মহিষীৰ বিসৰ্জ্জনত হোৱা আৰু ইমান দিনে অন্তৰত লুকাই থকা শোক প্ৰবল বেগেৰে উদ্দীপ্ত হল। শ্ৰীৰামচন্দ্ৰই ঘনে ঘনে



মূৰ্চ্ছিত হয়, আৰু ঘনে ঘনে সংজ্ঞা লাভ কৰে। তেওঁ অনুমান কৰে যেন তেওঁৰ মূৰ্চ্ছিত অৱস্থাত কোনো তিৰোতাৰ স্নিগ্ধ, মশৃণ শীতল কৰস্পৰ্শ তেওঁৰ বিৰহদগ্ধ, চিন্তাকুলিত আৰু শোকতপ্ত দেহত অনুভূত হয় আৰু তেতিয়া তেওঁৰ মূৰ্চ্ছা অপমোদন হয়। তেওঁৰ অনুমান হয়, যেন এই কৰস্পৰ্শ তেওঁৰ ত্যক্তা মহিষী সীতাদেৱীৰ, আৰু তেওঁ যেন স্বামীৰ এনে অৱস্থাত কাষত বহি শুশ্ৰূষা কৰি স্বামীৰ মূৰ্চ্ছা ভঙ্গ কৰিলে। চেতন হৈ চাৰিওপিনে চায়, কাকো নেদেখে! তেতিয়া সীতাদেৱীৰ প্ৰতি শোক আৰু প্ৰবল হয়, আৰু হা সীতা" 'হা জানকী" বুলি পুনঃ তেওঁ মূৰ্চ্ছা যায়। সীতাদেৱীয়েও ইপিনে পঞ্চবটীলৈ আহি তেওঁৰ স্বামী ৰামচন্দ্ৰৰ এনেকুৱা অৱস্থা দেখি তেওঁৰ মৃত্যুৰ আশঙ্কা হোৱাত বনদেৱী বাসন্তীৰ আদেশমতে ৰামচন্দ্ৰৰ অঙ্গস্পৰ্শ কৰে আৰু তেওঁৰ তেতিয়া সংজ্ঞা লাভ হয়। এইদৰে নাটকৰ শেষত উভয়ৰে পুনঃ মিলন হয়। এই অঙ্কত কবিৰ মনত সীতাদেৱীৰ সূৰ্য্যপূজাৰ কল্পনা আৰু ইয়াৰ পূৰ্ব্বাঙ্কত শ্ৰীৰাম-চন্দ্ৰৰ স্বৰ্ণময়ী সীতাকৃতি নিৰ্ম্মানৰ কল্পনা বিশেষৰূপে মন দিবলগীয়া সীতাদেৱীৰ সূৰ্য্যপূজাৰ কল্পনাৰে কবিয়ে তেওঁৰ স্বামী-পূজাত বাহিৰে অন্য পূজাক ধৰা নাই। শ্ৰীৰামচন্দ্ৰৰ স্বৰ্ণময়ী সীতাকৃতি নিৰ্ম্মানৰ কল্পনাৰেও কবিয়ে বিসৰ্জ্জনৰ পিচতো শ্ৰীৰামচন্দ্ৰে তেওঁৰ স্ত্ৰীত্বত সীতা-দেৱীত বাজে আন কাকো নবহুৱাটোৰ প্ৰমাণ দিছে। এনেবোৰ কল্পনাৰে স্বামী-স্ত্ৰী সম্পৰ্ক যে বিচ্ছেদ বা মৃত্যুয়েও ছিন্ন কৰিব নোৱাৰে, হিন্দু-ৰমণী যে স্বামীৰ সহধৰ্ম্মিনী আৰু অৰ্দ্ধাঙ্গ তাৰ জ্বলন্ত আদৰ্শ কবিয়ে দেখুৱাই দিছে।

সকলো ভাষাৰ বা সকলো জাতিৰ উচ্চ শ্ৰেনীৰ নাটক আৰু কাব্যত এনে বিধৰ কবিকল্পনা যথেষ্ট পোৱা যায়। সেইবোৰৰ হিচাব লোৱাটো এই ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য নহয়।

আগত উল্লেখ কৰা মতে কব পাৰি, কবিসকলে পৃথিবীৰ বাহিৰৰ কোনোবা ৰাজ্যতহে ভ্ৰমে। পাৰ্থিব বস্তুত তেওঁবিলাকৰ মন আবদ্ধ নাথাকে। They "despise the earth where cares abound," তেওঁ-বিলাক যেন এনেকুৱা এঠাইৰ লোক, যি ঠাই "an unsubstantial fairy place." এই ঠাই যেন পৃথিবীৰপৰা ওপৰত আৰু সকলো ফাললৈ আৰু সকলো বস্তুলৈ ইয়াৰপৰা যেন দৃষ্টি যাব পাৰে। গতিকে দৃষ্ট বস্তু সম্পৰ্কে সকলো খবৰ কবিয়ে দিব পাৰে। কবিৰ দৃষ্ট বস্তুবোৰ আনৰ পক্ষে অদৃষ্ট হোৱাত, সেইবোৰ আনৰ মনত অস্বাভাৱিক কল্পনা বুলি ধাৰণা হয়। কিন্তু, আচলতে এই অস্বাভাৱিকতাৰ বা কল্পনাৰ ভিতৰত নিগূঢ় সত্য লুকাই থাকে।

সাহিত্যত কল্পনাৰ সাহায্যেৰে কবিয়ে সৰ্ব্বসাধাৰণৰ আগত এটা আদৰ্শ থয়। এই আদৰ্শ আকৌ প্ৰকৃতিৰ অন্তৰ্ভুক্ত। গতিকে কবিয়ে এই আদৰ্শবোৰ দেখুৱাই সাধাৰণক প্ৰথমতে প্ৰকৃতিৰ প্ৰতি আকৃষ্ট কৰে; তাৰ পিচত প্ৰকৃতিৰ ভিতৰেদি সেই প্ৰকৃতিৰো মূলীভূত 'সৎ-চিৎ-আনন্দ'ত উপনীত কৰায়। মুঠ কথা, সাহিত্যত কবিকল্পনাৰ প্ৰভাৱ বিশেষৰূপে মন কৰিব লগীয়া; আৰু এয়ে সাহিত্যৰ মেৰু-দণ্ড।

শ্ৰীচিন্তাহৰণ পাটগিৰি।

---

# "সাহিত্য-বিচাৰ"

## সমালোচনা।

ভূতপূৰ্ব্ব আল্‌'ৰ্ট কলেজ আৰু কটন কলেজৰ লেক্‌-চাৰাৰ স্বৰ্গীয় সত্যনাথ বৰা বি, এল, ডাঙৰীয়াৰ "সাহিত্য-বিচাৰ" পুথিখন তাহানিখন ছাত্ৰ স্বৰূপে দুই এবাৰ পঢ়িছিলোঁ, আৰু এতিয়াও শিক্ষক স্বৰূপে মাজে-সময়ে এই পুথিখনৰ লগত ভেটা-ভেটি হওঁ; কিয়নো, অসমীয়া সাহিত্যত এই ধৰণৰ পুথি এয়ে প্ৰায় "একমেবাদ্বিতীয়ম্"

স্বৰূপ, গতিকে, ইয়াৰ লগত আমাৰ সাহিত্যেৰে সৈতে হাট-বাট থকা যেই সেই লোকৰে সম্বন্ধ ঘটাটো স্বাভাবিক।

নিবেদনত লিখকে জনাইছিল—"* * আমাৰ ছাত্ৰ বৃত্তি পৰীক্ষাত ব্যৱহাৰ কৰাৰ নিমিত্তে সাহিত্য-বিচাৰ লিখা হৈছিল, * *। কিন্তু ইমান দিনে ই সেই ঠাই পোৱা নাই। কেৱল কোনো কোনো স্কুলৰ নামৰ শ্ৰেণীবোৰত ইয়াক সাহিত্য স্বৰূপে ব্যৱহাৰ কৰা দেখা যায়। সাহিত্য-বিচাৰ কিন্তু সাহিত্য নহয়, ই ব্যাকৰণৰ অন্তৰ্গত। এতেকে ইয়াক স্কুলত চলাব লাগিলে ব্যাকৰণৰ শাখাৰূপে চলোৱা যুগুত।" তথাপি এই পুথিখন সাধাৰণতে ব্যাকৰণৰ লেখত নধৰি সাহিত্যৰ লগৰীয়া পুথি স্বৰূপেই ব্যৱহাৰ কৰা দেখা যায়, আৰু দৰাচলতে চালে এই কথা বিশেষ অসঙ্গত যেন দেখা নাযায়; কিয়নো, ব্যাকৰণ যেনেকৈ ভাষাৰ বিশ্লেষণ, সাহিত্য-বিচাৰো তেনেকৈ সাহিত্যৰ বিশ্লেষণ; গতিকে সাহিত্য বিচাৰ নিৰস ব্যাকৰণৰ কাষ নেচাপি ৰসাল সাহিত্যৰ কাষ চাপি ফুৰাটোৱেই বেচি স্বাভাৱিক যেন লাগে।

একে আষাৰে কব পাৰি সাহিত্য আৰু ভাষা দুটা স্বাধীন আৰু স্বকীয়া বস্তু নহয়, সাহিত্য ভাষাৰ এটা বিশেষ অৱস্থা মাথোন। কিন্তু এই কথাটোৱেই এই পুথিৰ প্ৰথমৰ "সাহিত্যৰ সাধাৰণ লক্ষণ" অধ্যায়ত পৰিষ্কাৰ হৈ ওলোৱা নাই; তথাপি এই কথাটো লিখকে কোৱা নানা কথাৰ মাজতে লুকাই বা আধা দেখা হৈ আছে।

মনৰ হৰ্ষ, বিষাদ, বিৰাগ, অভাৱ আদি যেই সেই ভাব বুজোৱা আকাৰ-ইঙ্গিত বা শব্দকে ভাষা বুলিব পাৰি আৰু এই ভাৱত চৰাই, পশু, মানুহ, আদি সকলো জীৱ-জন্তুৰে নিজ নিজ ভাষা বা মাত কথাও আছে; কিন্তু বিশেষ ভাৱত, আৰু সাধাৰণ মাত-কথাত আমি ভাষা বুলিলে মানুহৰ আৰু ঘাইকৈ সমাজৰ এক শ্ৰেণীৰ মানুহৰ মাত কথাহে বুজোঁ। চৰাই-চিৰ্কতি আৰু চাৰি-ঠেঙীয়া জন্তু আদিৰ পৰস্পৰে পৰস্পৰক বুজোৱা অৰ্থ থকা সঙ্কেতক, ঠাৰ-ছিয়াৰ বা শব্দহে বোলা হয়; আৰু মানুহৰো পৰ্ব্বতীয়া আদি অনুন্নত আৰু ইতৰ শ্ৰেণীৰ লোকৰ মাত কথাক ভাষা নুবুলি দোৱান বুলিহে কোৱা হয়। সাধাৰণভাৱে যদি আমি ভাষাক মনৰ ভাবৰ বাহন বোলোঁ, এই বাহন সেই মনৰ উন্নত বা অনুন্নত অৱস্থা অনুসৰি উন্নত বা অনুন্নত হয়, আৰু সেই অনুপাতে, উন্নত মানুহৰ উন্নত মনৰ উন্নত বাহনকে বিশেষ ভাৱত আৰু সাধাৰণ মাত-কথাত, ভাষা বোলা হয় আৰু এয়ে অনুন্নত অৱস্থাত দোৱান, আৰু পশু পক্ষী আদিৰ বিষয়ত ভাবৰ স্ফুট মাথোঁন।

ভাষা ভাবৰ বাহন, নাইবা ভাব শৰীৰ, ভাষা সাজপাৰ; অথবা ভাব আত্মা, ভাষা শৰীৰ। সুন্দৰ শৰীৰৰ ভিতৰত সুন্দৰ আত্মাইহে সচৰাচৰ বাহ লয়; এই সুন্দৰ শৰীৰ আৰু সুন্দৰ আত্মাৰ পবিত্ৰ মিলনেই সাহিত্য; অৰ্থাৎ সৰ্ব্বাতো-লাৱণী ভাব এটা বা ভাবসমূহ সৰ্ব্বাতো-লাৱণী ভাষাত প্ৰকাশ কৰিলেই সি সাহিত্য নাম পাব পাৰে। সাহিত্য যদিও সাধাৰণতে লিপিবদ্ধ হয়, তথাপি লিপিবদ্ধ হোৱাটো সাহিত্যৰ কোনো নহলে নচলা গুণ বা লক্ষণ নহয়; কিয়নো, অতি সুন্দৰ ভাব আৰু অতি সুন্দৰ ভাষাৰ মিলনেইহে সাহিত্যৰ একমাত্ৰ লক্ষণ বুলিব পাৰি। সেইদেখি অলিখিত সাহিত্যও থাকিব পাৰে আৰু থাকিলে সি এটা জাতিৰ সাহিত্যৰ কোনো মন-কৰিব-নলগীয়া অংশ হব নোৱাৰে। সকলো জাতিতে সৰহ-তাকৰকৈ থকা গীতি সাহিত্যবোৰেই তেনে অলিখিত সাহিত্য; ই পিতা-পুত্ৰক্ৰমে জাতিয়েপতি চলি আছে, সেই দেখি ইয়াক মৌখিক-সাহিত্য বোলা হয়।

সাহিত্যৰ খাই লক্ষণ কি তাক বোধ কৰো ইয়াতকৈ আৰু বহলাই কোৱাৰ প্ৰয়োজন নকৰে। তথাপি তাক লিখকে অনেক প্ৰকাৰে লিখিছে; কিন্তু সেইবোৰ কথাৰ অনেক সময়ত ইটোৱে সিটোক ঢাকি ধৰি ঘাই কথাটো লুকুৱা যেন লাগে; এই সম্পৰ্কে লিখকৰ ঘাই কথা ক্ৰমে এয়ে:—

"যি উপায়ৰ দ্বাৰাই এজনৰ মনৰ ভাব আন এজনক প্ৰকাশকৈ কব পৰা যায়, সেই উপায়ৰ নাম ভাষা।" ( —৫ পিঠি )

"মানুহে যেতিয়াৰ পৰা কথা লিখিবলৈ ধৰিলে সেই দিনৰ পৰা সাহিত্যৰ সৃষ্টি হল বুলি ধৰিব পাৰি।" ( —৬ পিঠি )



"ভাষা লিখিলেই সাহিত্য নাম পায়।" ( „ „ )

"* * ভাষা কেৱল এটা নাম মাথোন। ভাব প্ৰকাশ কৰিবলৈ মানুহে মুখেৰে নানা প্ৰকাৰ শব্দ কৰে। তাৰ একোটা শব্দৰ নাম আখৰ। আখৰৰ এটা বা কেইবাটাও গোট খাই এটা বস্তুৰ নাম হয়। এই নামবোৰ যেতিয়া মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ উচ্চাৰণ কৰে তেতিয়া তাক ভাষা বোলে।" (—৬পিঠি)

"কিন্তু সাহিত্য কাপ-কাকতেৰে গঢ়া বস্তু। মানুহে লিখিবলৈ শিকাৰ আগেয়েও ভাষা আছিল, আৰু এতিয়াও আছে। কিন্তু সাহিত্য আগেয়ে নাছিল। ভাষাৰ আধখিনি ঈশ্বৰে আৰু আধখিনি মানুহে কৰা, কিন্তু সাহিত্য হলে সৰ্ব্বাংশে মানুহৰ হাতে গঢ়া বস্তু।" (—„ )

"সাহিত্য আৰু ভাষাৰ ভিতৰত এই খিনিহে অমিল এনে বুলি ভবা উচিত নহয়। ৰাতি আৰু দিনৰ যেনে প্ৰভেদ সিহঁতৰো প্ৰায় সিমানেই প্ৰভেদ।" (—৭ পিঠি)

"যদি কাহানিবা মানুহে শব্দ এটাইবোৰ পাহৰি যায়, তেন্তে সেই দিনাই ভাষাৰো মৃৰ মৰিব। সাহিত্যও প্ৰায় তেনেকুৱা।" (—„ )

"কিছুমান শব্দ লগ কৰি এটা কথা লিখিলেই সাহিত্য হয়। এতেকে সাহিত্যকো ভাষাৰ নিচিনা শব্দৰ সমষ্টি বা পুঞ্জ বুলিব পাৰি।" (—„ )

"* * সাহিত্য কেৱল ভাষাৰ অলঙ্কাৰ মাথোঁন। এই অলঙ্কাৰবোৰ গুচাই যদি ভাষাক উভ নাঙট কৰা যায়, তেন্তে তাৰ এই ৰূপ নাথাকে। ( — ১০ পিঠি )

"ভাষা আৰু গীত প্ৰায় একেলগেই ওপজে; কিন্তু সাহিত্যতকৈ যে গীত আগেয়ে ওলাইছে তাৰ কোনো সন্দেহ নাই।" (—৯৮ পিঠি)

ইয়াৰ ভিতৰত লিখকে ভাষাৰ সম্বন্ধে যি দুই এটা সংজ্ঞা বা সূত্ৰ দিছে, তাত আমাৰ বিশেষ খৰিয়াল নাই। কিন্তু ইমানখিনি কথা খৰচ কৰা স্বত্বেও সাহিত্যনো কি অদ্ভুত বস্তু বুলি লিখকে ক'ব খুজিছে, আমি হলে বুজিব নোৱাৰিলোঁ। "ভাষা লিখিলেই সাহিত্য নাম পায়।" অথচ "ৰাতি আৰু দিনৰ যেনে প্ৰভেদ সিহঁতৰো [ ভাষা আৰু সাহিত্যৰো ] প্ৰায় সিমানেই প্ৰভেদ।" কি বিড়ম্বনা! সাহিত্য যদি এনে ছায়া বাজীয়েই হলহেতেন, তেনেহলে তাক বুজিবলৈ চেষ্টা নকৰাই মঙ্গল বুলি ভাবিব লাগিলহেঁতেন। আমি আশা কৰোঁ লিখকে ঠিক যি কৈছে তাকে কব খোজা নাছিল। আকৌ "সাহিত্য কেৱল ভাষাৰ অলঙ্কাৰ মাথোন।" ভাষাৰপৰা সাহিত্যক কেনেকৈ ইচ্ছামতে সোলোকাই আনিব পাৰি, আমি হলে ভাবিব নোৱাৰোঁ। সাহিত্য মানে লিখকে সাহিত্যত পোৱা উপমা, অনুপ্ৰাস আদিকে বুজাইছেনে কি? তেনেহলেতো যুক্লিডৰ জ্যামিটি মতে "একঅংশ গোটেই বস্তুটোৰ সমান হব বুলি ভবা অযুক্তিকৰ কল্পনা"! এই দৰে ভাষাৰ সংজ্ঞাত বাজে বাকীখিনি কথাও আমাৰ সম্পূৰ্ণকৈ মনে খোৱা নাই। কিন্তু ভাষা আৰু সাহিত্যৰ লক্ষণ সম্বন্ধে এনেবোৰ বেমেজালি মেলিও লিখকে মাজে মাজে এই দৰেও কৈছে—"ভাষা এটা বস্তু, সাহিত্য তাৰ ৰূপ; ভাষা শৰীৰ সাহিত্য আত্মা, বা ভাষা পদাৰ্থ সাহিত্য তাৰ গুণ। নাইবা এইদৰেও ধৰিব পৰা যায় যে, ভাষা এটা ফুল, সাহিত্য তাৰ গোন্ধ, ভাষা মাটি-কঁঠাল, সাহিত্য তাৰ সোৱাদ।

এনে কথা কিন্তু সত্যৰপৰা বহুত আঁতৰ যেন নেলাগে। কিন্তু আমাৰ মনেৰে এইকটা উপমাৰেই বুজাবলৈ হলে এইদৰে ক'ব পাৰি—পাত-ছোত সৰা এজোপা গছ দোৱান, পাতে-ছোতে [illegible] এজোপা গছ ভাষা, আৰু ফলে-ফুলে সকলো প্ৰকাৰে জাতিস্কাৰ এজোপা গছ সাহিত্য।

ওপৰত আমি সাহিত্যৰ স্বৰূপ যি ভাব বুজাবলৈ চেষ্টা কৰি আহিছো, তাত বাজেও সাহিত্যৰ ব্যাপক ভাব এটা আছে। একেটা কথাকে কেতিয়াবা এক প্ৰকাৰে কলে সি সাহিত্যৰ অঙ্গীভূত হবৰ উপযোগী হ'ব পাৰে আৰু আন এক প্ৰকাৰে কলে নোৱাৰিব পাৰে।

কাৰণ, দুইবাৰেই যদিও সেই একেটা ভাল ভাবেই আছে, তথাপি তাৰ আভৰণ উপযোগী ভাষাৰ নাটনি হব পাৰে। সেইদেখি সাহিত্যৰ ভাষা পোনতে শুৱলা আৰু মোহ লগা হবই লাগিব; অৰ্থাৎ কাব্য বুলিলে যেনেকৈ ৰস থকা কথা বুজায়, সাহিত্যও সেইদৰে ৰসাল কথা হব লাগিব। এই স্বৰূপত এটা ভাষাত সাহিত্য উলিয়াবলৈ আমি চালনি আৰু কুলা নললে নহব।

কিন্তু ইয়াৰ এটা ব্যাপক ভাবো আছে, আৰু সেই ভাবত লিখিত কথা মাত্ৰেই সাহিত্য ; গতিকে, বুৰঞ্জী, বিজ্ঞান এইসকলো এটা সহিত্যৰ একোটা বিশেৰ অঙ্গ স্বৰূপ।

সাহিত্য-বিচাৰ লিখকে এই প্ৰভেদ দেখুৱাবলৈকে যত্ন কৰা দেখা নেযায় ; কিয়নো এই প্ৰভেদ দেখুওৱা হলে-ও অনেক কথাৰ বেমেজালি গুচিলহেতেন।

"সাহিত্যৰ সাধাৰণ লক্ষণ" বৰ্ণাবলৈ যাওঁতে লিখকে আৰু এটি বিষয়ত বেমেজালিত পৰা যেন লাগে। কাব্য বা সাহিত্য যে এটা শিল্প বা কলাবিদ্যা, তালৈ লিখকে মন কৰা দেখা নেযায়। কিন্তু লিখকে এঠাইত কৈছে—"বাঢ়ৈ বা খনিকৰে যেনেকৈ সাধাৰণ কাঠ বা মাটি এডোখৰকে সুন্দৰকৈ চাঁচি কাটি তাৰ ওপৰত ধুনীয়া ৰহন লগাই চিক্‌চিকীয়া কৰি পেলায়, সেইদৰে লিখকেও এটা অতি সমান্য বস্তুকে সুন্দৰ সুন্দৰ শব্দ আৰু উপমা-যোজনা দি সজাই এনে শুৱনি কৰিব পাৰে যে, তাক আগৰ সেই সামান্য বস্তুটো বুলি চিনিবই নোৱাৰি। এই দেখিহে কিতাপত পঢ়া ঠাইবোৰ বা মানুহবিলাক চাবৰ মন যায়। * * * এই এটাইবোৰ কবিৰ কাপৰ গুণ"। (—১৫ পিঠি)। ই সম্পূৰ্ণ সঁচা কথা। কিন্তু তথাপি লিখকে লিখিছে—"ভাষাক অলঙ্কাৰ পিন্ধাব খোজোঁতে কেতিয়াবা মিছা কথাও কব লগা হয়, অৰ্থাৎ যি বস্তুটো বা গুণটো নাই, তাকো আছে বুলি কব লগাত পৰে। এই দোষটো প্ৰায়ে আখৰ মিলাওঁতে বা শুনিবলৈ সুললিত কৰোঁতেহে হয়। এটা শব্দৰ নিচিনা আন এটা শব্দ লগাওঁতে লিখকে দুই চাইটা মিছা কথা লিখে। ইও সাহিত্যৰ এবিধ অলঙ্কাৰ, এতেকে এই দোষ (?) গুচাবৰ একো উপায় নাই"। ই আমাৰ মনেৰে, একপ্ৰকাৰ আচৰিত যুক্তি।

কল্পনাৰ কথা মাত্ৰকে মিছা কথা বুল্যব পাৰিনে কি? কালিদাস আদি বিখ্যাত মহাকবিসকলে ইমানবোৰ মিছা কথাৰে বেপাৰ বেহাই গলনে কি? সাহিত্যৰ অলঙ্কাৰনো এটা পাপৰ কথাইনে কি? অলঙ্কাৰ যদি এটা দোষৰ কথা, তেন্তে সাহিত্যৰ অলঙ্কাৰ পঢ়ি পঢ়োতাৰ মিছালৈ আগ্ৰহ হয়নে তেওঁৰ সৌন্দৰ্য্য-স্পৃহাহে তীক্ষ্ণ হৈ উঠে? গতিকে, লিখকৰ "এই নিমিত্তেহে বোধ কৰো মূলতে মিছা কথাতো মানুহৰ অটল বিশ্বাস দেখা যায়" এই কথা কোন প্ৰকাৰে যুক্তিকৰ বুলিব পাৰি?

আমাৰ কথা—লিখকে এবাৰ কোৱাৰ দৰে উৎকৃষ্ট কবিৰ উপমা-যোজনা আদি "এটাইবোৰ কবিৰ কাপৰ গুণ" কেতিয়াও দোষ নহয়। "বাঢ়ৈ আৰু খনিকৰে যেনেকৈ সাধাৰণ কাঠ বা মাটি এডোখৰকে সুন্দৰকৈ চাঁচি কাটি তাৰ ওপৰত ধুনীয়া ৰহন লগাই চিক-চিকীয়া কৰি পেলায়, সেইদৰে লিখকেও এটা সামান্য বস্তুকে সুন্দৰ শব্দ আৰু উপমা-যোজনা দি সজাই" শুৱনি কৰাটো অতি মহৎ কাম, আৰু এনে মহৎ যে, তেনে মহত্বৰ বাবেই কবি সৃষ্টিকৰ্ত্তা স্বৰূপে পৰমেশ্বৰৰ কাষতে এখনি আসন পাবৰ যোগ্য হয়। গতিকে, লিখকে কোৱা কথা এনে বিষয়ত খাটে যেন নেলাগে, কিন্তু সেই কথা বলেৰে কবি হবলৈ যোৱা অথচ স্বাভাৱিকতা নথকা দুই এজনৰ বিষয়ত খাটিব পাৰে। স্বাভাৱিক কবিৰ সকলো কথাই স্বাভাৱিক ; তাত দোষৰ ভাগ থাকিব কেনেকৈ? মুঠতে সাহিত্য-বিচাৰত কল্পনাৰ ক্ৰিয়াৰ কাৰণে যথা-যোগ্য ঠাই নেৰাতে এনে হোৱা যেন লাগে। সাহিত্যৰ আধুনিক অৱস্থাত যি গঢ় লবাৰ কথা কৈছে তাত লিখকেৰে সৈতে আমাৰ বিশেষ মতভেদ নাই। "মনৰ ভাব যিমান অলপ কথাৰে প্ৰকাশ কৰিব পৰা যায় সিমান ভাল," লিখকৰ এই কথাও সম্পূৰ্ণ সঁচা। কিন্তু লিখকে নিজে প্ৰথম আৰু দ্বিতীয় অধ্যায়ত এই নিয়ম ভালকৈ মানি চলা যেন নেলাগে, কিন্তু এনে ঠাইতহে ঘাইকৈ তাৰ বিশেষ আৱশ্যক।

"গদ্য" আৰু "মূলকথা" এই দু'ছোৱাত লিখকৰ লগত আমাৰ প্ৰায় মতভেদ নাই ; আৰু লিখকৰ সৰহ-খিনি কথাকে সৰ্ব্বাঙ্গে সমৰ্থন কৰিব পাৰি। কিন্তু "উপকথা" শীৰ্ষক প্ৰবন্ধত লিখকে আগৰ দৰে দুই এটি বিশেষ আসোঁৱাহজনক কথা কোৱা যেন লাগে। "* * * "আৰবৰ উপকথা" "পাৰশ্যৰ উপকথা," নাটক ইত্যাদি যিবোৰ মিছা কথাৰ ভঁৰাল আছে, তাক হলে সকলোৰে আদৰ কৰি পঢ়ে।" আৰু আমিও সেই



আগৰ দৰেই কওঁ যে এইবোৰ পুথি "মিছা কথাৰ ভঁৰাল (?) স্বৰূপে" জগতত চিৰকলীয়া হোৱা নাই ; সেইবোৰ জগতত অমৰ হোৱাৰ কাৰণে হৈছে ; সেই কথাবোৰৰ ওপৰত প্ৰতিভাশালী লিখকসকলে অদ্ভুত কল্পনা-জাল বিস্তাৰ কৰিছে। অকল এই কথালৈকে মন কৰিলে লিখকসকলৰ অপাৰ মানসিক শক্তি দেখি বিমোহিত হব লাগে। অথচ লিখকে তাক "মিছাৰ' শাৰীলৈ আজোৰ-পিজোৰ কৰিব লাগিছে। অকল বাস্তৱ জগতৰ কথাবোৰেই যে সচা এই কথা কোনেও আজি-লৈকে বোধ কৰো সম্পূৰ্ণ ঠাৱৰ কৰি ক'ব পৰা নাই, আৰু শিল্প সাহিত্য আদিও বাস্তৱ জগতৰ হু-বহু ছাঁ নহয় ; আমাৰ এই লিখকে সেই কথালৈ মন দিয়া নাই যেন লাগে। গতিকে "উপকথাৰপৰা যে কিবা উপকাৰ হয় তাক কব নোৱাৰি" বোলা কথাষাৰ সম্পূৰ্ণ সঁচা বুলি কব নোৱাৰি যেন লাগে ; কিয়নো, বোধ কৰোঁ লিখকে উন্নুকিয়াই দিয়া আৰবৰ উপকথা, পাৰস্যৰ উপকথা আদিয়ে মানুহৰ মানসিক আৰু কল্পনা শক্তিৰ যিমান পৰিপুষ্টি সাধন কৰিব, আন বিষয়ে সিমানখিনি কৰিব পাৰে বুলি সটকাই ভাবিবৰ মন নেযায়।

উপকথা আদি লিখিবলৈ যি কিছুমান উপায় সূচাই দিছে, তাৰ প্ৰায়খিনি আমি সৰ্ব্বান্তঃকৰণে সমৰ্থন কৰোঁ ; কিন্তু পদ্য লিখিবলৈ তেওঁ যি নিয়ম সেই অনুক্ৰমে বঁটাই দিছে, তাতহে আমাৰ মন মুকলি নহল।

সেই নিয়মখিনি যিমানেই ভাল বা বেয়া হওক, সেই নিচিনা নিয়ম পালি যে কোনোবা অকবি কবি হব পাৰিব, আমাৰ তেনে কথা মনে নধৰে,—যদিও প্ৰকৃততে সেইদৰে কেতিয়াবা কাৰবাক কবি হোৱা দেখিলে আমি বেয়া নেপাম। কিন্তু লিখকে ছন্দ আৰু পদ্যৰ সম্বন্ধ, ছন্দৰ ত্ৰুটি আদি সম্বন্ধে অনেক সাৰুৱা আলোচনা কৰিছে তাত অকণো সন্দেহ নাই। ছন্দত লিখিলেই যে পদ্য হব আৰু ছন্দত নিলিখিলেই যে গদ্য হব, এনে কোনো কথা নাই ; ইত্যাদি কথা লিখকে অতি স্পষ্টৰূপে বুজাইছে। কিন্তু, বোধ কৰোঁ কিছুমান চলিত নিয়মৰ সহায় লৈ অকবিও কবি হব পাৰে, এই আচৰিত ধাৰণাটো আদিৰেপৰা লিখকৰ মনত আছিল ; সেইহে তেওঁ চলিত কিছুমান উপমাৰ তালিকা দি তলত লিখিছে—"ওপৰত যিবোৰ নিয়ম দিয়া হল, তাৰপৰা পদ্য লিখোঁতাৰ আৰু পঢ়োতাৰ যে অনেক সুবিধা হব তাত আমাৰ মুঠেই সন্দেহ নাই।" ভালকৈ ফঁহিয়াই পদ্য পঢ়োতাৰ এইবোৰ নিয়মৰপৰা অলপ সুবিধা হব পাৰে, স্বীকাৰ কৰা হওক, কিন্তু "পদ্য লিখোঁতাৰ" (যদি "পদ্য লিখোঁতা" মানে কবিকে বুজুৱা হৈছে) যে "অনেক সুবিধা হব" তাত আমাৰ সন্দেহ নোহোৱা নহয় ; কিয়নো "পদ্যৰ একো নিয়ম নাই বুলিলেও বুলিব পৰা যায়।" ই স্বাভাৱিক ভাবৰ উচ্ছ্বাস। ইয়াত বাজে দুই এটি সৰু কথাত লিখকৰ লগত আমাৰ মত অমিল হলেও তাক ইয়াত উল্লেখ কৰিব লগীয়া নহয়। কিন্তু লিখকে নানা বিধ পদ্য আৰু গদ্যৰ কথা উল্লেখ কৰোঁতে আধুনিক "গদ্যকবিতা" ৰ কথা এৰি গৈছে।

তাৰ পিচত লিখকে নাটক, গীত, চম্পূ আদিৰ বিষয়ে আলোচনা কৰিছে। ইয়াতো লিখকে দুটি বিশেষ আসোঁ-ৱাহজনক কথা কোৱা যেন লগে।

"নাটক গদ্য-প্ৰবন্ধত লিখিলেও গদ্য নহব। আমি দিয়া অৰ্থমতে ই পদ্যৰ ভিতৰত পৰে। যি মানুহে নাটক লিখে, তেওঁ কেৱল নাটকৰ ঘটনাটো মাথোন ক'ব নোখোজে। সেই ঘটনা কেনেকৈ ঘটিছিল, আৰু সেই ঘটনা দেখিলে মনৰ গতি কেনেকুৱা হয়, তাক দেখুৱা-বলৈহে নাটক লিখা হয়। যদি এয়ে নাটকৰ উদ্দেশ্য হল, তেন্তে তাক পদ্য নুবুলি কি বুলিব পাৰি?"

(—৯২ পিঠি)

" * * সাহিত্যতকৈ যে গীত আগেয়ে ওলাইছে তাৰ কোনো সন্দেহ নাই। যেতিয়া মানুহে ভাষা লিখি-বলৈ ধৰে, তেতিয়াৰ পৰাহে সাহিত্য নামেৰে এটা বস্তুৰ সৃষ্টি হৈছে।"

প্ৰথমতে, পদ্যৰ সংজ্ঞা তেনে হবই নোৱাৰে, আৰু গদ্যতো তেনে উপকথা নেলাগে মূল কথাও থাকিব পাৰে। দ্বিতীয়তে, গীত সাহিত্যৰ বাহিৰ হবই নোৱাৰে। কিয়নো লিখকে সাহিত্য-বিচাৰত যেতিয়া গীতবো বিচাৰ কৰিছে তাৰপৰাই সেই কথাও ভাল প্ৰমাণ হয়। গতিকে গীত যদিও অতি প্ৰাচীন, তথাপি তাক প্ৰথম

অৱস্থাত "মৌখিক সাহিত্য" হুবুলি সাহিত্যৰপৰা কোনো ৰকমে বেলেগাব নোৱাৰি; কিয়নো সি "মাছৰ বুকৰহে পেটু"। আকৌ লিখকে লিখিছে—"কিন্তু নাটক কেৱল উপকথা নহয়, মূল কথাবো নাটক অনেক পোৱা যায়। আচলতে প্ৰায় মানুহে মূল কথা লৈহে নাটক লিখে; নিজে সাজি লিখা নাটক অলপ মাথোন দেখা যায়।" ইত্যাদি; কিন্তু এই কথা উপকথা অৰ্থাৎ উপন্যাস আদিৰ বিষয়তো সমানে খাটে আৰু উপন্যাস আৰু নাটকৰ এই বিষয়ত পাৰ্থক্য অতি কম। সি যি হওক, নাটকৰ সৃষ্টি, গীতৰ উৎপত্তি, দুইবো লক্ষণ, স্বভাৱ আদি সম্বন্ধে ইয়াত যিবোৰ কথা কোৱা হৈছে, সেইবোৰৰ সৰহখিনি কথাই অতি সাৰুৱা, আৰু ছাত্ৰৰ কাৰণে সাহিত্যৰ স্বৰূপ বুজাত বৰ লাগতিয়াল হব। কিন্তু তাৰ লগতে অসমীয়া পদ, ছুলড়ী, ছবি, ঝুমুৰি আদি বিবিধ ছন্দৰ অলপ আভাস থকা আৱশ্যক আছিল যেন লাগে। শেহত লিখকে

"শৃঙ্গাৰ বীৰ করুণাদ্ভুত হাস্য ভয়ানকাঃ।
বীভৎস ৰৌদ্ৰেচ ৰসাঃ ৰস্য শান্তস্তথা ৰবঃ"॥

এই নব ৰসৰ আভাস দি পুথিৰ সামৰণি মাৰিছে, আৰু সিও সুন্দৰ হৈছে।

এই প্ৰবন্ধৰ সামৰণিত ক'ব লগীয়া এয়ে, স্বৰ্গীয় লিখকলৈ আমাৰ যথাবিহিত শ্ৰদ্ধাৰে সৈতে এই দু-আষাৰ কথা আলোচনা কৰা হৈছে। আদিতে কৈ লোৱা হৈছে যে সাহিত্য-বিচাৰৰ পুথি এতিয়ালৈকে আমাৰ ভিতৰত এয়ে প্ৰথম আৰু শেষ; কিন্তু সাহিত্যৰ লক্ষণ আৰু গঢ় আদি বিষয়ৰ আলোচনা এজনৰপৰা সম্পূৰ্ণ হব লগীয়া কথা নহয়। গতিকে এই বিষয়ৰ বিষদ আলোচনাৰ আৱশ্যক; কিন্তু সম্প্ৰতি আমাৰ সেয়ে হোৱা নাই। স্বৰ্গীয় বৰাদেৱে এই পুথি বহুত বছৰৰ আগতে লিখা, আৰু জীৱিত অৱস্থাত তেখেতে এই পুথি আকৌ এবাৰ ঘূৰাই চাই অলপ সাল-সলনি কৰি লিখিবৰ ইচ্ছা কৰিছিল বুলি আমি জানিব পাৰিছোঁ; কিন্তু সুবিধা আৰু স্বাস্থ্যই বোধ কৰো তেঁখেতক তাৰ বাবে যথোচিত আজৰি নিদিলে। সি যি হওক, আমাৰ উদ্দেশ্য এয়ে যে সাহিত্যৰ লক্ষণ, স্বৰূপ, গঢ় আদি সম্বন্ধে যেন আমাৰ ভাষাত আলোচনাৰ উন্নতি হয়; কিয়নো এনেবোৰ আলোচনা-সমালোচনাৰ পৰা একে সময়তে দুটা উপকাৰ হয়। পোনতে, ই কোনো অসত্য মতৰ প্ৰাধান্য তিষ্টিবলৈ নিদিয়ে, আৰু দ্বিতীয়তে ই ভাষা আৰু সাহিত্যৰ তেনেবোৰ কেৰোণ গুচাই দি তাৰ শ্ৰীবৃদ্ধি সাধন হবলৈ তাক উৎসাহ-উদগণি দিয়ে। সাহিত্য সত্যৰ এক শৰণ ধৰ্ম্ম হোৱা উচিত; ইয়াৰপৰা অসাৰ জড়-পূজাৰ প্ৰাধান্য গুচিবই লাগিব।

শ্ৰীডিম্বেশ্বৰ নেওগ।

---

# সন্তমালা।

যোৱা ১৯২৬ চনৰ জুন মাহত আমি বৰদোৱা অঞ্চলত ফুৰোঁতে আইভেটি সত্ৰত "সন্তমালা" নামেৰে এখন পুথি পাইছিলোঁ। এই পুথিখনত অতি সংক্ষিপ্ত হিচাবে সন্তসকলৰ জীৱন-কথা আৰু প্ৰভু শ্ৰীশঙ্কৰ প্ৰচাৰিত ভাগৱতী ধৰ্ম্মৰ মূল তত্ত্ববোৰ লিখা আছে। ইয়াৰ উপৰিও 'গুৰু চৰিত' কিদৰে ৰচিত হল, চণ্ডীবৰ আৰু বিজয়ী পণ্ডিতৰ কিদৰে বাদ-প্ৰতিবাদ হৈছিল, প্ৰভু শ্ৰীশঙ্কৰ ক'ত কিমান দিন আছিল, শ্ৰীমাধৱদেৱে প্ৰভুৰ শিষ্যত্ব গ্ৰহণ কৰাৰ সময়ত যিবোৰ বাদ-প্ৰতিবাদ হৈছিল, সেইবোৰ কথাও বিশদৰূপে লিখা আছে। আজি ইয়াৰে অলপ কথা পাঠকসকলৰ আগত ধৰিলোঁ।

(১)

১। ৰচক—কহয় বৈকুণ্ঠ দ্বিজ অতি শিশু মতি।
ডাকি ৰাম ৰাম বুলি তৰিয়ো দুৰ্গতি॥ ৬৬



(২)

সিসব গ্ৰন্থৰ পদ শুনিয়া সম্প্ৰতি।
শঙ্কৰৰ নাতি মোক বুলিলন্ত মাতি॥ ১৫

*   *   *

সংক্ষেপ কৰিয়া তাৰ নিবন্ধিয়ো পদ।
হেন শুনি ভৈল মোৰ পৰম আনন্দ॥ ১৬

(৩)

শ্ৰীমহা গুৰুৰ আদেশ অনুসৰি।
বিৰচিবো সন্তলীলা কথামৃত সৰি॥

'সন্তমালা'ৰ ৰচক বৈকুণ্ঠনাথ দ্বিজ। এওঁ নিজ-গুৰু চতুৰ্ভুজ ঠাকুৰৰ আজ্ঞাত এই গ্ৰন্থ ৰচনা কৰে।

২। গুৰু চৰিতৰ জন্ম:—

বুঢ়ীৰ পো গোবিন্দ নামে পৰম মহন্ত।
সমস্ত ভকতে তান্ত প্ৰশ্ন কৰিলন্ত॥
বোলন্ত শঙ্কৰে যেন মত অৱতৰি।
তাৰিলা জীৱক হৰি ভকতি প্ৰচাৰি॥
যিমতে মাধৱে তাঙ্ক দেখিলা সাক্ষাত।
সিসব কথাক তুমি কহিয়ো আমাত॥
শুনিয়া গোবিন্দে বোলে মই কিবা জানোঁ।
সবে মিলি চৰ্চ্চাহা তেবেসে ভাল মানোঁ॥
মহাপুৰুষৰ লগে সবে আছিলাহা।
তাত কেনে মোক বৰ কৰি পুছিলাহা॥
এহি বুলি হৰি পদ ধৰি হৃদয়ত।
কহিলন্ত সুমৰি সুমৰি কথা যত॥
এক মিল হুয়া সবে যতেক মহন্ত।
সিসব কথাক সুমৰিয়া কহিলন্ত॥
ইন্দ্ৰজিত নামে আৰু কায়স্থ আছন্ত।
কথাৰূপ কৰি তান হাতে লিখাইলন্ত॥
গোবিন্দৰ আজ্ঞা পাইয়া শ্ৰীৰাম মহন্ত।
দৈত্যাৰি সহিতে তাৰা পদ কৰিলন্ত॥

ওপৰৰ পদৰপৰা বুজিব পাৰি প্ৰভু শ্ৰীশঙ্কৰ আৰু মাধৱদেৱৰ প্ৰয়াণৰ পাচত ভক্তসকলে লগ লাগি বুঢ়ীৰ পো গোবিন্দ আতৈৰপৰা গুৰুৰ লীলা-চৰিত্ৰ শুনে। গোবিন্দ আতৈ প্ৰভুৰ এজন প্ৰিয় শিষ্য আছিল। গোবিন্দ আতৈৰপৰা শুনা আৰু অন্যান্য ভক্তসকলে আলোচনা কৰা কথাবোৰ ইন্দ্ৰজিত কায়স্থে কথাত লিখি ৰাখে। এইবোৰ কথাকে লৈ ৰামচৰণ আৰু দৈত্যাৰি ঠাকুৰে পদত গুৰুচৰিত লিখে। বৈকুণ্ঠ দ্বিজে আকৌ গুৰুৰ আদেশত উপৰিউক্ত তিনিজনে লিপিবদ্ধ কৰা কথা আৰু সৰ্ব্বজয়, "গোস্বামী" ( প্ৰভুৰ পত্নী ) আদিৰ আলাপত ওলোৱা কথাবোৰ লৈ এই "সন্তমালা" ৰচনা কৰে।

কিন্তু ইয়াত এটা কথা উক্ত কৰা ভাল, যে পুৰোযোত্তম ঠাকুৰৰ শিষ্য দ্বিজভূষণেও বৈকুণ্ঠ-নাথৰ আগেয়েই এখন 'চৰিত' ("শঙ্কৰদেৱ" নামে ছপোৱা) পুথি ৰচনা কৰে। সন্তমালাৰ গ্ৰন্থকাৰে এই পুথিৰ নাম উল্লেখ নকৰিলে।

ইয়াৰ পৰৱৰ্ত্তী কালত আৰু চাৰিখন 'চৰিত' ৰচিত হয়;—এখন ৰামানন্দে ( কালঝাৰ ) লিখা, এখন ৰামচৰণে ( কৰতিপাৰ ) লিখা, এখন কণ্ঠভূষণে লিখা আৰু এখন কথা চৰিত। কণ্ঠভূষণে লিখা চৰিত্ৰ পুথিখন আমি দেখা নাই। "কথা চৰিত" খন বৰপেটা সত্ৰত আছে, ই অতি বৃহৎ পুথি। ইয়াত প্ৰভুৰ দৈনন্দিক ঘটনাবোৰ জন্মৰেপৰা প্ৰয়াণ কাললৈ কথাত লিখা আছে।

সন্তমালাৰ যি পদ ওপৰত উক্ত কৰা হল, তাৰপৰা বুজিব পাৰি প্ৰভু শ্ৰীমন্ত শঙ্কৰৰ প্ৰয়াণৰ পাচত ভক্তসকলৰ ভিতৰত প্ৰভুৰ গুণচৰিত্ৰ আলাপ হয়, আৰু তাৰেই ফল চৰিত্ৰ পুথিবোৰ।

৩। চণ্ডীবৰ আৰু বিজয়ী পণ্ডিতৰ তৰ্ক—

চণ্ডীবৰক গৌড় ৰজাই বন্দী কৰি থোৱা সময়ত সেই ৰাজ্যলৈ বাদ কৰিবলৈ এজনা পণ্ডিত আহিছিল। ৰাজ সভাৰ সকলো পণ্ডিতক এই পণ্ডিতে বাদত পৰাস্ত কৰাত ৰজা বিমোৰত পৰিল। সেই সময়ত ৰজাই চণ্ডীবৰৰ পাণ্ডিত্য বুজিব পাৰি তেওঁক বন্দী-শালৰপৰা আনি পণ্ডিতৰ লগত বাদ কৰিবলৈ দিয়ে। চণ্ডীবৰে পণ্ডিতক দেখি সোধে—

বসি চণ্ডীবৰে বোলে থাকা কোন গ্ৰাম।
ইথানক লাগি আসিলাহা কোন কাম॥
বিপ্ৰে বোলে থাকোঁ আমি পতনীপুৰত।
তুমি কোন দেশী কৈয়ো আমাৰ আগত॥

বোলে চণ্ডীবৰে গোগৰীয়া গ্ৰামত।
আমি সবে থাকোঁ কৈলোঁ তোমাৰ আগত॥
শুনি বিপ্ৰে বোলে গোগৰীয়া অধম।
নথাকয় তাত যিবা হোৱয় উত্তম॥ ৫৭
শুনি চণ্ডীবৰে বোলে অৰ্থ নুবুজিলা।
তাতেসে অধম বুলি আমাক নিন্দিলা॥
তাকে বুলি পণ্ডিত আনক নিনিন্দয়।
আপোনাত কৰিয়া লোকক প্ৰশংসয়॥
গো পদে বেদ ইন্দ্ৰিয় আকাশ ধৰণী।
ধেনু পৃথ্বী স্বৰূপত সবাৰো জননী॥
বেদ বিনে কৰ্ম্ম নোহে ধেনু বিনে ঘৃত।
ইন্দ্ৰিয় বিনে দেহা নোহে শুনা দিয়া চিত॥
পৃথিবী বিনায় চৰাচৰ নিজীৱয়।
আকাশ নহেলে লোক তেখনে মৰয়॥
বুদ্ধিবলে যাক একো কৰিতে নপাৰি।
গৰীয়া গৰীষ্ঠ হেন বুজিবা বিচাৰি॥
গোগৰীয়া অন্বয়ক তুমি শুনিলাহাঁ।
কোন অৰ্থ পতনীপুৰ তাক তুমি কহা॥
যি থানত ভাতৰ পতনী পেলাৱয়।
তুহুঁ বিনে তাত ভাল লোক নথাকয়॥
মুণ্ডচাৰে পতনী গোময়ে নিলিপয়।
কুলীনে তাহাতো অৰ্দ্ধক্ষণো নথাকয়॥
যদি বোলা স্ত্ৰীকেসে বোলয় পতনী।
স্ত্ৰীজাতি যেন শুদ্ধ জানাহা আপুনি॥

ইয়াৰ পাচত চণ্ডীবৰ গৌড়ৰপৰা আহি লেঙা মাগুৰীত কিছু দিন স্বাধীন ভাবে থাকে। তাৰ কিছুদিন পাচত কমতাত খেন বংশৰ নীলধ্বজ ৰজা হয়। এইজনা ৰজাই পশ্চিমে গৌড় আৰু পূবৰ ফালে দেশ জয় কৰি ফুৰা দেখি চণ্ডীবৰ বৰদোৱা অঞ্চলত সোমায়। সন্তমালাৰ এই কথা সত্য বুলি ধৰিলে চলিত আসাম-বুৰঞ্জী তেনেই ওলট-পালট হয়।

আমাৰ চলিত বুৰঞ্জীমতে চণ্ডীবৰ ১২৯৫ খ্ৰীষ্টাব্দৰ পাচতহে কমতালৈ আহে, কিন্তু সন্তমালাৰমতে ১২১০ খ্ৰীষ্টাব্দৰ পাচতেই চণ্ডীবৰ বৰদোৱা সোমায়; তেন্তে চণ্ডীবৰ আদি ভূঞা কমতালৈ অহা সময় ১২১০ খ্ৰীষ্টাব্দৰো আগলৈ যায়। এই সম্বন্ধে সন্তমালাত উল্লেখ কৰা কথা—

(১) গৌড় ৰজাই কমতাৰ ৰজা আৰু মন্ত্ৰীক কাটি কমতা ধ্বংস কৰে—

(গৌড়) ৰাজা শচীপাত্ৰ নিয়া দুহাঙ্কো কাটিলা।
কমতাক লুড়ি ধন সৰ্ব্বস্বক নিলা॥ ৫১

ৰাজা যেতিয়া অৰাজক হল সেই সময়ত—

হেন শুনি গাঠি সমস্তে আছে।
তাৰ এক (অজ্ঞাত লোকৰ) পুত্ৰ ভৈলন্ত পাছে॥
কুশলাই নাম তাহাৰ থৈলা।
ব্ৰাহ্মণৰ ঘৰে বন্ধুৱা ভৈলা॥
গৰুক ৰাখন্তে বৃক্ষৰ তলে।
ভাগৰে ঘুমটি গৈল নিঢলে॥
বিপ্ৰে আকস্মিকে দেখিলে পাছে।
সৰ্পেক দেখে ছত্ৰ ধৰি আছে॥
দেখিয়া বিস্ময় ব্ৰাহ্মণ ভৈলা।
বস্ত্ৰ এক দিয়া তাক এড়িলা॥
তৈতে গুড়িদাৰ গোটেক আছে।
পুত্ৰ বুলি সিটো চপাইল পাছে॥
ঘোৰা দশ গোটা তাহাৰ আছে।
গুড়িদাৰে তাকো শিখাইলা পাছে॥
ঢাল তৰৱাল হাতত লই।
কুশলায়ে গৌড় মাৰিলা গই॥
কাটি মাৰি বশ্য কৰিল প্ৰজা।
কুশলায়ে পাছে ভৈলন্ত ৰজা॥
ব্ৰাহ্মণক ধন সম্পত্তি দিলা।
অকণ্টকা গৌড় ৰাজ্য ভুঞ্জিলা॥
পাছে চণ্ডীবৰে নপাই উপায়।
অসম ৰাজ্যক গৈলা পলাই॥
বৰদোৱা সিটো গ্ৰামৰ নাম।
শস্যে মৎস্যে পূৰ্ণ নাহি উপাম॥

ওপৰত কুশলাই নামৰ লোকৰ যি বৰ্ণনা দিলে, সেই বৰ্ণনাটো খেনবংশী কান্তনাথৰ; এওঁৱেই নীলধ্বজ নাম লৈ কমতাৰ ৰজা হয়। গতিকে চণ্ডীবৰ আদি ভূঞাসকলৰ কমতা আগমন ১২১০ খ্ৰীষ্টাব্দৰ আগত



ধৰিবলৈ ই আমাক বাধ্য কৰে। ওপৰৰ পদৰপৰা আমাৰ দেশত অশ্বাৰোহী সৈন্য থকাও প্ৰমাণ হয়।

৪। প্ৰভু শ্ৰীশঙ্কৰে কাৰপৰা ধৰ্ম্ম পালে—

(বৰদোৱাত) এহি বুলি শাস্ত্ৰসৰ বিচাৰ কৰিলা।
এক হৰি ভক্তি বিনে বস্তু নেদেখিলা॥
বোলে অবিদ্যায়ে মোহ হুয়া জীৱগণ।
কৃষ্ণৰ সেৱাক লাগি নকৰে যতন॥
এহি বুলি ঈশ্বৰক দেখিবাৰ মনে।
মৌন হুয়া বসিলন্ত নিৰঞ্জন থানে॥
ভৈলন্ত ঈশ্বৰ কৃষ্ণ সাক্ষাতে বেকত।
শৰণ ভজন ভক্তি গাইলন্ত কৃষ্ণত॥

* * *

৫। প্ৰভু ক'ত কিমান দিন আছিল—

(বৰদোৱাত) সেহি থানে সপ্ত ষাঠী বছৰ আছিল
কছাৰি মৰাণ আহি তহিতে মিলিল॥
সিটো থান এৰি গাংমৌত প্ৰবেশিলা।
পঞ্চম বছৰ সেই থানত আছিলা॥ ১০০
কছাৰি মৰাণ আসি মিলিল সিঠাই।
ছয়মাস মোৰাকটাত ৰৈলা যায়॥
তৈৰপৰা পাছে ধুঞাহাট প্ৰবেশিলা।
সেহি থানে নানা ছন্দে শাস্ত্ৰ সব কৈলা॥

* * *

(ধুঞাহাটত) পঞ্চ মাস পোন্ধৰ বছৰ ভৈলা।
হাতী ধৰা জগৰত ভটীয়াই গৈলা॥
সপ্তাশী বছৰ ঐৰাজ্যত আছিলন্ত।
অনন্তৰে কামৰূপ ৰাজ্যক গৈলন্ত॥
ক্ষেত্ৰ বিলাইটত ছয়মাস আছিলন্ত।
তৈৰপৰা পাছে বৰপেটাক গৈলন্ত॥
অশ্বত্থ বৃক্ষৰ মূলে পালান্দিত ৰৈলা।
নাৰায়ণ ঠাকুৰে আসি তৈতে লাগ লৈলা॥
মহাপুৰুষৰ পাৱে শৰণে পশিলা।
আদি অন্তক কথা তাহাতে কহিলা॥
ছয় মাস মাত্ৰ তৈতে নিবাস কৰিলা।
অনন্তৰে কুমাৰকুচিত আসি ৰৈলা॥
গোবিন্দ আতৈ (গুৰু চৰিত কৰ্ত্তা) তৈতে শৰণ লৈলন্ত।
এক বছৰ মাত্ৰ তৈতে ৰহিলন্ত॥
অনন্তৰে পাটবাউসী আসি ৰহিলা।
ৰামৰাম গুৰু সমে তহিতে বঞ্চিলা॥ ২১৯

* * *

এহি বুলি মহা ৰঙ্গে ৰহিলা শঙ্কৰ।
পাটবাউসী সত্ৰে আছা ষোড়শ বছৰ॥ ২৫৫

* * *

(পাটবাউসীত) এহি মতে মহাৰঙ্গে আছন্ত শঙ্কৰ।
পঞ্চাধিক ভৈলা জানা শতেক বছৰ॥
বৰদোৱা গাঙ্গমৌ বেলগুড়ি সত্ৰ।
পালান্দি কুমাৰকুচি পাটবাউসী ক্ষেত্ৰ॥
গণককুচি তান্তিকুচি সুন্দৰীদিয়া।
মধুপুৰ সমে আৰো ভৈল যে জনীয়া॥
ইসব থানত ভক্তি ধৰ্ম্ম প্ৰকাশিলা।
জগত জুৰিয়া ভক্তি দীপ লগাই থৈলা॥
হৰি ভকতিৰ আবে পাতি মহা হাট।
মনে ইচ্ছা কৰি পাছে সম্বৰিতে নাট॥ ২৬৩
দিশ বিদিশত যত ভকত আছিলা।
সবাহাকে মাতি আনি একত্ৰ কৰিলা॥
কহিলা সবাৰো আগে মধুৰ বচনে।
ক্ষেত্ৰক চলিয়া মই যাইবো এতিক্ষণে॥
তোৰা সবে মানা যদি মোৰ বচনক।
মই নাসোমানে মানিবাহা মাধৱক॥

ইয়াৰ পাচত প্ৰভু এক নিশা গণককুচিত শ্ৰীমাধৱদেৱৰ লগত থাকে। প্ৰভুৱে শ্ৰীমাধৱদেৱক "ঘোষা" নামে শাস্ত্ৰ ৰচনা কৰিবলৈ আদেশ কৰে আৰু সেই নিশাতেই দুই জনা গুৰুৱে লগ লাগি দুটা ঘোষা ৰচনা কৰে।

'তাৰ দুই ঘোষা পাছে আদন্দি কৰিলা।
আনো গুহ্য কথা যত সমস্তে কহিলা॥

বৰ্ত্তমান ভক্তসকলে এই ঘোষা দুটিৰ আধ্যাত্মিক ব্যাখ্যা নানা ভাবে কৰে।

তাৰ পাচত প্ৰভু শ্ৰীক্ষেত্ৰলৈ যাওঁ বুলি ওলাই যায়। শ্ৰীক্ষেত্ৰলৈ যোৱা বাটত বেহাৰ পায়।

বেহাৰৰ মহাৰাজ নৰনাৰায়ণে প্ৰভুক পাই শৰণ লবলৈ বিচাৰে। গুৰুৱে নিতান্তে এৰাব নোৱাৰি তীৰ্থৰপৰা ঘূৰি আহোঁ বুলি—

এতিক্ষণে তুমি নকৰিবা উতপাত।
শুনি ৰাজা বুলিলন্ত কৰি যোৰহাত॥
এহিমতে ভাণ্ডি মোক যোৱা বাৰম্বাৰ।
ইবেলি এড়িয়া নপঠাইবো মই আৰ॥
শঙ্কৰে বোলন্ত ৰাজা তুমি কি কৰিবা।
অন্য দেৱ সেৱা তুমি কিমতে এৰিবা॥ ২৮৪
ইসৱ নেৰিলে কেনে হৈবাহা ভকত।
শুনি ৰাজা বোলে মই এৰিবো সমস্ত॥

ইয়াৰ পাচতেই প্ৰভুৱে নৰনাট এৰে।

এই মতে চালে প্ৰভুৱে ১০৫ বছৰৰ কিছু পাচতেই নৰনাট এৰা যেন দেখি। এই সম্বন্ধে অন্য বাৰত আলোচনা কৰিবলৈ আশা ৰাখিলোঁ।

৬। শ্ৰীমাধৱদেৱৰ শিষ্যত্ব গ্ৰহণ—

মহাপুৰুষ শ্ৰীমাধৱদেৱে প্ৰভুৰ লগত তৰ্ক কৰি যিদৰে বশ্যতা স্বীকাৰ কৰিছিল, আৰু প্ৰভুৰ শ্ৰীচৰণত নিজক অৰ্পণ কৰিছিল, সেই সম্বন্ধে এই পুথিত অন্য চৰিত্ৰ পুথিতকৈ অলপ বহলাই লিখিছে।

শ্ৰীমাধৱদেৱৰ বৈনায়েক ৰামদাসে ছাগলী নিকিনি প্ৰভু শ্ৰীশঙ্কৰৰ কথা ক'লত তেওঁ খং কৰি প্ৰভুৰ ওচৰলৈ যায়—

শুনিয়া মাধৱে বৰ খং কৰিলন্ত।
আউৰ দিনা ৰামদাস সমে লৰিলন্ত॥ ১১৮
বোলো বাদ কৰিবোহোঁ তিনি দিন মানে।
তেবে যদি হাৰো সেৱা কৰিবোঁ চৰণে॥
হেন মনে গুণি ধুৱাহাট যাই পাইলা।
শঙ্কৰক দেখি একপাশ হুয়া ৰৈলা॥

তাৰ পাচত শ্ৰীমাধদেৱে প্ৰভুত প্ৰশ্ন কৰে—

ইটো চাৰি বেদ মাধৱৰ আজ্ঞাবাণী।
সিটো আজ্ঞা ভঙ্গ তুমি কৰা কিবা জানি॥
আগম নিগম যত পুৰাণ ভাৰত।
দেৱীক পূজিবে হেন সবাৰো সম্মত॥
জগতজননী দেৱী পৰমা ঈশ্বৰী।
ব্ৰহ্মা ৰুদ্ৰদেৱে থাকে যাৰ আজ্ঞা কৰি॥
হেনয় দেৱীৰ পূজা আছয় পূৰ্ব্বতে।
তুমি নিষেধিলা তাক কোন শাস্ত্ৰমতে॥
ইহাৰ সিদ্ধান্ত মোক দিয়োক বুজাই।
বুলিলা শঙ্কৰে মাধৱৰ মুখ চাই॥

প্ৰভুৰ উত্তৰ—

শুনিয়ো মাধৱ তুমি সুবুজা শাস্ত্ৰক।
আজ্ঞাকৰ্ত্তা এৰি পূজা আজ্ঞাপালকক॥
দুৰ্গা ব্ৰহ্মা ৰুদ্ৰ চন্দ্ৰ সূৰ্য্য বায়ু মহী।
ইসৱে থাকয় সদা যাৰ আজ্ঞা বহি॥
হেন দেৱ এৰি আন দেৱ সেৱা কৰে।
যেন সিন্ধু তৰিতে শ্বানৰ লাঙ্গে ধৰে॥
দেৱতাসৱৰ বাক্য কৃষ্ণৰ আগত।
ষষ্ঠ স্কন্ধ ভাগৱতে হুয়াছে বেকত॥ ১২৭
আৰো যি বুলিলা ঈশ্বৰৰ আজ্ঞা বেদ।
বেদ চাৰি বিধ তাৰ লোৱাঁ পৰিচ্ছেদ॥
বেদ বেদান্ত আৰু উপনিষদ্ নাম।
শিৰোবস্তু নামে চাৰি বিধ অনুপাম।
বেদে যাক বোলে সিটো তিনি গুণময়।
ধৰ্ম্ম অৰ্থ কাম তিনি বৰ্গ অনুপম।
যত কাম্য কৰ্ম্ম দেৱ দেৱী চৰাচৰ।
ভূত প্ৰেত যক্ষ ৰক্ষ পশু পক্ষী নৰ॥
স্বৰ্গ নৰ্ক পাপ পুণ্য ভেদ ভয় যত।
প্ৰবৃত্তি নিবৃত্তি সুখ দুঃখ নানা মত॥
জনম মৰণ শোক মোহ ধন জন।
পিতৃ-পুত্ৰ ভাৰ্য্যা মিত্ৰ যত বন্ধুগণ॥
ধনী দুখী তপস্বী আদি যত যত।
সবাকো কহিয়া আছে টীকাত বেদত॥
তাতে মোহ হুয়া জীৱে নানা কৰ্ম্ম কৰে।
তাৰ ফলে নানা দেহ ধৰি ভ্ৰমি মৰে॥ ১২৯
নজানিয়া লোকে মায়া মোহে হুয়া অন্ধ।
সুখৰ নিমিত্তে মূৰে কৰিয়া প্ৰবন্ধ॥
নপাৱয় সুখ দুখ পাৱে বহুতৰ।
যেন বিষযুক্ত মধু নোহে হিতকৰ॥



ত্ৰিকাণ্ড বেদৰ কথা কৈলা অনুৰূপে।
পৰাক্ৰমে কহে তাকো নকহে স্বৰূপে॥
যেন শিশু তিতা ঔষধক নখাৱয়।
শৰ্কৰাৰ লোভ দিয়া মাতৃ খুৱাৱয়॥
পাছত বেদান্তে বোলে সৱে মায়াময়।
যত দেৱ দেৱী ধৰ্ম্ম কৰ্ম্ম কিছু নয়॥
এক পৰমাত্মা সত্য চৈতন্য মুৰাৰি।
অবিদ্যাৰ দোষে তাক দেখে নানা কৰি॥
যেন নিদ্ৰা দোষে স্বপ্ন অনেক দেখয়।
বিদ্যা ভৈলে আত্মামাত্ৰ কিছু সত্য নয়॥
কৰ্ম্মে জন্মি মুৰে জীৱে ইযোনি সিযোনি।
কৈৰ কোন পিতা পুত্ৰ চোৱা মনে গুণি॥
পৃথিবীতে হোৱে দেহ পৃথিবীতে ক্ষয়।
পৃথিবীয়ো জানা পৰমাণুত হোৱয়॥
পৰমাণু যিটো তাকে মনেসে কল্পয়।
মায়া অবিদ্যা মাত্ৰ প্ৰকাশ কৰয়॥
অবিদ্যা ৰচিত ইটো চৈধ্যয় ভুবন।
বহুগণ আসে জড়ভৰত বচন॥
দেহাতেসে হোৱে জানা দেহ উতপন।
জীৱৰ নাহিকে জানা জনম মৰণ॥
তৈল মলা শলা বহ্নি যাবত সংযোগ।
তাৱে দীপ সম দেহ দুখ কৰে ভোগ॥
মান্য মানী দেহে সিহা তৈল কৰ্ম্মফলে।
জীৱ ভৈলা অগ্নি দীপ সংসাৰেই বোলে॥
দ্বাদশ স্কন্ধত শুক ৰাজাৰ আগত।
এহিমানে কহিলন্ত শাস্ত্ৰ সাৰতত্ত্ব॥
দেহবেসে হোৱে স্ত্ৰী-পুৰুষ সম্বন্ধ।
জীৱৰ নাহিকে স্ত্ৰী পুৰুষ নিবন্ধ॥
এহি মতে বেদে সমস্তক নিবাৰয়।
একে ব্ৰহ্ম মাত্ৰ সত্য স্বৰূপ কহয়॥
প্ৰলয় অন্তত আৰু সৃষ্টিৰ আদিত।
যিটো ৰহে সিটো ব্ৰহ্ম জানিবা নিশ্চিত॥
কিন্তু এই ভাবে জীৱে স্বৰূপ লভয়।
ভজন আনন্দ সুখ আতে নিমিলয়॥
যদি ভজনক ইচ্ছা কৰে সাধু নৰে।
তেবে অৰ্থ বিচাৰিবে উপনিষদেৰে॥
যেন ৰশ্মি দ্বাৰে দ্বাৰে সূৰ্য্য দৰিশন।
স্বৰূপৰ দ্বাৰে ৰূপ দেখয় তেমন॥
শ্যাম তনু পীত বস্ত্ৰ কিৰীটি কুণ্ডল।
দীৰ্ঘ বাহু নেত্ৰ গ্ৰীৱ চৰণ যুগল॥
ধ্বজ বজ্ৰ আদি চিন সৱ প্ৰকাশয়।
ইমত ৰূপক উপনিষদেক কয়॥
সেহিৰূপ সেৱনক ভজন বোলয়।
জানিবা ইহাতো ভক্তি সুখ নলভয়॥
ভকতি সুখক যিটো জনে কৰে সাৰ।
তেবে বেদ শিৰোবস্তু কৰিব বিচাৰ॥
শিৰোৱস্তে বোলে মুক্তি বিচাৰে কিসক।
সদায়ে কীৰ্ত্তন মাত্ৰ কৰোক নামক॥
নাম ভৈলে বৎস কৃষ্ণ মূৰ্ত্তি ধেনু প্ৰায়।
নামগ্ৰাহী ভক্তৰ লগ নেৰন্ত সদায়॥
প্ৰীতিযুক্ত হুয়া নাম যিজনে লোৱয়।
তাহাৰ ভকতি সুখ হুইবে অভ্যুদয়॥
নপূজিব দেৱ দেৱী গৃহ নপশিব।
মূৰ্ত্তিকো নচাইব প্ৰসাদকো নুভুঞ্জিব॥
এহি বেদ শিৰোবস্তু বচন আছয়।
আন কোনখানি আৰু আজ্ঞা ভঙ্গ হয়॥

শ্ৰীমাধৱৰ প্ৰশ্ন—

মাধৱে বোলন্ত দেৱী চৈতন্য নিশ্চয়।
মাৰ্কণ্ডেয় পুৰাণত কহিয়া আছয়॥

প্ৰভুৰ উত্তৰ—

শঙ্কৰে বোলন্ত ভাল কৰিলা আশয়।
বায়ু পুৰাণত তাৰ ফল কহিচয়॥
দেৱীক চৈতন্য বুলি যিটো উপাসয়।
তাহাৰ পাষণ্ড বুদ্ধি বুলিয়া কহয়॥
অযুত বছৰ সিটো স্বৰ্গত থাকয়।
মাৰ্কণ্ডী পুৰাণে তাক মোক্ষ বুলি কয়॥
তৃণক আশ্ৰয়ে বহ্নি কাষ্ঠ ভস্ম কৰে।
তৃণে নি কি কাষ্ঠ ভস্ম কৰিবাক পাৰে॥

ঈশ্বৰ আজ্ঞায় দেৱী জগত প্ৰজয়।
আজ্ঞা বিনে দেৱী জড় জানিবা নিশ্চয়॥
যেন বৃক্ষ-লতা পৃথিবীতে উপজয়।
পুনৰ্ব্বাৰ পৃথিবীতে সৱে লয় হয়॥
জল বুদ বুদ যেন জলে মিলিছয়।
ব্ৰহ্মাণ্ডতে হোৱে ব্ৰহ্মে সৱ লয় যায়॥
এতেকে যিজনে হোৱে পৰম উদাৰ।
তাৰা সবে নকৰে ভকতি ব্যভিচাৰ॥
ব্যৱসায়াত্মিকা বুদ্ধি যাহাৰ হোৱয়।
তাৰা কিছু কৰ্ম্ম কৰিবাক নলাগয়॥
হৰি ভক্তি কৰি মই তৰিবো নিশ্চয়।
ব্যৱসায়াত্মিকা বুদ্ধি ইহাকে কহয়॥
তিনিগুণ বিষয় যতেক বেদ চয়।
তাক এৰি গুণ বাজ হোৱাঁ ধনঞ্জয়॥
গীতাৰো শকতি এই একান্ত শৰণ।
আৰু চতুৰ্থত শুনা মহেশ বচন॥
দশ প্ৰচেতাৰ আগে কহি আছে হৰ।
শত জন্ম স্বধৰ্ম্ম আচৰে যিটো নৰ॥
সেহি পুণ্যে গৈয়া ব্ৰহ্মলোকক পাৱয়।
ততোধিক পুণ্য ভৈলে মোহক পাৱয়॥
বিষ্ণুক ভজিয়া গতি পাৱে এক জন্মে।
যেন দেৱতাৰ গতি হোৱে লিঙ্গভঙ্গে॥
ইত্যাদি

এইদৰে বহুত বাদৰ পাচত শ্ৰীমাধৱে কয়—

মাধৱে বোলন্ত শৰণক লৈবে লাগে।
কেনেবা শৰণ কহিয়োক মহাভাগে॥ ১৬০

তাৰ পাচত প্ৰভুৱে তিন দিনৰ থাতি দি শৰণ লবলৈ শ্ৰীমাধৱক মাতি পঠায়। সেই নিৰ্দ্দিষ্ট দিনত শ্ৰীমাধৱদেৱে আহি শৰণ লাভ কৰি পুনৰ প্ৰশ্ন কৰে।

শুনিয়োক বাপ মোৰ নধৰিবা দোষ।
কোন দ্ৰব্যে হোৱে চাৰি বস্তুৰ সন্তোষ॥

প্ৰভুৰ উত্তৰ—

গুৰুৰ সন্তোষ মিলে বাক্য কৰণত॥
বাহিৰে ভিতৰে ব্ৰহ্ম দেখয় সতত।
তেৱেতো সন্তোষ মিলে হৰিৰ মনত।
সদায় নামক যিটো কীৰ্ত্তন কৰন্ত।
তাহাৰ সম্বন্ধি নাম সন্তোষ হোৱন্ত॥
বিষয় কথাত যিটো ৰতি নকৰয়।
হৰিৰ কথাক মাত্ৰ কহয় শুনয়॥
তেৱে ভকতৰ হোৱে সন্তোষ মনত।
কহিলোঁ তোমাত সৰ্ব্বশাস্ত্ৰৰ সম্মত॥

শ্ৰীমাধৱদেৱে প্ৰভুৰ সঙ্গ লাভ কৰাৰ পাচৰ পৰাহে তিনি প্ৰসঙ্গৰ ব্যৱস্থা হয়—

শুনিয়া শঙ্কৰে ৰঙ্গে অনুমতি দিলা।
পৰম আনন্দে তিনি প্ৰসঙ্গ পাতিলা॥

এই সময়ত নাম-ৰসত ভক্তসকল আৰু প্ৰভু নিজে ইমান আত্মহাৰা হয়, যে গোটাই বিশ্বতে কৃষ্ণমূৰ্ত্তি জিলিকি উঠে।

আনন্দত মজি গাত্ৰ হোন্ত আকুলিত।
শুনি মহাপুৰুষৰো দ্ৰৱ হোৱে চিত॥
শিহৰে শৰীৰ নীৰ নেত্ৰৰ নিগড়ে।
প্ৰেম সমুদ্ৰত মজি মাটিত বাগৰে॥
ভকতসৱকো যাই প্ৰেমে পৰশায়।
পুনৰপি উঠি গুৰু কীৰ্ত্তন কৰায়॥ ২১৪

শ্ৰীদামোদৰদেৱ বংশীগোপাল দেৱ আদি গুৰু-সকলে প্ৰভুৰ সঙ্গলাভ কৰা সম্বন্ধেও সন্তমালাত ভাল দৰে বৰ্ণোৱা আছে।

৭। শ্ৰীদামোদৰ দেৱৰ ধৰ্ম্মগ্ৰহণ কৰা সম্বন্ধে এইদৰে আছে-

( পাটবাউসীত ) দয়াশীল নামে এক ব্ৰাহ্মণ আছিল।
তাহান তনয় দামোদৰ সত্বশীল॥ ২৫৫
মহা জ্ঞানৱন্ত ধৈৰ্য্যৱন্ত শুদ্ধাশয়।
আছিলেক মাতৃ তেহে গৈল যমালয়॥
ভাৰ্য্যাও মৰিল পাছে 'দৈৱ' ভৈলা দুখ।
শঙ্কৰৰ সঙ্গে ভৈলা হৰিক সম্মুখ॥
নাহি আন চিন্তা গাস্ত চৰিত্ৰ কৃষ্ণৰ।
দেখি অতিশয় স্নেহ ভৈলা শঙ্কৰৰ॥
ব্ৰাহ্মণসৱৰ মেধি তাহাঙ্ক পাতিলা।
পাটবাউসী নদী তীৰে সত্ৰ কৰি দিলা॥

৮। বংশী গোপালৰ কথা:—

আত অনন্তৰে উজনীৰ দ্বিজৱৰ।
নামে বংশীগোপাল হৰিৰৰ বংশধৰ॥



পৰম বিৰক্ত জ্ঞান ভক্তি আশকত।
মাধৱৰ সত্ৰে আসি ভৈলা উপগত॥
শৰণ ভজন ভক্তি পায়া মাধৱত।
পৰম আনন্দে ৰৈলা তাহান লগত॥
সপ্তম বছৰ মাধৱৰ সঙ্গে আছে।
মাধৱেও পূৰ্ব্ব কথা সুমৰিলা পাছে॥
পূৰ্ব্বে গোপালক বিহা কৰাইবাক মনে।
বিত্তৰ নিমিত্তে মনে চিন্তিয়া এখনে॥
পঠাই দিলন্ত সদাগৰৰ নাৱতে।
পাইলা শঙ্কৰক বেলগুড়িৰ সত্ৰতে॥
শঙ্কৰক দেখিয়া গোপাল মোহ ভৈলা।
তযু সঙ্গে থাকোঁ বুলি শঙ্কৰত কৈলা॥
শুনিয়া শঙ্কৰে সদাগৰক সুধিলা।
সদাগৰে গোপালক এৰিয়া নিদিলা॥
সদাগৰে বোলে বাপ এৰিলে এখনে।
বুলিবে মাৰিলে তাক ধনৰ কাৰণে॥
শুনিয়া শঙ্কৰে গোপালক নৰাখিলা।
প্ৰশংসা কৰিয়া তাঙ্ক বচন বুলিলা॥
শুনিও গোপাল তুমি শঙ্কা নকৰিবা।
গৃহ হন্তে ফিৰি এই থানক আসিবা॥

এইদৰে আউনী-আটী সত্ৰৰ অধিকাৰ ৺দত্তদেৱ গোস্বামী প্ৰভুৱে "গোপালদেৱ চৰিত্ৰ"ত লিখা মতে প্ৰায় সকলো কথাৰ লগত মিলে; কেৱল ৺দত্তদেৱ প্ৰভুৰ ৰচিত চৰিত্ৰত শ্ৰীমাধৱদেৱৰপৰা উপদেশ লোৱা আৰু শ্ৰীদামোদৰ-দেৱৰপৰা শৰণ লোৱা কথা আছে, সন্তমালাত কেৱল শ্ৰীমাধৱদেৱৰপৰাই শৰণ উপদেশ লোৱাৰ কথা আছে। বাকী, প্ৰভু শ্ৰীশঙ্কৰে দি যোৱা নিৰ্ম্মালি, বস্ত্ৰ, শাস্ত্ৰ আদি শ্ৰীমাধৱে দিয়া; শ্ৰীমাধৱে গঙ্গাৰপৰা অন্য তীৰ্থলৈ যাবলৈ বাধা কৰা আৰু শ্ৰীমাধৱে উজনীত গোপাল-দেৱক ধৰ্ম্ম-প্ৰচাৰ কৰিবলৈ পঠোৱা, বেলগুড়িত গোপাল-দেৱে মদনগোপাল মূৰ্ত্তি পোৱা আদি সমস্ত কথা মিলে। বাহুল্য ভয়ে সেইবোৰ উল্লেখ কৰা নহল।

'সন্তমালা" নানা উপদেশ আৰু তত্ত্ব কথাৰে ভৰা শাস্ত্ৰ। ইয়াৰ অলপ তত্ত্ব-কথা তলত দিয়া হল—

হে প্ৰভু পূৰ্ব্বে মই আছিলোহোঁ শিৱ।
মনৰ লগত থাকি আবে ভৈলো জীৱ॥
ইটো মন গজ মোৰ ভৈল মহা দুষ্ট।
দম্ভ মেদে ইহাৰ শৰীৰ ভৈলা পুষ্ট॥
কাম ক্ৰোধ লোভ মোহ চাৰিটা চৰণে।
পশি সুখ দুখ খাই ফুৰে ত্ৰিভুবনে॥
ইন্দ্ৰিয় গজিনী সৱাহাৰ যে লগৰ।
কতো বেলি মত্তে যাই পৰৰ জলত॥ ২২৩
ৰূপ ৰস আদি ইক্ষু কলা ভাঙ্গি খায়।
পতনৰ শবদে মানুষে মাৰে ধাই॥
অসন্তোষে মদজল সদায়ে বহয়।
জ্ঞান অঙ্কুশৰ ঘায়ে খানিকে তন্ময়॥
সকল্প বিকল্প তাৰ বেগ অদভুত।
মই জীৱ ভৈলো তাৰ পীৰিতি মাহুত॥
অসূয়া হস্তীৰ ঘাই দশন সুহাই।
জীৱ মাহুতক তাৰ গণাগণো নাই॥
মত্ত কুঞ্জৰৰ লোকে নেদেখয় দোষ।
বোলয় মাহুতে টিপি মাৰয় মানুষ॥
এহি বুলি অন্যো অন্যে মাহুতক ধৰি।
নৰক যাতনা কিপ ভুকু মাৰে ধৰি॥
মহা আৰ্ত্ত হুয়া মই জীৱে বোলো বাণী।
পশিলো শৰণ কৃপা কৰা চক্ৰপাণি॥
সদাদে তোমাৰ কথা বজ্ৰ হাতে হানি।
শ্ৰদ্ধা যেবে পশে জ্ঞান অঙ্কুশেৰে আনি।
হে প্ৰভু তযু যেবে অনুগ্ৰহ পাও।
প্ৰীতি ধৰ্ম্ম ৰজ্জুৰে মন মাতঙ্গ বান্ধযো।
ভকতৰ সঙ্গে পদ্ম মৃনালক খায়া।
লভিবোঁ সন্তোষ গৰ্ব্ব মদক ভেদিয়া॥
ইত্যাদি—

আকৌ এঠাইত কৈছে—

অদ্বিতীয় ব্ৰহ্ম অৱতাৰ ভেদ
যদি বহু ৰূপ হয়।
ঘট ভেদ যেন আকাশৰ ভেদ
ঘটৰ অভাৱে নয়॥

কাৰ্য্যাদিৰ ভেদে অগ্নিবন্ধ ৰূপ
বায়ু দেহাদিৰ সঙ্গে।
তথাপিতো এক বহ্নি জানা
ব্ৰহ্ম তেন মায়া ভঙ্গে॥

ইত্যাদি—

এইদৰে বহুত তত্ব কথাৰে এই পুথিখনি ভৰপূৰ। কিন্তু কোনো কোনো ঠাইত আমাৰ অজ্ঞতাতেই হওক বা অন্য কাৰণেই হওক, দুই চাৰিটা শব্দৰ অৰ্থ আমি কৰিব নোৱাৰোঁ। এই কাৰণে দ্বিতীয় পুথি এখন আজি দুবছৰে নানা ঠাইত অনুসন্ধান কৰিলো। কিন্তু দুখৰ বিষয় আজিলৈকে এই ধৰণৰ পুথি আমাৰ হাতত নপৰিল। ক'ৰবাত এই পুথি আৰু এখন পালে দুয়োখন পুথি মিলাই লৈ এটা নকল প্ৰস্তুত কৰিব পাৰিলে ই আমাৰ সাহিত্যৰ এটা সম্পদ হৈ উঠে। কাৰবাৰ ওচৰত এই পুথি থাকিলে অনুগ্ৰহ কৰি আমাক সংবাদ দিব বুলি খাটিলোঁ।[*] এই পুথিখনৰ ভালদৰে এটা নকল প্ৰস্তুত কৰিব পাৰিলে আমাৰ আসাম সাহিত্য সভাক প্ৰকাশ কৰিবলৈকো অনুৰোধ কৰিব পাৰি।

আমাৰ সংগৃহীত পুথিৰ শক আদি নাই; সেই কাৰণে ইয়াক কেৱল চতুৰ্ভুজ ঠাকুৰৰ সময়ত ৰচিত বুলি কৈয়েই এই বাৰলৈ ক্ষান্ত থাকিব লগাত পৰিলোঁ।

শ্ৰীহৰিণাৰায়ণ দত্ত বৰুৱা।

---

# চেৰেপাৰ আমনি।

কোনে পঠিয়াই দিলে কব নোৱাৰোঁ, মোৰ লেখা-পঢ়া কৰা মেজৰ ওপৰত পৰি থকা দেখিলোঁ, "প্ৰান্ত-বাসী" নামেৰে বাতৰি কাকত এখন। কাকতখনৰ ভাষা বঙ্গলা। লেখক কোনোবা বঙ্গলা-শিক্ষানবীচ। তাৰ নমুনা যেনে—"হটাৎ কেন...দিনেৰ পৰ দিন কাঠাইয়া দিয়া" ইত্যাদি। ধুবুৰীত অসম-সাহিত্য সভা বহাৰ পিচত এইখন তাত ওলাইছে নিশ্চয়; কিয়নো, তেতিয়া তাত এওঁৰে সৈতে আমাৰ 'মুলাকাৎ' হোৱা নাছিল। তাৰ কিছু দিনৰ পিচত শুনিছিলোঁ, যে ধুবুৰীত হেনো অসমীয়া ভাষা সাহিত্য আৰু তাৰ সেৱকসকলক অনুগ্ৰহ কৰিবলৈ অসম প্ৰবাসী বঙ্গালী আৰু নিজক বঙ্গালী সাজি কৃতাৰ্থ হবলৈ উচ্চ আশা হিয়াত পোহা দুজন-চাৰিজন অসমীয়াই গোট খাই এখন কাকত উলিয়াইছে। আজি বুজিলোঁ সেইখনেই এইখন। কাকতখনে নাম লৈছে প্ৰান্তবাসী। প্ৰান্ত মানে সীমা বা ঢাপ। এওঁ বঙ্গৰ ঢাপতনে অসমৰ ঢাপত গজিছে অস্পষ্ট। কিন্তু স্থানফেৰা হলে সুবিধাৰ। ঢাপত স্থান লওঁতাই চেগ বুজি দুইকালৰ সুবিধালৈকে হাত মেলিব পাৰে; আৰু কোনোফালে অসুবিধা দেখিলে হাত সাৗৰি কাঠৰ মূৰ্ত্তিটি যেন হৈ বহি থাকিবও পাৰে। জন্তুৰ ভিতৰত বাদুলিৰ সুবিধাৰ কথা কোনে নাজানে? সি চৰাইৰ বৰ-সবাহতো মলা-চকৰ ভাগ বিচাৰিব পাৰে, আৰু সুবিধা বুজি পহুৰ বভাৰ তলত ওলমি তেনে দাবি দাখিল কৰিলেও "হো কটা! তই ইয়াত কিয়?" বুলিবলৈ বা সাহ কৰিব কোনে? ইংৰাজীত এটা কথা আছে—Sitting on the fence। সিয়ো প্ৰায় এনে

---

* যোৰহাটৰ চাওখাট মৌজাৰ পুনীয়া সত্ৰৰ শ্ৰীযুত দত্তদেৱ গোস্বামীৰ হাতত "সপ্তমালা" নামেৰে পুথি এখন আছে বুলি শুনিছোঁ। লিখকে এবাৰ চু লৈ চাব পাৰে।—সম্পাদক।



কথাই। আৰু শুনিছিলোঁ, বোলে সেই নৱজাত শিশুৰ অসমীয়া ভাষাবিদ্বেষৰ হলাহলেৰে "ৰংটি কাল"। আমি ভাবিলোঁ, তেন্তে "তাৰে না দেখাই ভাল।" কিন্তু "অদৃষ্টেৰ ফল, কে খণ্ডাবে বল"—"বাচ্ছাটি" চুচৰি আমাৰ আগত আজি সোঁ-শৰীৰেৰে উপস্থিত।

"অসমীয়াৱ ৰোষ" বুলি প্ৰান্তবাসীত এটা প্ৰবন্ধ ওলাইছে। আগৰপৰা শুৰিলৈকে প্ৰবন্ধটো অসমীয়া, অসমীয়া ভাষা আৰু অসমীয়া-সাহিত্য-সেৱক-বিদ্বেষৰ বিষেৰে জৰ্জ্জৰিত। তাৰ কথাবোৰৰ ওপৰত বাদ-প্ৰতিবাদ তৰ্ক-বিতৰ্ক নচলে। তাৰ ভিতৰৰ কোনটোক এৰি কোনটোক ধৰা বুলি সম্বন্ধ ধৰিম, বাছি উলিওৱা টান। কাৰণ, এটাইবোৰৰে ডাঢ়ি-চুলি পকা। সেই দেখি চকু-মূৰ মুদি তাৰ অ'ৰ-ত'ৰপৰা একেযাৰ দু-আষাৰ বুটলি, তাৰে বিষয়ে একাষাৰ দুআষাৰ কওঁ। তেওঁ লেখিছে "অসমীয়া ভায়াদেৱ উদ্দেশ্য......সাহিত্যেৱ মুখোস পৱিয়া... গোয়ালপাড়া জেলাৱ বিদ্যালয় সমূহে অসমীয়া ভাষা প্ৰবেশেৱ পথ সুগম কৱিবাৱ চেষ্টা।"

আমি সোধোঁ প্ৰান্তবাসীৰ শগুনী-চকুৰে দেখাটোৱেই যদি অসমীয়া সাহিত্যিকসকলৰ উদ্দেশ্য হল, তাতেই বা কি পাক লাগিল? আমি জানো, তেওঁ নাজানে যদি তেওঁৰ বৰ ককায়েকে জানে, যে গুৱালপাৰাখন অসমৰ, গুৱালপৰীয়া অসমীয়া আৰু গুৱালপাৰাৰ ভাষা অসমীয়া। ৰঘুমলা বঙ্গালৰ মোহনী-বানত নপৰা সৰহ-ভাগ গুৱালপৰীয়াই এই কথা জানে। কাকত-পত্ৰত, কিতাপ-পুথিত বাদ-বিতণ্ডাত, আলোচনা-বক্তৃতাত এই কথা ঠকা-সৰকাকৈ আলোচিত হৈ প্ৰমাণিত হৈছে। তেন্তে নিজৰ ঘৰৰ নিজৰ মানুহৰ ভিতৰত নিজৰ মাতৃ-ভাষাৰ প্ৰচাৰ আৰু উন্নতিৰ চেষ্টা কৰাটোনো কি গো-বধ পাতকৰ কথা হল? আমাৰ ঘৰৰ জঙ্গাল সাৰোতে মছোতে, যদি বিদেশী কলা-পকৰা গোটাচেৰেক আৰু জাক জিলিকাবলৈ তাৰ জাকত নানা ছল-বুদ্ধি কৰি সুমাই লোৱা দেশী টোকা পকৰা দুটা-এটাই প্ৰাণ ত্যাগ কৰিব লগীয়া হয়, তেন্তে বঙ্গলাত কবৰ নিচিনা "বড় জোৰ" আমাৰ গাত অনিচ্ছাকৃত পকৰা-বধ পাতক লাগিব পাৰে, গোবধ পাতক লগাৰ কোনো সম্ভাৱনা নাই। অৱশ্যে তেওঁলোকে হিংসা কৰি যদি আমাক ডাঙৰটো পাতকৰ ভাগী কৰিব খোজে, তেন্তে আমি নিৰুপায়। আমি আমাৰ নিজৰ গুৱালপাৰৰ ককাই-ভাই, বাই-ভনীসকলৰ, ভালৰ অৰ্থে মাতৃভাষা আৰু সাহিত্যৰ চৰ্চ্চা কৰিছোঁ আৰু কৰি থাকিম; সেই কাৰ্য্যত বঙ্গালৰ কথা শুনিবলৈ নাযাওঁ। আমাৰ কামোৰ কাছৰ কামোৰ। কাছই মেঘে গাজিলেহে এৰে বুলি কয়। আমি কিন্তু মেঘে গাজিলে যে নেৰোঁৱেই প্ৰান্তবাসী গাজি গুমৰি মৰি গলেও আমাৰ কামোৰ এৰা নপৰে। এৰিম কেনেকৈ? গুৱালপাৰ আমাৰ, গুৱালপাৰৰ আমি। কেলেহুৱাৰ কথা শুনিবলৈ কোন যাব? কৰবাৰ-পৰা উৰি আহি ৰঘুমলাই গুৱালপাৰৰ গা-গছত শিপাই, নিলাজ ভাৱে যদি কয় যে গছজোপা তাৰহে, তেন্তে আমাৰ কাম হব, ৰঘুমলাৰ চুলিত ধৰি টানি আজুৰি তাক উভালি পেলাই দিয়াটো।

সাহিত্য-সভাৰ সভ্যৰ শাৰীত চৰ্কাৰী বিষয়া, অবিষয়া, মুদৈ, সদাগৰ, উকিল, বেৰিষ্টাৰ, ডাক্তৰ, কবিৰাজ, গোসাঁই, মহন্ত সকলো আছে; আৰু থকাটো বে-আইনী বুলি আমি নাজানো। সভাই অধিবেশন পাতিলে ধুবুৰী, গুৱালপাৰত, সভালৈ সকলো গ'ল। ধুবুৰী গুৱালপাৰে অভ্যাগতসকলক আদৰ-সাদৰ কৰি সভাৰ কাৰ্য্য সমাপন কৰিলে। তাত ৰাজনৈতিক বিভীষিকা দেখিলে সপৰিবাৰে বঙলুৱা প্ৰান্তবাসীয়ে। এতিয়া আমি কৰোঁ কি? অদ্ভুত কথা নহয়নে? ভূতে-পোৱা মানুহক বেজৰ ওচৰলৈ পঠিয়ায়। বেজে কয়, তেওঁলোকক আচল ভূতে পোৱা নাই। সাহিত্য-সভাত তেওঁলোকে ৰাজনৈতিক ভূত দেখাৰ মানে, তেওঁলোকৰ মতলবত ব্যাঘাত। মতলবটো, গুৱালপাৰৰ ভাষা বঙ্গলা, গুৱালপাৰ বঙ্গৰ, এইবোৰ মিছা কথা ইমান দিন তেওঁলোকে গুৱালপৰীয়া মানুহক কৈ তাত চৰি থাকিবৰ সুবিধা কৰি লৈছিল; তাৰে মূৰ মৰিবৰ উপক্ৰম। গুৱালপৰীয়াৰ আত্মবোধ আৰু আত্মসন্মানে সাৰ পাই উঠিলে, তেওঁলোকৰ চিলিম ছিগিব।

প্ৰান্তবাসীয়ে লেখিছেঃ—

"আমৱা সমস্বৱে এই আকস্মিক বিপদ হইতে ত্ৰাণ

পাইবার জন্য সরকারের সাহায্য প্রার্থনা করিলাম, সরকার তখন নিশ্চিন্ত থাকিতে পারিলেন না।"

ককালৰ জোৰাত কোব পৰিলে স্বাৰ্থই এইদৰেই "সমস্বরে" কেকায়। আসাম সাহিত্য সভাৰ গাত ৰাজনৈতিক বিষ বিচাৰি উলিয়াই চৰ্কাৰৰ হাতত বিহলঙ্গনি একোচা তুলি দিছে বুলি ডাংকোপ মাৰোতা প্ৰান্তবাসীক গবৰ্ণমেণ্টে কি বঁটা দিলে তেওঁ নকলে। আন নহলেও চি, আই, ডি, বিভাগত পুলিচৰ ইন্‌ফৰ্ম্মৰৰ চাকৰি এটা তেওঁ তেওঁৰ পৰিশ্ৰমৰ বক্‌চিচ, স্বৰূপে সোনকালে পোৱা উচিত।

প্ৰান্তবাসীয়ে আকৌ অতি ওখ সুৰীয়াকৈ কৈছে শুনা:—"আসাম সাহিত্য সম্মিলন যদি প্রকৃত সাহিত্য সম্মিলন হইত, তাহা হইলে গবর্ণমেণ্ট সরকার এই সম্মিলনে সরকারী চাকুরীজীবির যোগদানের পথ রুদ্ধ করিতেন না। জ্ঞান, ধৰ্ম্ম চৰ্চ্চা করিতে গবর্ণমেণ্ট কাহাকেও নিষেধ করেন না, কিন্তু সরকারি চাকুরীজীবি যদি বিধি নিষেধ না মানিয়া উচ্ছৃঙ্খলতা অবলম্বন করেন, সাহিত্যিকের মুখোস পরিয়া ৰাজনৈতিক আন্দোলনে যোগ দেন, তবে সরকারের আর গত্যন্তর কি আছে? সরকারী চাকুরীজীবির মতিভ্রম উপস্থিত হওয়ায় সরকারকে বাধ্য হইয়াই ইস্তাহার জারী করিতে হইয়াছে। ইহাতে সরকারের কোন ত্রুটি হয় নাই।"

আমাৰ এতিয়া আৰু সন্দেহ গল যে, প্ৰান্তবাসীৰ এই Patronage পাই বিশাল বিপুল বিক্ৰমী বৃটিছ্ গবৰ্ণমেণ্ট নিশ্চিন্ত হল, গবৰ্ণমেণ্টৰ মুখলৈ পানী আহিল। ঈশ্বৰে এওঁক জীয়াই ৰাখক আৰু বৃটিছ গবৰ্ণমেণ্টৰ ভয় নাই। আৰু অসমৰ কোনো ৰাজনৈতিক সাহিত্যিকে গবৰ্ণমেণ্টৰ ছিগা-চুলি এডালতো, এওঁ থকাত, হাত দিব নোৱাৰে। অসম আৰু বঙ্গৰ জোৰাতে গবৰ্ণমেণ্টৰ এই ভৱা অভিভাৱকজন যেতিয়া আছে, আৰু গবৰ্ণমেণ্টৰ ভয় কি? আমাৰ মনত খেলাইছে কিজানি গবৰ্ণৰ চাহাবে এওঁৰ শৌৰ্য্য বীৰ্য্য বিদ্যা-বুদ্ধিৰ বল appreciate কৰি অসমীয়াতে এইদৰে লিখিছেই বা—

"সৰ্ব্বকালে পিতামহ আছা ৰক্ষা কৰি।
শিশু চটকক যেন পখায়ে আবৰি॥"

দেহি ঐ! এওঁ তাহানি কলিকতাৰ বোমাৰ গোলমালৰ সময়ত নাছিল। বোধ কৰোঁ তেতিয়া এওঁৰ আমা-ডিমা অৱস্থা। নতুবা এওঁক পোৱাহেতেন গবৰ্ণমেণ্টৰ কত সাশ্ৰয় হলহেতেন! যি হওক, আমি ক্ষুদ্ৰ প্ৰাণীৰ কথা গবৰ্ণমেণ্টে শুনিবনে নুশুনে কব নোৱাৰোঁ; তথাপি কওঁ যে, এওঁক যেন ৰায় বাহাদুৰ উপাধি দিয়া হয়। আৰু তেওঁকো কওঁ তেহেলৈ শুনকে বা নুশুনক যে, তোমাক যদি চৰ্কাৰে ৰায় বাহাদুৰ উপাধি নিদিয়ে, তুমি কৃতবিদ্য able bodied man, তুমি পিচ হঁহকিবা কিয়? তুমি নিজেই বীৰ বাহাদুৰ বা ৰণ বাহাদুৰ নাইবা জং বাহাদুৰ হৈ বহি থাকা; তোমাক কোনে কি কৰিব পাৰে? তোমাৰ দেশৰ কত লোকে সস্তা গীতা এখন কিনি লৈ তাৰ দুপাত পঢ়ি আজিকালি স্বামী হৈ বহি আছে। পশ্চিমত নগা সন্ন্যাসী যিমান, তোমাৰ দেশত "আনন্দ স্বামী" সিমান; ভয় কি? স্বামী হোৱাত আহকাল নাই অথচ আনন্দ ষোল অনা; এইবোৰ সুখৰ profession; unemployment অৰ ঔষধ।

বঙ্গলা সাহিত্য সভাই কিন্তু চিলঠ, কাছাৰ, মানভূম আদিক ভাষাৰ হিচাপত পেলাই বঙ্গৰ ভিতৰুৱা কৰিবৰ প্ৰস্তাৱ ধাৰ্য্য কৰিব পাৰে; তাত পলিটিক্‌চ্ নাই; কাৰণ, তেওঁ ৰাজনন্দিনী প্যাৰী। বঙ্গলা সাহিত্য পাৰিষদ বা সভাত কিজানি গবৰ্ণমেণ্টৰ "চাকুৰীজীবিও" নাই; থাকিলেও দোষ নাই; কাৰণ, তেওঁলোক কুলীন; অসমীয়াকেইটাৰ দৰে untouchable নহয়।

আমাৰ কথাতে কয় বোলে "ভাবক ভাই, যাকে ভাবা তাকে পায়।" প্ৰান্তত বাস কৰোঁতা আমাৰ ভায়াই দিনে-ৰাতিয়ে পলিটিক্‌চ্ ভাবি ফুৰোতে য'তে ত'তে তাৰ গোন্ধ পায়। আমাৰ সাহিত্য সভাতেই বা নাপাব কিয়? কোনে জানে, তেওঁৰ শোৱা পাটীতো তেওঁ তাৰ গোন্ধ নাপালে ৰক্ষা। এজনী বাৰী বামুণীৰ চুৰকৈ মাছ খোৱা পৰ্কিতি আছিল। আন বস্তুৰ কথাকে নকওঁ, এদিন তাই সত্যনাৰায়ণৰ পূজাৰ পিঠাৰ প্ৰসাদতে মাছৰ গোন্ধ পাইছিল; আৰু তাইৰ শহুৰ ভমক চাৰ কোনে। মানে, তাই কিমান শুদ্ধ বিধৱা সেইটোৰে প্ৰদৰ্শনী পাতি দেখুৱাইছিল। বঙাল ৰান্ধনীৰ গিৰিহঁতে



ক'লে "ঠাকুর, আজ মাছের ঝোলে নুণ বেশি দিয়েছ।" ৰান্ধনি বামুণে কথাষাৰ শুনি অলপ পৰ টভক মাৰি ভাবিবলৈ ধৰিলে—"মই আঞ্জাত লোণ বেচি দিলোঁ, তাৰ মানে মোৰ বুদ্ধি নাই। বুদ্ধি নাই কাৰ? ভোবোলা-ছাগলীৰ। মোক বাবুৱে ভোবোলা ছাগলী বুলি গালি পাৰিলে।" এইদৰে ভাবি খং উঠি সি তাৰ বাবুৰ মূৰত দিলে এমাৰ সোদায়। অসম সাহিত্য সভাই ধুবুৰীত সাহিত্য চৰ্চ্চা কৰিলে; প্ৰান্তত বাস কৰোতাই ভাবিলে, সভাই তেওঁক অৰ্থাৎ বঙালীক গালি পাৰিলে। গতিকে লগা সভাৰ মূৰত এটা ডোন। বিয়াহ-গোৱা ওজাই আঙ্গুলি জোকাৰি আঙ্গি-ভঙ্গি কৰি সমজুৱাসকলৰ কালে চাই বাৰে বাৰে একাষাৰ গীতৰে আবৃত্তি কৰিলে। চহা চোৰ আছিল সমজুৱাৰ মাজতে বহি। সি, ওজাই তাৰ ফাললৈকে আঙ্গুলিয়াই তাক দেখুৱাই দিছে বুলি ভাবি গতি বিষম যেন বুজি উঠি লৰ মাৰিলে। বাটতে তাৰ ভাই চোৰে তাক লগ পাই, "কাকা দাউৰি আহিছানো কিয়"? বুলি তাক সুধিলে; সি ক'লে "ভতিজা, বৰ বিপদত পৰিছিলোঁ। সেই বিয়াহ-গোৱা ওজাটোৱে "হেন্ হেন্ কৰে আঙ্গুলিয়ায়; হেইটোকো দেখুৱায়, এইটোকো (নিজৰ গাত আঙ্গুলি দি) দেখুৱায়; তাত কেনেকৈ থাকিম পাই!" বঙ্গাল জোৱাঁয়েক বঙ্গালী শহুৰেকৰ ঘৰলৈ গল। শহুৰেকৰ মহা আনন্দ। জোৱাঁয়েকৰ Honour-অত ঘৰত যাত্ৰাগান পাতিলে। পুৰা বাৰীৰ পিচফালে জোৱাঁয়েকে মুকলি-কুৰিবলৈ গৈ, বগৰি গছত পকা বগৰি দেখি লোভ সামৰিব নোৱাৰি বগৰি এটা খালে। আহি যেতিয়া তেওঁ যাত্ৰাৰ সভাত বহিল, বৃন্দাৰ দূতীয়ে গান ধৰিলে,—"শ্যাম, তোমার কুলের কথা বলতে পারি।" আৰু এইষাৰকে যেতিয়া জোৱাঁই বাবুৰ ফালে চাই বাৰে বাৰে বৃন্দাই গাবলৈ ধৰিলে, জোৱাঁয়েকে ভাবিলে, যে পুৰাই বাৰী আৰু অশুচী গাৰে তেওঁ খোৱা বগৰিৰ (বঙ্গলাত"কুল"বোলে) কথা সেই বৃন্দাৰ ভাও লোৱা মানুহটোৱে কেনেবাকৈ জানিলে। বাৰে বাৰে সেই কথা শুনি তেওঁৰ অসহ্য হল। খং কৰি একেচাৰেই তেওঁ সভাৰপৰা উঠি হাত জোকাৰি বৃন্দাক কলে "কুলের কথা বলতে পার তো বলেই ফেল! এত আড়ম্বর করে শাসাচ্ছ কেন? খেয়েছিলুম নাহয় একটা কুল, তাতে এমন কি দোষ হল?" সেই বুলি তেওঁ সভাৰ পৰা গুচি গল। এতিয়াও "কথা মথাৰ অঁাহ মথা" এনেকুৱাই হৈছে। Guilty mind is always su-picious। সৰ্পদেও হাতীৰে ফুৰিবলৈ গৈছিল। লগত চতুৰঙ্গ দল। বাটৰ কাষতে এঘৰত এজনী বুঢ়ীয়ে নেওঠনীৰে কপাহৰ গুটি গুচাই-ছিল, নেওঠনীত নাছিল তেল; গতিকে তাৰ কেৰ্কেৰণি উঠি সেই শব্দ অনেক দূৰলৈকে গৈছিল। ৰজাৰ কাণতো সি পৰিছিলগৈ। বুঢ়ীয়ে ৰজা সেইফালে আহিছে শুনি লৰালৰিকৈ নেওঠনীত তেল এটোপা ঢালি দিলে; নেওঠনী নিমাত হল। ৰজাই সেই কেৰ্কেৰণি হঠাৎ বন্ধ হোৱাৰ কাৰণ অনুসন্ধান কৰি যেতিয়া সেইটো শুনিলে, তেতিয়া ভাবিলে "এই বুঢ়ী তো কম বুধিয়ক নহয়। এইদৰে তাই কেতিয়াবা থিতাতে মোকো নিমাত কৰি মাৰিব।" ইয়াকে ভাবি ৰজাই ততালিকে বুঢ়ীক চাওদাঙৰ হাতত দিলে। তান্ত্ৰিক সাধকে শ-সাধনা কৰোতে কৰোতে ভগৱতীক দেখাৰ আগতে অনেক ভূত, প্ৰেত, সিংহ, বাঘ আদিৰ বিভীষিকা দেখে। প্ৰান্তত বাস কৰোতাই আচল বঙ্গালী হবলৈ সাধনা কৰোতে বাটতে অসমীয়া সাহিত্যসভাৰ গাত আৰোপ কৰা ৰাজনৈতিক আদি বিভীষিকাবোৰ দেখাতো আচৰিত মানিব লগীয়া নহয়; তেওঁ কলিকতালৈ বুলি বাট বোলোতে বোলোতে মৈমনসিং, ফৰিদপুৰ আৰু পাবনাৰ দাঁতিহে পাইছেগৈ। কলিকতা আৰু দূৰত। সেইখিনি পোৱাৰ আগতে আৰু কত বিভীষিকা দেখিব।

প্ৰান্তবাসীয়ে কৈছে—"অসমীয়ার প্রধান আক্রোশ গৌরীপুরের মাননীয় রাজা বাহাদুরের প্রতি।" আমি তেওঁক কওঁ—"ককাই তুমি মিছা কথাষাৰ ক'লা। তোমাৰ ধৰ্ম্ম-কৰ্ম্মলৈ ভয় নাইনে? গৌৰীপুৰৰ ৰজাৰ প্ৰতি অসমীয়াৰ আক্ৰোশ নাই; অসমীয়াৰ আক্ৰোশ সবল বজাটিক ভুক্‌ং-ভাজাং দি ফুচুলাই আওবাটে লৈ যোৱা তোমাৰ নিচিনা পৰৰ ওপৰত খোৱা টেঙ্গৰ মানুহৰ ওপৰতহে। সাধুলোকৰ উপদেশ,—পাপক ঘৃণা কৰিবা; পাপীক নহয়। গৌৰীপুৰ অসমীয়া মানুহ,

হাড়ে-দগজুৱে। স্বাৰ্থপৰ বঙ্গালী কিছুমানৰ ফুচুলনি শুনি তেওঁ অসমীয়া ভাষাৰ বিৰোধী হৈছে বুলি অসমীয়াৰ বিশ্বাস আৰু সেই বাবে বেজাৰ। তেওঁৰ এই কু-কাৰ্য্যহে আমাৰ বিৰক্তিৰ বস্তু। অসমীয়াই দেখি-শুনি এতিয়া ভাবিব লগীয়াত পৰিছে যে ৰজাৰ বাজ হাড়ৰ ( back-bone ) অভাৱ। আগেয়ে আছিল অসমীয়া বকৰাৰ ঘৰৰ এই বৰুৱা বজাঙ্গন পূৰা অসমীয়া; এতিয়া হ'ল তেওঁ অসমীয়া বিদ্বেষী বঙ্গালীৰ বান্ধ পূৰা বঙ্গালী। যদি তেওঁ কয়, তেওঁৰ আগৰ কাৰ্য্যকলাপ আৰু ভাবৰ ধাৰাটো ভুল আছিল, এতিয়া সেইটো সলাই তেওঁ নিৰ্ভুল বাট লৈছে, আমি কওঁ অসমীয়াৰো সম্পূৰ্ণ justification আছে ভাবিবলৈ যে, তেওঁৰ বৰ্ত্তমান গতিৰ প্ৰণালীটো অকল ভুলেই নহয়, সম্পূৰ্ণ স্বদেশ স্বজাতি আৰু স্ব-মাতৃভাষা-বিদ্বেষী। তেওঁ তো আগেয় নাবালক নাছিল। তেন্তে সিমূৰৰপৰা আহি তেওঁ আজি ইমূৰত থিয় দিলেহি কেনেকৈ? ইয়াৰ Mystery কি? আমি তেওঁক খাতাংকৈ কওঁ তেওঁনো কেনেকৈ বঙ্গালী, তেওঁৰ ভাষা নো অসমীয়া নহৈ কেনেকৈ বঙ্গলা হল, গুৱালপাৰৰপননো কেনেকৈ আৰু কিয় অসমীয়া নহৈ বঙ্গদেশ হল, এইবোৰ সমস্যাৰ মীমাংসা কৰিবলৈ ( যদিও আগেয়ে অলেখ বাৰ হৈ গৈছে তথাপি ) তেওঁক পুনৰায় আমি তেওঁৰ দলবলেৰে সৈতে আহ্বান কৰিছোঁ, তেওঁ আমাৰ সমুখ হওক। বিচাৰত যদি তেওঁ জিকে, অকল তেওঁ কিয়, তেওঁৰ লগতে আমি এটাইবোৰে মোট সলাই বঙ্গালী হবলৈ প্ৰতিশ্ৰুতি দিলোঁ। আৰু যদিহে তেওঁ হাৰে, তেন্তে তেওঁক ফুচুলাই মাতৃভাষা-বিদ্বেষী কৰোতা-বোৰক তেওঁ তেওঁৰ জমিদাৰীৰপৰা খেদি দি গঙ্গাস্নান কৰি আমাৰ বৰ সবাহত বহকহি, এয়ে আমাৰ খাতাং কথা।

প্ৰান্তত বাস কৰোতাই কৈছে "অসমীয়া ভাষার প্রতি আমাদের কোনরূপ বিদ্বেষ নাই"। শুনি আশ্বস্ত হলোঁ। আমাৰ বুকুৰ ওপৰৰপৰা মাহ-ডলা জাতখন গল। ইয়াকেই বোলে সাধুতা।

আকৌ কৈছে,—"ইহাতে যদি অসমীয়া ভাষা কুঠারাহত ছিন্নমূল দ্রুমের ন্যায় ধরাশায়ী হয়, এমন কি জগৎ হইতে ইহার অস্তিত্ব লোপ পায়, তাহাতে গোৱালপারা-বাসীর কিছু যায় আসে না।" আমি কওঁ, প্ৰান্তবাসী পান্থবৰ! তুমি ওচৰ চাপি আহাঁ, তোমাক চুমা এটা খাবৰ মন গৈছে। ডাঢ়ি আছে যদি লৰালৰিকৈ খুৰাই আহাঁ "দেরী সইবে না।" তুমি এইবাৰ "সাধুতৰ"। কাউৰীয়ে কাকবাঁহৰ আগত উঠি কয়, যদি গোটেইখন দেশ পানীৰ ধলত বুৰি যায়, তেন্তে কি মজাই হ'ব; কত মৰা-শ উটি আহিব, আৰু মই উৰি গৈ তাত বহি বহি খাম।

ঢাপত-গজাজনে আকৌ কৈছে—"সরকারী চাকুরী-জীবী ব্যতীত আর যদি সাহিত্যসেবক নাথাকে ( অসমত ), তবে এমন সাহিত্যের উন্নতিকল্পে কোন সম্মিলন হওয়া উচিত নহে এবং এমন ভাষার পঠন-পাঠন আইন দ্বারা রহিত হওয়াই উচিত। জগতের সমক্ষে তার প্রচার করিয়া হাস্যাস্পদ হওয়া আমাদের মতে বাঞ্ছনীয় নহে। যে ভাষার উন্নতি মুষ্টিমেয় সরকারী চাকুরীজীবীর উপর নির্ভর করিতেছে, এমন ভাষা গোৱালপারা-বাসী চাহে না। চাকুরীজীবীর মস্তিষ্কপ্রসূত সাহিত্য চাকুরীজীবীর নীতিই অনুসরণ করিবে, ইহাই আশা করা যায়। দাসের নিকট দাস মনোভাব ভিন্ন অন্য উদার ভাব বা মুক্তির বাণী আশা দুরাশা নহে কি?"

আমি কওঁ অসমীয়া ভাষাৰ বন্ধু, প্ৰান্তত বাস কৰোতা, মুদীখানাৰ মছলা বান্ধিবলৈকো যোগ্য নোহোৱা এই গৰ কেলেপ কাকতখিলা, এইবাৰ কিন্তু "সাধুতমৰ" খাপলৈ উঠিল। গোটেই গুৱালপাৰৰ মানুহৰ নামত, গোটেই গুৱালপাৰৰ হৈ কথা কবৰ এই ফটুৱা কাকতখনৰ কি অধিকাৰ আছে? গোটেই গুৱালপাৰৰ মানুহৰ হৈ এই দৰে কথা কৈ গুৱালপৰীয়া সভ্য ভব্য বুদ্ধিমান ৰাইজক এইদৰে অপমান কৰিবৰ এওঁ কোন টিংখপীয়া নবাব? বিলাতৰ টুলিষ্ট্ৰীটৰ তিনটা দৰ্জ্জীয়ে তাহানি গোটেই বিলাতৰ মানুহৰ প্ৰতিনিধি সাজি এইদৰে দৰ্খাস্ত এখন ৰজা-ঘৰত দিয়াৰ কথা আজিলৈকে হাঁহিৰ কথা হৈ আছে। এওঁৰ Sense of humour অলপো নাইনে? ঈশ্বৰে এনেকৈ অদ্ভুতকৈ কোনোক চজি দং চায় হবলা।



আইন কৰি অসমীয়া ভাষা বন্ধ কৰি দিবলৈ এওঁ গবৰ্ণ-মেণ্টক হুকুম দিয়াতো বেচ উপভোগ কৰিবলগীয়া humour আছে। তেওঁ নিশ্চয় ভাবিছে, তেওঁ গবৰ্ণ-মেণ্টৰ অভিভাৱক, আগতে এই কথা আমি দেখুৱাই আহিছোঁও।

এটা কথা বোধ কৰো নিশ্চয় যে ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, বঙ্কিমচন্দ্ৰ চাটুৰ্জ্জী, দীনবন্ধু মিত্ৰ, নবীনচন্দ্ৰ সেন, চন্দ্ৰনাথ বসু, ভুদেব মুখুৰ্জ্জী গবৰ্ণমেণ্টৰ "চাকুৰীজীবী দাস" নাছিল; নতুবা তেওঁলোকৰ মনোভাবেৰে তেওঁলোকে গঢ়ি দিয়া বঙ্গলা ভাষাত প্ৰান্তবাসী নোলালহেতেন; আৰু বঙ্গলা সাহিত্য চৰ্চ্চা কৰিবলৈ আৰু হেনাহুচা বঙ্গলা মাত মাতিবলৈ তেওঁৰ দলৰ মানুহ কেইজন নগলহেতেন। যদি কোনোবাই কয় বিদ্যাসাগৰে ফোৰ্ট উইলিয়মত আৰু সংস্কৃত কলেজত আৰু তাৰ আগতো গবৰ্ণমেণ্টৰ চাকৰী বা দাসগিৰি কৰিছিল; আমি কম "তই কেপ্ কেপাই নেথাকিবি দেই। তোৰ মুখ ভাঙ্গিম। মোৰ 'নিশ্চয়টো' হেলেকৃলেক্ নকৰিবি"। যদি ৰমেশচন্দ্ৰ দত্তক চিভিল্-চাৰ্ভিচ্ চাকৰীয়া বুলি কোনোৱে কয়, আমি কম "চুপ"। যদি বঙ্গলা সাহিত্য-সম্ৰাট বঙ্কিমচন্দ্ৰক কোনোবাই ডেপুটি মেজিষ্ট্ৰেট্ আছিল বুলি কয় আমি কম, "আৰ জ্বালিয়ো না বাবা!' বঙ্গলা ভাষাৰ মহাকবি নবীনচন্দ্ৰ সেনক কাৰবাৰ হাড়-নাইকিয়া জিভাই কিবাকিবি মাতি দাস ডিপুটি যদি বোলে, তেন্তে কম "বাবু! চাওক, মোক সেই লৰাটোৱে জোকাইছে।" যদি নীলদৰ্পনৰ দীনবন্ধুকো কোনোবাই তেনে চাকৰীয়া বোলে আমি ভেঁকাহি মাৰি দিম। যদি শকুন্তলা তত্ত্বলিখক চন্দ্ৰনাথ বসুক কোনোবাই গবৰ্ণমেণ্টৰ ট্ৰেন্সলেটৰ চাকৰীয়া বোলে, তেন্তে মই ভেঁ কৰে কান্দি দি বন জিকিম। যদি কোনোৱে কয় ভুদেব মুখোপাধ্যায় গবৰ্ণমেণ্টৰ চাকৰীয়া আছিল, আমি কম, সেইটো ব্যতিক্ৰম। যদি কোনোবাই কয়, দ্বিজেন্দ্ৰলাল ৰায় আৰু গবৰ্ণমেণ্টৰ চাকৰী এই দুটাৰ ভিতৰত গোমাংসৰ ব্যৱধান নাছিল, তেন্তে তাৰ মুখত সোপা দিবলৈ ফটাকানি বিচাৰিম। প্ৰান্তত বাস কৰোতাই অসমীয়াক নিজৰ যঁতৰত তেল দিবলৈ কৈছে। অসমীয়াই সেইবাবে তেওঁৰ ওচৰত কৃতাকৃত হৈ তেওঁক উপদেশ দিলে, তেওঁ শুনক;—"কিয় হনুমন্ত বিচুৰ্ত্তি হোৱাঁ, তোমাৰ মুখৰ অগণি তুমি নিজৰ মুখেৰেই হুমুৱা।"

প্ৰান্তবাসীয়ে লেখিছে—"১৯২৬ সনের আসাম সাহিত্য সম্মিলনের পরিণতির জন্যও নাকি রাজাবাহাদুর এবং অপর একজন জমিদার দায়ী। এই সাহিত্য সম্মিলনের সভাপতি মহাশয় তাঁহার অভিভাষণে ও ব্যবহারে যে বর্ব্বরতার পরিচয় দিয়াছেন" ইত্যাদি।

ওপৰত উল্লেকিওৱা ১৯২৬ চনৰ পুৰণি কথা প্ৰান্ত-বাসীয়ে আমাক সোঁৱৰাই নিদিয়াহেতেনেই ভাল আছিল। সেই সভাত আমিও উপস্থিত আছিলোঁ, গতিকে ঘটনাটো ভালকৈয়ে জানো। সেই সভাৰ সভাপতিৰ অভিভাষণ আৰু ব্যৱহাৰত বৰ্ব্বৰতা নে, অভ্যৰ্থনা সভাৰ সভাপতিয়ে সৈতে জনচেৰেকে সভাৰ মণ্ডপৰপৰা ওলাই গৈ সমুখতে ঢোল খোল বজাই গোটেই অসমৰপৰা নিমন্ত্ৰণ কৰি নিয়া অতিথি ভদ্ৰলোক সভ্যসকলক গালি পাৰি অসভ্যতা কৰি অপমান কৰাটো বৰ্ব্বৰতা? তেওঁলোকৰ এনে অভদ্ৰ ব্যৱহাৰত মৰ্ম্মান্তিক লাজ আৰু দুখ পাই গুৱালপাৰৰ আন আন মুখ্য ভদ্ৰলোকে এজনৰ পিচত এজনকৈ সভাত উঠি, লগৰীয়া কেইজনৰ জঘন্য অপৰাধৰ আৰু অভদ্ৰতাৰ বাবে সমবেত ৰাইজৰ আগত ক্ষমা প্ৰাৰ্থনা কৰা দৃশ্যটো আজিও আমাৰ চকুৰ আগতে জলি আছে। তথাপি প্ৰান্তবাসীয়ে সভাপতিক বৰ্ব্বৰ বুলি নিজক সোণাবৰ পাতিছে। আমি কওঁ, সঁচাক মিচাকৈ দেখুৱাবলৈ যোৱাটোও এবিধ বৰ্ব্বৰতা, যিটো তেওঁৰ গাত থকাটোৰ চিনাকি এতিয়াও তেওঁ দিছে। ইয়াকে কয় বোলে "বাজিৰ লাগে টেমি-কটাৰী, বাজিছে হাচটি"। চিৎপুৰৰ শ্ৰীমতীয়ে নাবিকল- ডাঙাৰ বানুৰ্জ্জী-গৃহিনীক কয় "তুমি অসতী"! Suppressis veri আৰু Suggestis falsi ইৰো এটা সীমা থকা উচিত। মিছাৰ Unlimited Liability Company খুলিবলৈ গলে it gets into one's nerve। সভাপতিয়ে তেওঁৰ অভিভাষণত সামান্য এটা joke বা ৰসিকতা কৰিছিল। বাবুসকলৰ, সেই ৰসিকতা ৰসিকতাৰ Spirit-এৰে বুজিবৰ ক্ষমতা নহল। আমাৰ সভামণ্ডপত ডাক্তৰো দুই-চাৰিজন আছিল; সেইদেখি সভাপতিৰ

উচিত আছিল, ডাক্তৰৰ হতুৱাই অস্ত্ৰ কৰোৱাই সেই ৰসিকতাৰ বীজাণুকেৰি তেওঁলোকৰ মূৰত সুমোৱাই দিবৰ দিহা কৰাটো। তাকে নকৰি তেওঁ ভাবিলে, তেওঁৰহে কপাল মন্দ ; কাৰণ, তেওঁ "অৰসিকেষু ৰসস্য নিবেদনং" কৰিবলৈ কিয়বা গৈছিল, আৰু তেওঁৰ কপালত চতুৰাননে সেই দুখকে বা কিয় লেখিছিল ? বেচেৰাই পিচ দিনা সভালৈ আহিয়েই সেই দেখি ক্ষমা প্ৰাৰ্থনা কৰিলে। কিন্তু ক্ষমা কৰে কোনে ? সেই কেইজনে যে joke বা ৰসিকতা বুজে এনেতো নহয় তেওঁলোকৰ একো একোজন ভীমকলৰ গছ যেন ডাঙৰ ডাঙৰ ৰসিক পুৰুষ। তেওঁলোকৰ আচল উদ্দেশ্য সভাত হাই-উৰুমি গণ্ডগোল কৰি দন্দ লগাই পাৰিলে সভা ভাঙি তাত এটা উপদ্ৰৱৰ সৃষ্টি কৰাটো। তেওঁলোকে লেচু বিচাৰি ফুৰিছিল। সেই লেচু তেওঁলোকে যেতিয়া কপালৰ গুণত পালে, তাক এৰে কেনেকৈ ? দল পাতি ( ৮ জন কি ৭ জন ) ওলাই একেবাৰেই গোল-তাল হাতত লৈ গাঁৱৰপৰা হাইজ্বা বা "আইৰ" উপদ্ৰৱ খেদাবলৈ চেষ্টা কৰাদি উপস্থিত সভামণ্ডপৰপৰা সভ্যমণ্ডলীক খেদাবলৈ সঙ্কীৰ্তন যুৰি দিলে। কিন্তু ঈশ্বৰৰ নাম সঙ্কীৰ্ত্তনৰ এনে demonic ব্যৱহাৰে তেওঁলোকৰ ডিঙিহে ফালিলে, সভাৰ সৰিপৰা চুলি এডালকে উৰাব নোৱাৰিলে ; সভা সুকলমে সম্পাদিত হল। এইটোৱেই আচল ব্যাপাৰ। তাতে ৰহন সানি তেওঁলোকে টিকা উথালি উথালি কলিকতাৰ কাকতবোৰলৈ পিচত চিঠি টেলিগ্ৰাম মাৰিলেহে মাৰিলে. সেইবোৰ সভ্যৰ বায়ুৰ কোবত কৰবালৈ উৰি গল। তাৰ পিচত এই প্ৰান্তবাসীৰ পৰিকল্পনা আৰু পৰিস্থাপনা। চোৰে চুৰ কৰি বস্তু লৈ পলাইছে দেখি গিৰিহঁতে পিচে পিচে খেদা দিলে। চোৰে ততালিকে বুধি উলিয়াই উভতি ধৰি গিৰিহঁতৰ ফালে আঙুলিয়াই গিৰিহঁতকে চোৰ বুলি বাটৰুৱাক দেখুৱাই দিলে। এনে বিধৰ ফাকতি বহুত দেখা যায়। "হৰি হে ! তোমাৰ বিচিত্ৰ চিৰিয়াখানা !"

শেহত কওঁ—প্ৰান্তবাসী আৰু তেওঁৰ লগৰীয়াসকলে জানি থওক ; আসাম সাহিত্য সভাই ৰাজনীতি নাজানে, আৰু তাৰ ধাৰো নেধাৰে। জানে ধৰ্ম্মনীতি, স্বদেশ-ৰতি আৰু স্বজন প্ৰীতি ; আৰু জানে নিজৰ অমিয়া-মধুৰ মাতৃভাষাৰে ধৰ্ম্মনীতি, স্বদেশৰতি আৰু স্বজন-প্ৰীতি প্ৰকাশ কৰিব। তাকে সভাই ধুবুৰীত আৰু গুৱালপাৰত কৰিছিল, এমুঠি বিদেশীক সাহিত্য-ধুবুৰী-গুৱালপাৰৰপৰা খেদিবলৈ যোৱা নাছিল। সভাই মহ মাৰিবলৈ বৰ-টোপ নাদাগে। সাহিত্য সভাই আৰু এটা কাম কৰি আহিছে, সেইটো হিৰণ্যকশিপুৰ ঘৰত প্ৰহ্লাদ সৃষ্টি। মাতৃভক্ত সেই ঘৰুৱা প্ৰহ্লাদেই অচিৰাত তাত হিৰণ্যকশিপুবধ আৰু প্ৰেম আৰু শান্তি-ৰাজ্য স্থাপনৰ কাৰণ হব, চাই থাকিবা। গুৱালপাৰৰ দুজন এজন জমিদাৰক তোমালোকে হাত কৰি যি কিৰিলি মাৰিছা, সেই কিৰিলিৰ আয়ুস সৰহ দিন নাই। জমিদাৰ কেইজনেই গুৱালপাৰ নহয় ; যেনেকৈ বুৰক্ৰেচিৰ বিষয়াকেইজনেই ভাৰতবৰ্ষ নহয়,—সেই বিষয়াকেইজন যিমানেই ক্ষমতাশালী হওক। প্ৰজাশক্তি মূৰ দাঙ্গি উঠিলে, জমিদাৰ তো ক্ষুদ্ৰ পদাৰ্থ, ৰুচিয়াৰ জাৰ, জৰ্ম্মেনিৰ সম্ৰাট, চীনৰ সম্ৰাটও কেনিবা উৰি যায়। জমিদাৰজন বঙ্গালী বা হিন্দুস্থানী বা ইংৰাজ ভাবাপন্ন হলেই যে, প্ৰজাবোৰো বঙ্গালী, হিন্দুস্থানী বা ফিৰিঙ্গী হব, এনে নহয় ; নতুবা আমি ইমানদিনে ইংৰাজ ৰজাৰ তলত থাকি আজি এটাইবোৰ ইংৰাজৰ বটতলা-সংস্কৰণ ফিৰিঙ্গী হলোহঁকহেতেন। গুৱালপৰীয়া জমিদাৰকেইজন বঙ্গালী হবলৈ গৈ নিজৰ প্ৰজাৰপৰা আঁতৰি নিজৰ মাৰ নিজে চিন্তিছে মাথোন। গুৱালপাৰৰ প্ৰজা হাড়ে-হাড়ে অসমীয়া, আৰু অসমীয়া হৈয়েই থাকিব। বঙ্গ দেশত দুই এজন ইংৰাজ জমিদাৰ আছে ; সেই জমিদাৰেৰে সৈতে প্ৰজাৰ খাজনাৰ সম্পৰ্ক, ধৰ্ম্ম-কৰ্ম্ম, মাত-কথা বা সামাজিক সম্বন্ধ একো নাই। গুৱালপাৰৰ প্ৰজাৰ ঘাইকৈ younger generation অৰ্থাৎ উঠি অহা ডেকা ছৰপৰ আজি আত্মবোধ আত্মসন্মান জাগ্ৰত। সুপ্ত-সিংহ উত্থিত। ফাপৰে-খোৱা স্কেৰুৱা সাৱধান। তোমালোকৰ দিন টুটি আহিব লাগিছে, চকু মেলি চোৱাঁ। তিনিশ-তেত্ৰিশখন প্ৰান্তবাসীয়েও উঠি অহা গুৱালপাৰৰ generation অৰ উদ্যম, আত্মবোধ, আত্মসন্মান, মাতৃ-ভক্তি, স্বজননী-প্ৰেমক বঙ্গলাত ক'বৰ নিচিনা "ধামা চাপা" দিব নোৱাৰে। এই বিষয়ে আমি নিশ্চিন্ত। মিৰ্জ্জাফৰ, উমিচান্দ কেইজনৰ যত্নত গুৱালপাৰ জিলাৰ এটাইবোৰ পঢ়াশালীত বঙ্গলা চলিলেও সেই বঙ্গলা শিকা লৰাৰ ভিতৰৰপৰাই জহৰলাল, নেহেৰু, সুভাষ বসু ওলাব। দাদাভাই নৌৰজী, ডৱলিউ চি. বানুৰ্জ্জী, সুৰেন্দ্ৰ বান্থৰ্জ্জী, লালমোহন ঘোষ, আনন্দমোহন বসু, চিত্তৰঞ্জন, এওঁলোকৰ শিক্ষা-দীক্ষা ইংৰাজী ; কিন্তু জননী জন্মভূমীৰ উদ্ধাৰৰ বাট তেওঁলোকেই প্ৰথমতে দেখে আৰু দেখুৱায়। আজি আমি গুৱালপাৰৰ Rising Goneration অক দুই হাতেৰে আহ্বান কৰি মাতিছো— তোমালোক আগবাঢ়ি আহা, জননী গুৱালপাৰক, দুখুনী গোৱালপাৰক স্বাৰ্থপৰসকলৰ চক্ৰান্ত আৰু গ্ৰাহৰপৰা মুক্ত কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হোৱা। আমি দিব্য চক্ষুৰে দেখিছোঁ জননীৰ চকুৰ লো তোমালোকৰ দ্বাৰাই মছ যাব। জননীৰ লাজ অপমান তোমালোকৰ দ্বাৰাই গুচিব, আৰু তোমালোকৰ চেষ্টাত গুৱালপাৰে অসমত অচিৰতে শীৰ্ষস্থান অধিকাৰ কৰিব। তোমালোকৰ মূৰত ঈশ্বৰৰ আশীৰ্ব্বাদৰ পুষ্পবৃষ্টি হওক।

শ্ৰীলক্ষ্মীনাথ বেজবৰুৱা।



---

# দু-আষাৰমান কথা।

"আসাম" আৰু "অসমীয়া" এই দুই কথাৰ উচ্চাৰণৰ মীমাংসা আৰু নহয়। যিসকল মানুহে "আসাম" সাধাৰণ "স"ৰ দৰে উচ্চাৰণ নকৰে, সেইসকল মানুহে এই লোক এৰি গ'লে, এই আমাৰ অতি লাগতিয়াল কথাটিয়ে, পুৰণা বেশ এৰি নতুন বেশ সম্পূৰ্ণ ভাৱে লব। বৰ দুখৰ কথা। ইয়াৰ নিমিত্তে কোন দায়ী ? এই বিষয়ে আন এঠাইত এবাৰ বহলাই কৈছো। সাহিত্য পত্ৰিকাৰ সম্পাদকেও এই বিষয়ে উমুকিউৱাৰ কথা মনত পৰে। শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াৰে সৈতে গ'ল জাৰকালি দেখা হোৱাত এই বিষয়ে বহুবাৰ কথা হৈছিলোঁ। আমাৰ মতেই তেওঁৰ মত। এনে এটা পুৰণা কথাৰ বেশ পৰিবৰ্ত্তন হোৱা বেয়া লাগে দেখি আকৌ এই খিনিতে কৈ থ'লোঁ। "ফ্ৰান্স"ৰ নতুন মানুহবিলাকে 'ফ্ৰান্স' ন'কৈ এতিয়া "ফ্ৰান্‌ক" কবলৈ আৰম্ভ কৰে যদি, ফ্ৰান্সৰ পুৰণা মানুহবিলাকৰ কেনে লাগিব ?

—*—

আৰু এটি কথা। এতিয়া "নিমিত্তে" কথাটি অসমীয়া ভাষাৰপৰা উঠি যোৱাৰ দৰে হৈছে। আজিকালি "নিমিত্তে"ৰ ঠাই "কাৰণে" অধিকাৰ কৰিছে। এনে কি এনে কথাও শুনা যায় "তোমাৰ কাৰণে এই কিতাপখনি অনা হৈছে"। আগেয়ে হ'লে আমি শুনিছিলোঁ "তোমাৰ নিমিত্তে এই"—ইত্যাদি। কাৰণে অকাৰণে "কাৰণে" লেখাটো কিমানদূৰ যুক্তিসঙ্গত হৈছে ক'ব নোৱাৰোঁ। আমাৰ মানুহে অলপ মন দি আনে কথা কোৱা শুনিলেই মোৰ কথাৰ প্ৰমাণ পাব। এবাৰ স্বৰ্গীয় সত্যনাথ বৰা ডাঙৰীয়াৰ লগত এই বিষয়ে কথা হৈছিলোঁ। আমাৰ মতেই তেওঁৰ মত। সাহিত্য-পত্ৰিকাই এই বিষয়ে এবাৰ আলোচনা কৰি বিচাৰ কৰিলে বেয়া নহয় বুলি ভাবি এই কেইফাকি ইয়াতে লেখিলোঁ।

—*—

"কৰিছিলে" "খাইছিলে" "গৈছিলে" "আনিছিলে" আজি-কালি শুনা যায়। আগেয়ে শুনিছিলোঁ "কৰিছিল" "খাইছিল" ইত্যাদি। "ছিল"ৰ ঠাইত "ছিলে" হল কিয় ? আগেয়ে এই কথা ফেৰি কোনো ঠাইৰ মানুহক কেতিয়াবা কেতিয়াবা কোৱা শুনা গৈছিল। এতিয়া সমগ্ৰ আসামত বিয়পি গৈছে। ইয়াৰ অৰ্থ কি ? যদিহে এই দুই ভাবৰ কিবা বিভিন্নতা আছে, তেনেহলে আমাক নজনা নুশুনা অবুজাবোৰক, জনা শুনা বুজাসকলে ভালকৈ শিকাই দিয়া ভাল যেন দেখি এই কেইফাকি

লেখিবৰ অৰ্থে সুন্দৰ সাহিত্য পত্রিকাৰ আতিথেয়তা গ্ৰহণ কৰিলোঁ। এতিয়া আৰু এট্‌কেন-মেট্‌কেনৰ সময় নহয়। গা এঙ্গামুৰি দিবৰ সময় বহুত দিন হ'ল হৈ গৈছে। এতিয়াও এঙ্গামুৰি দি সাৰ পাওঁহকচোন।

—*—

"আসাম" আৰু "অসমীয়া" কথা লৈ এদিন অতি উজনিৰ গাঁৱৰ ল'ৰা এটিয়ে আমাক একেৰি কথা কোৱা মনত পৰে। "গ্নাৰ (তেওঁ মোক "স্নাৰ" বোলে, কিয় যে বোলে ক'ব নোৱাৰোঁ) বঙ্গালী বিলাকে এনেকৈ উচ্চাৰণ কৰে. সেই দেখি আমি এনেকৈ কৰোঁ।" হয় নে? মই কওঁ "নহয় হ'বলা।" আপোনাসকলৰ ভিতৰৰো কোনো কোনোৱে "নহয় হবলা" বুলি মোৰে দৰে ডাঙ্গৰকৈ ক'ব বুলি আশা কৰোঁ। ইতি

শ্ৰীজ্ঞানদাভিৰাম বৰুৱা

আৰ্ল-ল কলেজ, গুৱাহাটী।

---

# ৭ম শতিকাৰ অসমীয়াৰ শিল্পকলা আৰু কুমাৰ ভাস্কৰ বৰ্ম্মাৰ বিষয়ে যৎকিঞ্চিৎ।

( ১ )

## কুমাৰৰ বিষয়।

আমাৰ আসামৰ অতীত গৌৰৱ অতি উজ্জ্বল। অসমীয়া জাতিয়ে এসময়ত শিক্ষা-দীক্ষা, সৌৰ্য্য-বীৰ্য্য, বিদ্যা-বুদ্ধিত চৰম উন্নতি লভাৰ কথা প্ৰাচীন গ্ৰন্থাৱলীৰ পাতে ২ পোৱা যায়।

জাতিৰ উদ্‌গতি সাধিবলৈ অতীতৰ আলোচনা কৰা নিতান্ত আৱশ্যক। কিন্তু অকল অতীতৰ গৌৰৱ ব্যাখ্যা কৰি বহি থাকিলে কোনো ফল নধৰে। উন্নতি কৰিবলৈ পূৰ্ব্ব পুৰুষসকলৰ বাট লব লাগে।

এই প্ৰবন্ধত কুমাৰ ভাস্কৰ বৰ্ম্মাৰ সময়ৰ কথা অলপ কোৱা হল। হৰ্ষ-চৰিত সংস্কৃত ভাষাৰ এখন বিখ্যাত গ্ৰন্থ। কবি বাণভট্টই মহাৰাজ হৰ্ষবৰ্দ্ধনৰ কীৰ্ত্তি-কলাপ বৰ্ণাই এই গ্ৰন্থ ৰচনা কৰিছিল। তাত কামৰূপা-ধিপতি মহাৰাজ কুমাৰ ভাস্কৰ বৰ্ম্মাৰ বিষয় বিখিনি কথা লিখা আছে তাৰ অসমীয়া অনুবাদ মাত্ৰ ইয়াত তুলি দিলোঁ।

কোনো কোনো বুৰঞ্জীত কুমাৰ ভাস্কৰ বৰ্ম্মাক বামুণ আৰু কোনো কোনোত তেওঁক কুমাৰ বংশী বোলা হৈছে। ভাস্কৰ বৰ্ম্মাৰ দিনত দিয়া তেওঁৰ ছাব মোহৰ অঙ্কিত তামৰ ফলি পোৱা হৈছে। তাৰপৰা তলত দিয়া অনুসৰি তেওঁৰ বংশাৱলী পোৱা যায়।

( তামৰ ফলিমতে বংশাৱলী )

নৰক
|
ভগদত্ত
|
বজ্ৰদত্ত
|
+
+
+

( এই বংশৰ ৰজাসকলে তিনি হাজাৰ বছৰ ৰাজত্ব কৰাৰ পাচত উক্ত বংশতে ) :—

পুষ্য বৰ্ম্মা

* বংশেষু তস্ত নৃপতিষু বৰ্ষসহস্ৰত্ৰয়ং পদমৱাপ্য—
যাতেষু দেৱভূয়ং ক্ষিতীশ্বৰঃ পুষ্যবৰ্ম্মাভূৎ ॥



পুষ্য বৰ্ম্মা
|
( ভাৰ্য্যা সকল )
সমুদ্ৰ বৰ্ম্মা—( দত্ত দেৱী )
|
বল বৰ্ম্মা—( ৰত্নৱতী )
|
কল্যাণ বৰ্ম্মা—( গন্ধৰ্ব্বৱতী )
|
গণপতি বৰ্ম্মা—( যজ্ঞৱতী )
|
মহেন্দ্ৰ বৰ্ম্মা—( সুব্ৰতা )
|
নাৰায়ণ বৰ্ম্মা—( দেৱৱতী )
|
মহাভূত বৰ্ম্মা—( বিজ্ঞানৱতী )
|
চন্দ্ৰমুখ বৰ্ম্মা—( ভোগৱতী )
|
স্থিত বৰ্ম্মা—( নয়ন দেৱী )
|
(মৃগাঙ্ক) সুস্থিত বৰ্ম্মা—( শ্যামাদেৱী ) সুস্থিত বৰ্ম্মাৰ আন নাম মৃগাঙ্ক।

( ১ ) সুপ্ৰতিষ্ঠিত বৰ্ম্মা — ( ২ ) শ্ৰীভাস্কৰ বৰ্ম্মা

হৰ্ষচৰিতৰপৰাও একে কথাকে পোৱা যায়, কিন্তু হৰ্ষচৰিতৰ বংশাৱলী সংক্ষিপ্ত। তাক তলত উল্লেখ কৰা হল।

নৰক
|
ভগদত্ত
|
পুষ্পদত্ত
পুষ্পদত্ত †
|
বজ্ৰদত্ত
+
+
+
নৰকৰ ৰাজত্বৰ প্ৰায় তিনি হাজাৰ দুশ দহ (৩২১০) বছৰৰ পিচত।
ভূতি বৰ্ম্মা
|
চন্দ্ৰমুখ বৰ্ম্মা
|
স্থিতি বৰ্ম্মা
|
সুস্থিৰ বৰ্ম্মা ( আন নাম মৃগাঙ্ক। এওঁৰ পত্নী শ্যামাদেৱী। )
|
ভাস্কৰ বৰ্ম্মা ( আন নাম কুমাৰ )

ইয়াৰপৰা দেখা যায় যে ভাস্কৰ বৰ্ম্মা নৰকাসুৰৰ বংশৰ ৰজা আছিল। অসুৰ উপাধিৰে ভূষিত হলেও মহাৰাজ নৰক আৰু তেওঁৰ পুত্ৰ-পৌত্ৰাদি ক্ষত্ৰিয় বুলি পুৰাণ আদি গ্ৰন্থত বিখ্যাত। গতিকে ভাস্কৰ বৰ্ম্মা ক্ষত্ৰিয় ৰজাহে আছিল। বৰ্ম্মা উপাধিৰেও তাকেহে সূচাইছে। কুমাৰ তেওঁৰ দ্বিতীয় নাম বা নামৰ বিশেষণ মাত্ৰ আছিল। *

ভূতি বৰ্ম্মা বা মহাভূত বৰ্ম্মা খৃষ্টীয় ৫ম শতিকাৰ মাজ ভাগত ওপজে আৰু অলপ ডাঙৰ হৈয়েই ৰজা হয়। পিচত পুতেক চন্দ্ৰমুখ বৰ্ম্মা ৰজা হয়। এওঁ বৰ সুশ্ৰী পুৰুষ আছিল আৰু গুণত সকলোকে মুগ্ধ কৰিছিল। এওঁৰ পিচত পুতেক স্থিতি বৰ্ম্মা ৰজা হয়। স্থিতি বৰ্ম্মা অতি ধীৰ গম্ভীৰ আছিল। আৰু তেওঁ অতি সুন্দৰৰূপে ৰাজ্য শাসন কৰিছিল। এওঁৰ পুতেক মহাৰাজাধিৰাজ সুস্থিৰ বৰ্ম্মা। সুস্থিৰ বৰ্ম্মা বৰ ক্ষমতাশালী ৰজা আছিল। এওঁ

* এই পুষ্পদত্ত কোন আছিল, তামৰফলিত তাৰ উল্লেখ নাই। মহাভাৰতত্তো থকা মনত নপৰে। সুধীসকলে ভাবি চাব।

† তস্য চ সুগৃহীত নাম্নো দেৱস্য দেৱ্যাং শ্যামাদেৱ্যাং ভাস্কৰদ্যুতিৰ্ভাস্কৰবৰ্ম্মাপৰনামা তনয়ঃ শস্তনোৰ্ভাগীৰথ্যাং ভীষ্মইৱ কুমাৰঃ সমভৱৎ। হৰ্ষ-চৰিত ৭ম উচ্ছ্বাস; ৩৮৮ পৃষ্ঠা।

ভাস্কৰদ্যুতিঃ—সূৰ্য্যৱৎ তেজস্বী। কুমাৰঃ—কুমাৰ ইত্যাখ্যঃ। হৰ্ষচৰিতৰ টীকা।

অহঙ্কাৰী আছিল যদিও তথাপি শত্ৰুবিলাকৰ ওপৰত নিষ্ঠুৰ ব্যৱহাৰ নকৰিছিল। অকল আনে নিজক অগ্ৰাহ্য কৰা দেখিলেহে এওঁৰ অহঙ্কাৰ মূৰ্ত্ত হৈ উঠিছিল। নিজ আধিপত্য বিস্তাৰ কৰিবলৈ শত্ৰুসকলক পৰাস্ত কৰি তলতীয়া কৰি লৈছিল; কিন্তু পৰাপক্ষত বধ নকৰিছিল। এওঁৰ ভয়ত পূৰ্ব্ব ভাৰত আৰু উত্তৰ ভাৰত কঁপি আছিল। এওঁৰ ধন সম্পত্তি প্ৰচুৰ আছিল। শত্ৰু ৰজাবিলাকে অধীনতা স্বীকাৰ কৰি বাধ্যত চলিলে কৰ দিব নোৱাৰিলেও বিশেষ আপত্তি নকৰিছিল। এওঁ দেৱতা আৰু বামুণক বৰ ভক্তি কৰিছিল। আৰু এওঁ বৰ দাতা আছিল।

এই সুস্থিৰ বৰ্ম্মাৰ ঔৰষত শ্যামাদেৱী মহিষীৰ গৰ্ভত বিখ্যাত ভাস্কৰ বৰ্ম্মাৰ জন্ম হয়। এওঁৰ আন এটা নাম কুমাৰ। কুমাৰৰ ককায়েক এজন আছিল—নাম সুপ্ৰতিষ্ঠিত বৰ্ম্মা। শত্ৰুৰ হাতত এওঁ মৰা পৰে। কুমাৰ ভীষ্মৰ দৰে বলী আৰু সূৰ্য্যৰ দৰে তেজস্বী আছিল। এওঁ শৈৱ আছিল যদিও আন সম্প্ৰদায় আৰু আন ধৰ্ম্মাৱলম্বীক ঘৃণা নকৰি সন্মান আৰু আদৰহে কৰিছিল। এওঁৰ মন উদাৰ আৰু সৰল আছিল। নিজে বিদ্যানুৰাগী আৰু বিদ্বান আছিল দেখি এওঁ পণ্ডিতসকলক বৰ সমাদৰ কৰিছিল। এওঁ চাতুৰ্ব্বৰ্ণ্য সনাতন ধৰ্ম্মৰ ৰক্ষক আছিল। কোনো বিপ্লৱত চাতুৰ্ব্বৰ্ণ্যৰ কিবা ব্যতিক্ৰম ঘটিলে এওঁ তাৰ মীমাংসা কৰাই তাক ঠিকমতে ৰাখিছিল।

কুমাৰ খৃষ্টীয় ৭ম শতিকাৰ আৰম্ভণতে ৰাজপাটত বহে। কুমাৰ ৰজা হোৱাৰ কিছুদিনৰ পিচত উত্তৰ ভাৰতৰ কনৌজত বিখ্যাত হৰ্ষবৰ্দ্ধন বা শিলাদিত্য ৰজা হয়। হৰ্ষবৰ্দ্ধন এজনা বৰ নামজলা ৰজা আছিল। এওঁ প্ৰভাকৰ বৰ্দ্ধনৰ পুত্ৰ। ৰাজ্যবৰ্দ্ধন নামেৰে হৰ্ষবৰ্দ্ধনৰ এজন ককায়েক আছিল। এওঁক বিশ্বাস ঘাতকতা কৰি নিৰস্ত্ৰ আৰু নিঃসহায় অৱস্থাত গৌড়াধিপতিয়ে বধ কৰে।

এসময়ত কুমাৰে সেই হৰ্ষবৰ্দ্ধনৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ মন কৰি কনৌজলৈ তেওঁৰ প্ৰধান দূতজনক পঠালে। আৰু কিছুমান বস্ত্ৰ-বস্তু উপঢৌকন দিলে। প্ৰধান দূতৰ নাম আছিল হংসবেগ। এওঁৰ লগত আৰু বহুত মানুহ গৈছল। এই লগৰীয়াবিলাকে উপঢৌকনৰ বস্তু-বাহানি নিছিল।

কুমাৰৰ দূত হৰ্ষবৰ্দ্ধনৰ ৰাজধানীলৈ যাব নালাগিল। সেই সময়ত হৰ্ষবৰ্দ্ধনে তেওঁৰ জ্যেষ্ঠ-ভ্ৰাতৃ-বৈৰী গৌড়েশ্বৰৰ ৰাজ্য আক্ৰমণ কৰিবলৈ মন কৰি সদলবলে সৰস্বতী নদীৰপৰা ১৮ মাইল আঁতৰত শিবিৰ (১) সাজি আছিল। হংসবেগে ইয়াতেই হৰ্ষবৰ্দ্ধনক লগ পালে।

হৰ্ষবৰ্দ্ধনে কুমাৰৰ দূতক যথেষ্ট সমাদৰ কৰিছিল।

### হৰ্ষবৰ্দ্ধন আৰু কুমাৰৰ দূত হংসবেগ।

( ইয়াদপৰা প্ৰবন্ধৰ শেষলৈ হৰ্ষচৰিতৰ অনুবাদ মাত্ৰ )

প্ৰতীহাৰিয়ে হৰ্ষবৰ্দ্ধনক জনালে:—"মহাৰাজ, প্ৰাগ্‌জ্যোতিষেশ্বৰে তেওঁৰ পৰম বিশ্বাসী হংসবেগ নামেৰে দূত পঠাইছে। তেওঁ আহি দুৱাৰত উপস্থিত।"

এই কথা শুনি ৰজাই অতি আদৰেৰে কলে— "তেওঁক তুৰন্তে মোৰ ওচৰলৈ লৈ আহাঁ।" ৰজাৰ এনে আগ্ৰহ আৰু সমাদৰ দেখি প্ৰতীহাৰীয়ে দূতক আনিবলৈ আনক নপঠাই নিজে গল।

হংসবেগ আকৃতিত অতি ধুনীয়া আৰু ব্যৱহাৰত অতি ভদ্ৰ গাম্ভীৰ্য্যপূৰ্ণ আছিল। ৰজাৰ আদেশ পাই হংসবেগে অতি শান্ত শিষ্টভাৱে ৰজা থকা ঘৰলৈ সোমাই গৈ দূৰৰপৰাই ৰজাক সেৱা জনালে। ৰজাই তেওঁক দেখা পায়েই "আহাঁ, আহাঁ, ওচৰলৈ আহাঁ" বুলি আদৰ সাদৰকৈ মাত লগালে। ৰজাৰ আহ্বান মতে হংসবেগ আগবাঢ়ি গল আৰু ৰজাৰ পাদপীঠত মূৰ লগাই নমস্কাৰ কৰিলে। ইপিনে ৰজায়ো দূতৰ পিঠিত হাত বুলালে। পিচত ৰজাৰ স্নিগ্ধ দৃষ্টিপূৰ্ণ চকুৰ ইঙ্গিত মতে হংসবেগে একেবাৰে ৰজাৰ ওচৰত বহিলগৈ। ৰজাই পোন হৈ উঠি বহি শ্ৰদ্ধাপূৰ্ণ মৰমৰ মাতেৰে সুধিলে, "হংসবেগ শ্ৰীমন্ত কুমাৰৰ ভালনে?"

হংসবেগ:—"মহাৰাজে যেতিয়া বন্ধুত্ব ভাৱত আদৰেৰে কুমাৰক গৌৰৱান্বিত কৰি তেওঁৰ বাতৰি সুধিছে, তেনেস্থলত আৰু বেয়া হব পাৰে জানো? ভাল।" এই কথা কৈ অলপ পৰ তলকা মাৰি থাকি আকৌ কব ধৰিলে। "অন্তৰৰ সদ্ভাৱৰ বাহিৰে আন বস্তু আপোনাক উপঢৌকনৰূপে দিয়াটো মিছা, কাৰণ আপুনি এজনা অসীম ঐশ্বৰ্য্যশালী প্ৰতাপী ৰজা তথাপি শুদা-হাতে ৰাজদৰ্শন নিষেধ বাবে অলপ কিবাকিবি অনা হৈছে। তাৰে লগত এটি ছাতি আনিছোঁ, এই ছাতিৰ নাম 'আভোগ'। ইয়াক চন্দ্ৰকান্ত আদি মণিৰে সজা হৈছে। এই ছাতি ৰ'দত মেলি ললে সূৰ্য্যৰ কিৰণ পৰি শীতল জোনৰ কিৰণ হয় আৰু ছাতিৰ ভিতৰেদি লওঁতাৰ গাত লাগে। কুঁৱলীৰ দৰে শীতল পানীৰ কণিকা কিছুমান গাত পৰিব ধৰে। ইয়াক জুয়ে নোপোৰে ইয়াক বতাহে উৰাই নিব নোৱাৰে। ই পানীত নিতিতে আৰু ধূলি-বালি লাগি মলিন নহয়। ই চিৰনতুন আৰু চিৰসুন্দৰ। বিশেষকৈ ই ভাবী বা বৰ্ত্তমান ৰাজ চক্ৰবৰ্ত্তীকহে ছায়া দান কৰে। মোৰ বক্তব্য বিষয় পিচত শুনিব।"

এই বুলি কৈয়েই লগৰীয়া এজনৰ হতুৱাই বাহিৰৰপৰা ছাতিটো নিয়াই ৰজাক দেখুৱালে। ছাতি দেখি ৰজা আৰু পাৰিষদ্‌বৰ্গ আচৰিত হল। ইয়াৰ পাচত এবিধ ২ কৈ তলত দিয়া বস্তুবোৰ আনি ৰজাৰ আগত দিয়া হল।

### বস্তুৰ তালিকা।

১। ভগদত্ত আদি বিখ্যাত ৰজাসকলৰ দিনৰ কিছুমান বহুমূলীয়া অলঙ্কাৰ। তাত হীৰা মুকুতা আদি পতোৱা আছিল। ৰজাৰ মুকুটত পতাৰৰ উপযুক্ত উজ্জ্বল মণি কেতবোৰ। কেইডালমান গলত পিন্ধা মূল্যবান হাৰ। নানাবিধ ৰং লগাই চিত্ৰ-বিচিত্ৰ কৰা বেতৰ জপাৰ ভিতৰত নিয়া ধুনীয়া ধুনীয়া বগা ৰেচমী কাপোৰ কেতখিনি, যাক ধুৰও পৰা যায়।

২। ঝিণুক, শঙ্খ, আৰু 'মসৰ' (১) মণিৰ পানপাত্ৰ ( বাটি, গিলাচ আদি ), কৃষ্ণসাৰ পহুৰ ছালৰ কেতবোৰ সঁজুলি; তাৰ ওপৰত সোণ খটোৱা। ভূৰ্জ্জপত্ৰৰ দৰে মিহি আৰু কোমল কিছুমান কৌষেয় বস্ত্ৰ (২) অৰ্থাৎ এৰি, মুগা আৰু পাটৰ কাপোৰ। মালতী আদি ফুলৰ নিৰ্য্যাস উলিয়াই এই কাপোৰবোৰত সানি সুগন্ধি কৰা হৈছিল।

৩। কোমল আৰু চিত্ৰ-বিচিত্ৰ কাপোৰেৰে সজা হৰিণা পহুৰ আকৃতিৰ গাৰু আৰু আন আন শোৱা সঁজুলি।

৪। বেতেৰে সজা বহা আসন কিছুমান। এইবোৰৰ ওপৰত নীল-পীত বৰণৰ সুন্দৰ সুন্দৰ কাপোৰ পৰা আছিল।

৫। সদুপদেশপূৰ্ণ সাঁচিপতীয়া পুথি কেইখনমান। বগা, ৰঙচুৱা আৰু সেউজীয়া বৰণৰ কিছুমান ফল, এই ফলবোৰ ভাঙিলে তাৰপৰা এৰা গাখীৰৰ দৰে বগা আৰু সোৱাদ ৰস ওলায়। তামোল-গছৰ পাতেৰে টোম সাজি এই ফলবোৰ তাত সুমাই নিয়া হৈছিল।

৬। এবিধ গছৰ পাত আৰু বাহেৰে সজা পাত্ৰৰ ভিতৰত নিয়া অতি সুগন্ধি আৰু সোৱাদ আমৰ ৰস কিছুমান; আৰু অগৰু আতৰ (৩)।

৭। পাট কাপোৰৰ (৪) মোনাত সুমাই নিয়া কলা অগৰু, হৰিচন্দন, বৰফুণৰ শিলৰ দৰে বগা কেতখিনি কপূৰ, মৃগনাভি কস্তুৰী ( মৃগনাভিৰে সৈতে গোটা গোটে ), নানা বিধ পকা ফল। (৫) কক্কোল গছৰ পাত লং গছৰ ফুল আৰু কুমলীয়া পাত, জাঁইফলৰ থোপা ইত্যাদি। আৰু এইবোৰে সৈতে নিছিল, জুলীয়া গুড়ৰ কলহ কেইটিমান। এই কলহত নিয়া গুড়বোৰ সোৱাদ আৰু গন্ধত অতুলনীয় আছিল। *

৮। বগা আৰু ক'লা বৰণৰ চোঁৱৰ কিছুমান, ছবি

(১) এই শিবিৰ মাজ বাটত জিৰণি লোৱা শিবিৰহে।

১। গৰকা:—মসৰাখ্যা মণিভেদাঃ। ২। জাতীপটিকাঃ=জাতি কুসুমনিৰ্য্যাসেন সুগন্ধিকৃতানি কৌষেয় বসনানি। কৃষ্ণাগৰুতৈলসা= কৃষ্ণাগৰুনিষ্কাশিত নিৰ্য্যাসমা। ৩ অতি মধুৰম্ ৰসামোদনিহ্ ৰিণীশ্চ উদ্ৰকক্কলশীঃ। এই সংস্কৃত বাক্যটিৰ অৰ্থ সম্বন্ধে নানা মুনিৰ নানা মত। ৪। "পট্টসূত্ৰ প্ৰসেৱক" ইত্যাদি।

(৫) কক্কোল পল্লৱানাং=সুগন্ধি তৰু বিশেষ কিশলয়ানাম।

আঁকিবলৈ তুলি আৰু তাৰ লগতে নানা ৰঙৰ মহীৰে ভৰা মহীচুঙা কেইটিমান। কেতবোৰ অকাঁ ছবি ; আৰু তাৰে সৈতে ছবি অঁকাৰ উপযুক্ত কেইখনমান আনালেখা পট।

৯। গলত সোণৰ শিকলি লগোৱা কিন্নৰ জাতীয় মানুহ এযোৰা, এযোৰা বন মানুহ, জলমানুহ দুটা, আৰু পোৱাল মণিৰ পিঞ্জৰাত সুমাই নিয়া এহাল চকোৰ পখী।

১০। যি পহুবপৰা কস্তুৰী হয়, তেনে পহু কেইটি-মান, কেতবোৰ পোহনীয়া চুঁৰবী পহু। সোণৰ পানীৰে চিত্ৰিত বেতৰ পিঞ্জৰাৰ ভিতৰত মাতলোৱা কেতবোৰ টিঁয়া ভাটৌ, মইনা আদি চৰাই।

১১। কেইটিমান গজ মুকুতা খটোৱা হাঁতী-দাঁতৰ কুণ্ডল। এই এটাইবোৰ বস্তু ৰজাৰ আগত উলিয়াই ৰখা হ'ল। ৰজাই বস্তুবোৰ গ্ৰহণ কৰিলে আৰু মনত বৰ ৰং পালে। বিশেষকৈ সেই চন্দ্ৰকান্ত আদি মণি মুকুতাৰে সজা আচৰিত গুণ থকা সেই ছাতিৰ কাৰণে ৰজা একেবাৰে মুগ্ধ হ'ল। আৰু সন্তুষ্ট চিত্তে কব ধৰিলে,— "হংসবেগ, সকলো ৰত্নৰ আকৰ সাগৰ সদৃশ কুমাৰৰ পৰা চন্দ্ৰতুল্য এই ছাতি পোৱাটো একো অসম্ভৱ নহয়।"

বস্তু-বাহানিবোৰ আঁতৰাই নিয়াৰ পাচত আকৌ কলে,—"হংসবেগ, জিৰণি লোৱাগৈ যোৱা।" হংসবেগৰ কাৰণে প্ৰতীহাৰী থকা ঘৰতে ঠাই ঠিক কৰি থাকিবলৈ দিলে। ৰজাই ছাতিৰ গুণাগুণ বুজিবলৈ মন কৰি গা ধুই আহি নিজে ছাতিৰ তলত সোমাল আৰু সোমায়েই তাৰ গুণ দেখি একেবাৰে আচৰিত হ'ল ; হংসবেগে কোৱা কথাৰ পূৰা প্ৰমাণ পালে,—সূৰ্য্যৰ কিৰণ, চন্দ্ৰৰ কিৰণৰ দৰে হৈ গাত লাগিল। ৰজাই দেখিলে সেই প্ৰখৰ সূৰ্য্যৰ কিৰণত উষ্ণতা নাই, শীতলতাহে আছে। কুঁৱলীৰ দৰে পানীৰ কণিকা গাত পৰিব ধৰিলে, আৰু মুখত কৰ্পূৰৰ গুৰি পৰিলহি ; ইত্যাদি।

এই সময়তে ৰজাই মনে মনে ভাবিব ধৰিলে—, এইহেন কুমাৰৰ লগত অবিচ্ছিন্ন বন্ধুত্বৰ বাহিৰে আন কৰিবলগীয়া কি আছে ? এনে স্থলত কোনো প্ৰতি-কৌশল বা প্ৰতিদান নাথাটে।

থাবৰ সময়ত ৰজাই নিজে লোৱা চন্দনৰ বাকী খিনি, গাত লোৱা কাপোৰবোৰ, কঁকালত পিন্ধা 'পৰিবেশ' নামৰ মুকুতাৰ হাৰ, বহুমূলীয়া পদ্মৰাগ মণিৰ 'তৰঙ্গক' নামৰ কুণ্ডল দুটি আৰু নানা তৰহৰ বিশিষ্ট খাদ্য সামগ্ৰী কিছুমান হংসবেগলৈ দি পঠালে।

এনেকৈয়ে দিনৰ বাকী সময়খিনি গল ; ৰাতি হৈ আহিল, তেনে সময়ত মহাৰাজ হৰ্ষবৰ্দ্ধনে "তোমালোক এতিয়া নিজ নিজ ঠাইলৈ যোৱাগৈ" বুলি নিজ পাৰিষদ-বৰ্গক বিদায় দিলে। তেওঁলোকো নিজৰ ২ ঠাইলৈ গুচি গল। তেতিয়া ৰজাই হংসবেগক ওচৰলৈ মাতি নি আদেশ দিলে—"কোৱাঁ হংসবেগ তোমাৰ বাতৰি কোৱাঁ" ?

হংসবেগেও ৰজাক সেৱা জনাই কবলৈ আৰম্ভ কৰিলে,—"মহাৰাজ ; বৰাহ বিষ্ণুৰ ঔৰষত পৃথিবীৰ গৰ্ভত বিখ্যাত নৰক মহাৰাজৰ জন্ম হয়। তেওঁ সৰু কালৰেপৰা এনে প্ৰতাপী বীৰ আছিল যে আন ২ ৰজাসকল তেওঁৰ পদানত হবলৈ বাধ্য হৈছিল, আন কি তেওঁৰ আজ্ঞা নোলোৱাকৈ সূৰ্য্যও অস্ত যাবলৈ ভয় কৰিছিল। যি বীৰে বৰুণ দেৱতাৰ দ্বিতীয় হৃদয়ৰ দৰে এই ছাতি বলেৰে কাঢ়ি লৈছিল, সেই মহাত্মা নৰকৰ বংশত ভগদত্ত, পুষ্পদত্ত, বজ্ৰদত্ত প্ৰভৃতি মেৰু পৰ্ব্বতৰ দৰে বিখ্যাত ৰজাসকলে বহুদিন ৰাজত্ব কৰি অতীত হৈ যোৱাৰ পাচত উক্ত বংশতে মহাৰাজ ভূত বৰ্ম্মাৰ প্ৰপৌত্ৰ, চন্দ্ৰমুখ বৰ্ম্মাৰ পৌত্ৰ, কৈলাশ পৰ্ব্বতৰ দৰে স্থিৰ গম্ভীৰ, মহাৰাজ স্থিতিবৰ্ম্মাৰ পুত্ৰ; মহাৰাজা-ধিৰাজ সুস্থিৰ বৰ্ম্মাৰ জন্ম হয়। এই সুস্থিৰ বৰ্ম্মা অতি তেজস্বী আৰু প্ৰবল প্ৰতাপী ৰজা আছিল। এওঁক মানুহে মৃগাঙ্ক বুলিছিল, এওঁ যেন আত্মগৌৰৱেৰে সৈতেহে জন্ম পাইছিল। এওঁ সৰু কালৰেপৰা ব্ৰাহ্মণাদিক দান আৰু সম্মান কৰিছিল। শত্ৰুবিলাকৰ দণ্ড বিহিছিল। লক্ষ্মী দেৱীৰ এওঁ প্ৰধান কৃপাৰ পাত্ৰ আছিল। এওঁ যুদ্ধত পৰাক্ৰমী সেনাপতিবিলাককো পৰাস্ত কৰিছিল আৰু পৃথিবীৰ ওপৰত ৰজাৰ আধিপত্য অস্থিৰ কৰি তুলিছিল। কিন্তু কাৰো ওপৰত নিষ্ঠুৰ ব্যৱহাৰ নকৰিছিল।

এইহেন নামজলা মহাৰাজাধিৰাজ সুস্থিৰ বৰ্ম্মাৰ ঔৰষত শ্যামাদেৱীৰ গৰ্ভত বিখ্যাত ভাস্কৰ বৰ্ম্মাৰ জন্ম হয়। এওঁ



সূৰ্য্যৰ দৰে তেজস্বী আৰু ভাগীৰথীৰ পুত্ৰ ভীষ্মৰ সমান বলী এওঁৰ আন এটা নাম কুমাৰ।

"মহাৰাজ, প্ৰবল পৰাক্ৰান্ত কুমাৰে সৰু কালতে এটি বৰ ডাঙৰ প্ৰতিজ্ঞা কৰি ৰহিছে যে তেওঁ পৰমেশ্বৰ শিৱৰ বাহিৰে জগতৰ আন কাৰো ওচৰত মূৰ নোদোঁ-ৱাব। আৰু এই প্ৰতিজ্ঞা কৰি ইয়াক ৰাখিবলৈ তেওঁ তিনটা উপায় স্থিৰ কৰিছে ; গোটেই জগতকে জয় কৰিয়েই হক, আপোনাৰ লগত বন্ধুত্ব কৰিয়েই হক, নাইবা একেবাৰে প্ৰাণ বিসৰ্জ্জন দিয়েই হক, এই প্ৰতিজ্ঞা তেওঁ ৰাখিবই ৰাখিব।

"মহাৰাজ, ৰজাসকলৰ ভিতৰত যে বন্ধুত্ব জন্মে, সি কোনো উপকাৰলৈ অপেক্ষা কৰে। আমাৰ মহাৰাজে আপোনাৰ কোনোৰূপ উপকাৰ কৰা বুলি আমি একো গম পোৱা নাই। আপোনাৰ দৰে ঐশ্বৰ্য্যশালী আৰু প্ৰতাপী ৰজাক উপঢৌকন দি সন্তুষ্ট কৰিবলৈ যোৱাটোও এটা মূৰ্খামী। দিবৰ উপযুক্ত বস্তু অকল মনৰ সদ্ভাৱ। মুঠতে ইয়াকেহে কওঁ যে—কামৰূপাধিপতি মহাৰাজাধিৰাজ কুমাৰে আপোনাৰে সৈতে কৃষ্ণাৰ্জ্জুনৰ দৰে স্থায়ী বন্ধুত্ব কৰিব খোজে। আপোনাৰ মনতো যদি তেনে ভাব ওপজে আৰু আপুনি যদি তাক কাৰ্য্যতঃ সম্পাদন কৰে, তেন্তে পিচত হৈ দেখা পাব, বন্ধুৱে বন্ধুৰ কাৰণে কেনে অদীন বিনয়াৰ দৰে কাৰ্য্য নিৰ্ব্বাহ কৰে। এতিয়া আপুনি একো নোকোৱাকৈ মনে ২ হৈ আছে দেখোন ? কি আদেশ হয় আজ্ঞা কৰক। শেষত কামৰূপাধিপতিৰ ৰাজশ্ৰী দেখি আপোনাৰ চকু চমকি উঠিব। আৰু যদিহে আপুনি এই প্ৰস্তাৱ অনুমোদন নকৰে, তেন্তে মহাৰাজৰ আগত গৈ নো মই কি বুলি কব লাগিব তাকে আদেশ কৰক"। এই বুলি হংসবেগ নীৰৱ হ'ল।

পূৰ্ব্বে পোৱা ছাতিৰ গুণত ৰজা মুগ্ধ হৈ আছিল, আৰু তেওঁ সেই ছাতিৰ প্ৰতিদান স্বৰূপে কুমাৰলৈ একো উপযুক্ত বস্তু দিব নোৱাৰি মনতে লাজ পালে। এতিয়া কুমাৰলৈ অশেষ সন্মান জনাই আদৰ সাদৰকৈ কব ধৰিলে,—"হংসবেগ, তেনেকুৱা পুণ্যবান, উচ্চবংশজাত আৰু গুণীসকলৰ আগ শাৰীত ঠাই পোৱা মহাত্মা কুমাৰৰ পৰোক্ষ বন্ধুত্বতে মোৰ মন পুলকিত আৰু অতিশয় আহ্লাদিত হৈছে। তেওঁৰে সৈতে বন্ধুত্বৰ বাহিৰে আন ভাব মোৰ দৰে ৰজাৰ মনলৈ সপোনতো আহিব নোৱাৰে।

"কুমাৰে স্বকীয় গুণাৱলীৰে আমাক কিনি লৈছে, বন্ধুত্ব কৰিবলৈনো আমি কোন ? আমাৰ নিজত্বই নাইকিয়া হৈছে দেখোঁ। বেচি কোৱাৰ সকাম নাই। ভেট ফুলৰ লগত বন্ধুত্ব কৰিবলৈনো চন্দ্ৰক কোনে উদগাই দিয়ে ? কুমাৰৰ সংকল্প অতি মহৎ। তেওঁ নিজে প্ৰচণ্ড প্ৰতাপী বীৰ, তাতে আকৌ মই বন্ধুৱে শৰাসন হাতত তুলি ললে পৰমেশ্বৰ শিৱৰ বাহিৰেনো কাৰ ওচৰত তেওঁ মূৰ দোঁৱাব ? তেনে প্ৰতিজ্ঞা কৰি তেওঁ মোক অতিকৈ সন্তুষ্ট কৰিছে। সিংহ এটা পশু, তথাপি সি বল-বিক্ৰমৰ গুণত হৃদয়ৰ শ্ৰদ্ধা আকৰ্ষণ কৰে ; তেনেস্থলত অসীম শক্তিশালী বন্ধুৱে যে মন আকৰ্ষণ কৰিব, তাত কোনো কথাই নাই।

"হংসবেগ, বন্ধুৰ দৰ্শনাকাঙ্ক্ষাই যাতে মোক বেচি-দিনলৈ উৎকণ্ঠিত কৰিবলৈ নাপায়, তাৰ বাবেহে তুমি এতিয়া যত্ন কৰিবাগৈ"।

হংসবেগঃ—"মহাৰাজ, এতিয়া আপোনাৰ কোনো ক্লেশ নহব, আপুনি ন্যায্য কথাকে কৈছে" × × × ( এনেকৈ বহুত ৰাজনীতিমূলক কথা পাতি তাৰ শেহত কলে ) "মহাৰাজ, অলপ দিনৰ পিচতে অসীম ঐশ্বৰ্য্য আৰু অশেষ সেনানীৰ গৰাকী প্ৰবল প্ৰতাপী কাম-ৰূপাধিপতি কুমাৰৰ লগত আপুনি মিলিব পাৰিব ; ইয়াত অকণো সন্দেহ নাই। আপুনি বিশ্বাস কৰক"। ইয়াতে হংসবেগে নিজৰ বক্তব্য শেষ কৰি, মহাৰাজ হৰ্ষবৰ্দ্ধনক সেৱা জনালে আৰু অনুমতি লৈ নিজ ঠাইত গুচিগৈ। হৰ্ষবৰ্দ্ধনেও সেইদিনা আৰু কুমাৰক লগ পোৱাৰ বিষয়ে উৎকণ্ঠিত হৈ বহুত কথা নিজ মনতে আলচ কৰি শেহত গৈ এই সিদ্ধান্তত উপনীত হল যে মহানুভৱ ব্যক্তিক বশ কৰিবলৈ হলে আত্মনিবেদনতকৈ আৰু শ্ৰেষ্ঠ উপায় নাই। এনেদৰে কোনোমতে সেই নিশা অতিবাহিত কৰিলে আৰু ৰাতিপুৱা হংসবেগক আদৰেৰে বিদায় দিলে। আৰু ওপৰত কোৱা নিজ সিদ্ধান্ত মতে হংসবেগৰ লগত নিজৰ প্ৰধান দূত পঠালে। আৰু

লগতে কিছুমান মানুহৰ হাতত কুমাৰলৈ কেতবোৰ বহুমূলীয়া প্ৰত্যুপহাৰ পঠালে।

এই কথোপকথনৰপৰা আসামৰ ৰজা কুমাৰ ভাস্কৰ বৰ্ম্মাক বিখ্যাত মহাৰাজ হৰ্ষবৰ্দ্ধনে কিমান সন্মান কৰিছিল, আন নালাগে কুমাৰৰ ৰাজদূতকে কেনে আদৰ অভ্যৰ্থনা কৰিছিল, সি প্ৰকাশ পাইছে; ই আসামৰ পক্ষে কম গৌৰৱৰ কথানে? আৰু কুমাৰে দি পঠোৱা-বস্তু-বোৰৰ পৰা আসামৰ শিল্প কলাৰ গৌৰৱ কাহিনীৰ এক আধ্যা আৰম্ভ হোৱা নাইনে? আজিৰপৰা ১২।১৩ শ বছৰৰ আগেয়ে আসামৰ শিল্প-কৌশল আৰু কাৰুকাৰ্য্য আদিৰ কেনে উন্নতি আছিল, আজি তাক পঢ়ি অসমীয়াৰ মনত কল্পনা বুলি বিশ্বাস হব নোখোজেনে? *

শ্ৰীউমাকান্ত মিশ্ৰ।

* এই প্ৰবন্ধত যি অনুবাদ দিয়া হল, সি হৰ্ষচৰিতৰ ৭ম উচ্ছ্বাসৰ শেষ ভাগৰ; অনুবাদৰ বাহিৰা কথা-খিনিও সেই উচ্ছ্বাসৰ নানা ঠাইৰপৰা বাছি লোৱা আৰু তামৰ ফলি আদিৰপৰা পোৱা। —লিখক

---

# জাতীয় প্ৰশ্ন।

হে শিক্ষিত ভাৰতবাসীসকল! মই আপোনাসকলক এটি কথা সুধিব খোজো; অনুগ্ৰহ কৰি যেন মোক বুজাই দি জ্ঞানৰ পোহৰ বিতৰণ কৰিব।

১। ভাৰতত আদিতে আৰ্য্যধৰ্ম্ম বা হিন্দুধৰ্ম্ম মাত্ৰ আছিল। শেহ অৱস্থাত মুছলমান ধৰ্ম্মৰো প্ৰাদুৰ্ভাৱ হল। এতিয়া ভাৰতত প্ৰধানকৈ হিন্দু আৰু মুছলমান এই দুই ধৰ্ম্মাৱলম্বী লোক। মুছলমান ৰাজত্বৰ অধীনত থাকিও হিন্দুধৰ্ম্ম লোপ নহল, আৰু বৰ্ত্তমান খৃষ্টান ৰাজত্বৰ অধীনত থাকিও হিন্দুধৰ্ম্ম লোপ হোৱা নাই। কিন্তু এতিয়া বহুতে ৰাজ্য শাসন অধিকাৰ পাবলৈ যি উপায়ে ভিন্ন সৃষ্টি কৰিবলৈ ওলাইছে, সেই মতে হিন্দু ধৰ্ম্ম একেবাৰেই লোপ নোহোৱাকৈ থাকিব নোৱাৰে বুলি অনুমান হয়।

২। ইংৰাজী শিক্ষিত লোক সকলৰ বহুতে বৰ্ত্তমান যুগত অকল ইউৰোপীয় খৃষ্টান ৰজাসকলৰ আৰ্হিৰে ভাৰতৰ সকলোবিলাক কাৰ্য্য গঢ়ি পিটি স্বাধীন ভাবে ৰাজ্য শাসন কৰিবলৈ কমৰ বান্ধি ওলাইছে। তেওঁলোকে কয় আমি জগতত সুসভ্য লোকসকলৰ শাৰী পুৰাব লাগে, আমি এটা স্বাধীন জাতি বুলি পৰিচয় দিব লাগে, আমাৰ সুখ শান্তি বৃদ্ধি কৰিব লাগে, আমাৰ আগৰ কুসংস্কাৰ, কুৰীতি, কুনীতি, কু-আচাৰ, কুব্যৱহাৰ সকলোবিলাক গুচাই আমি সভ্য হব লাগে। হিন্দু, মুছলমান, জৈন, বৌদ্ধ, খৃষ্টান সকলোবিলাক একে হব লাগে আৰু সকলো মিলি খোৱা, লোৱা, শোৱা, পিন্ধা-উড়া বিয়া-বাৰু, ভাষা ইত্যাদি একে নিয়মে পৰস্পৰৰ ভিতৰত চলাই পৃথিবীত সুখ ভোগ কৰিব লাগে।

৩। এই কথা আমিও গ্ৰাহ্য কৰিছো, কাৰণ বৰ্ত্তমান যুগৰ ইউৰোপৰ বৈজ্ঞানিক নিয়মৰ সভ্যতা ভাৰতত অনেক কম। সেই ভাবত ভাৰতক অৱশ্যে অসভ্য জ্ঞান কৰিব পাৰে। কিন্তু দাৰ্শনিক ভাবে চালে ভাৰতত‍কৈ সভ্য দেশ পৃথিবীত এতিয়াও বহুত কম। ভাৰতত সকলো বিষয়ে এটা বান্ধনী আছে; অন্য দেশত তেনে নাই। সভ্যানো কাক বোলে, অসভ্যানো কাক বোলে, এই কথা দুটাৰ বৰ্ত্তমান ব্যাখ্যা কি তাক আমি ভালকৈ নেজানো। আৰু সেই ব্যাখ্যাও সকলো ধৰ্ম্মসম্প্ৰদায়ৰ লোকৰ ভিতৰতে বোধ কৰো একে নহয়।

৪। এইবিলাক যেই হওক আমাক এতিয়া স্বৰাজ লাগে, অৰ্থাৎ স্বাধীন ভাবে আমাৰ ৰাজ্য শাসন কৰিবলৈ



অধিকাৰ লাগে। হিন্দু মুছলমান দুয়ো একেটা নহলে আমি স্বৰাজ নেপাও, পালেও ৰাখিব নোৱাৰো। কিন্তু মুছলমানসকল হিন্দুৰ লগ নেলাগে। তেনেহলে স্বৰাজ লবলৈ আমিয়েই মুছলমান হৈ তেওঁলোকৰ লগ লোৱাত কিবা আপত্তি আছেনে? যদি তাকো কৰিব নোৱাৰি তেনেহলে আমি হিন্দুবিলাক সকলো খৃষ্টান হৈ চাহাব-সকলৰ লগতে একে হৈ স্বৰাজ লোৱা বেয়ানে? আমাক স্বৰাজহে লাগে, আনতো একো নেলাগে, তেনেহলে এই দুটা উপায়ৰ এটা কৰিলে কেনে দেখে? ধৰ্ম্মৰ খোপনি-টোৱেই মাত্ৰ এই দেশত এইবিলাক দুৰ্ঘটনা ঘটাইছে। তাৰে একেবাৰেই নাম লোপ কৰি স্বৰাজ লোৱাটোনো কি বেয়া? তেতিয়া হলে ধৰ্ম্ম-কৰ্ম্ম, পাপ-পুণ্য, স্বৰ্গ-নৰক কোনোটোৱে কাকো অগা-ভেটা কৰিব নোৱাৰিব। আৰু যেন্ ৰজাৰ দিনৰ দৰে সুখ সম্ভোগে দেশ অমৰাৱতী হব। সকলো প্ৰকাৰে সুখ শান্তি হৈ বিপুল অৰ্থ সম্পত্তি হব আৰু সামাজিক খৰচো তেনেই কমি যাব। কাৰণ হিন্দুৰ এই কুসংস্কাৰপূৰ্ণ সকাম-নিকাম-বিলাকেই অৰ্থ উপাৰ্জ্জনৰ বাটত জেওৰা দিছে। বিয়া-সৰাহত কিমান খৰচ হৈছে তাক সকলোৱে জানে।

৫। আমাৰ অসমীয়া ৰাইজে কোনটো কৰিবলৈ ভাল পায় জানিবলৈ পালে আমিও প্ৰস্তুত হব পাৰো। ইয়াৰ ভিতৰতে আৰু এটা প্ৰস্তাৱ কৰিব পৰা যায়। যিসকলে ধৰ্ম্মৰ খুঁটি উভালি পেলাব নোখোজে সেই সকলক শিক্ষিত উদাৰ পন্থীসকলে আলগকৈ থৈ, নিজে নিজে এটি সুসভ্য জাতি সংগঠন কৰি ৰাজ্য শাসনৰ ভাৰ লবলৈ আগ বাঢ়িলে বোধ কৰো আনসিলাকৰ কোনো আপত্তি নহব। তেওঁলোকে তেতিয়া মাত্ৰ হিন্দু, মুছলমান, জৈন, বৌদ্ধ এইবিলাক পুৰাতনীয়া নাম এৰি এটা বেলেগ নাম উলিয়াই পৰিচয় দিলেই সকলো আপত্তি গুচে। আৰু আনবিলাকক অনিচ্ছা-স্বত্বেও লগত নিবলৈ আজোঁৰা আজুঁৰি কৰি দুখ দিয়াৰ বা তেওঁলোকেও দুখ পোৱাৰ কাৰণ নেথাকিব। এই দুই দলৰ ভিতৰত জ্ঞানী কোন অজ্ঞানী কোন তাৰ বিচাৰ কৰা আমাৰ নিচিনা মুৰ্খজনৰ কাম নহয়। আমি কেৱল ফলাফললৈহে চাই আছো। টোৰা মাছ থাকিবলৈ অলপ বোকা পালেই হয়।*

শ্ৰীবুদ্ধীন্দ্ৰনাথ ভট্টাচাৰ্য্য।

* টোৰা মাছলৈনো বোকা কিমান লাগিছে? সেইফেৰা বোকাৰ নাটনি নহব বুলি আমাৰ বিশ্বাস। টোৰা মাছ তাতে মনে মনে সোমাই থাকিব পাৰিব।———সম্পাদক।

---

# আমি সলনি পোৱা কাকত।

অৰুণ, ঘৰ-জেউতি, মিলন, আসাম-হিতৈষী আৰু আৰ্য্য-দৰ্পণ, এই কাকতকেখন আমাৰ কাকতৰ সলনি আমি সদায় সময়মতে পাই আছোঁ। এই বাবে, চলাওঁতাসকলৰ আমি শলাগ লৈছোঁ।

**অৰুণ**—কিমান লৰা-ছোৱালীয়ে "অৰুণ" পঢ়িছে আমি নেজানোঁ। কিন্তু আমাৰ সকলো অভি-ভাৱকেই লৰা-ছোৱালীক একোখন লৈ দিয়া উচিত। আমাৰ দেশত এই শ্ৰেণীৰ কাকত এইখনেইহে। ঘৰে ঘৰে লৰা-ছোৱালীয়ে "অৰুণ" পঢ়া দেখিলে আমি বৰ ৰং পাম।

**ঘৰ-জেউতি**—"ঘৰ-জেউতি"ক দেখি আমাৰ মনত বৰ ডাঙৰ আশা হৈছে। আমাৰ দেশৰ স্ত্ৰী-শিক্ষাৰ কাৰণে, আমাৰ মহিলাসকলেই কৰা এয়ে প্ৰথম চেষ্টা। এই চেষ্টালৈ আমি শুধ মনেৰে সমাদৰ আৰু আশীৰ্ব্বাদ

জনাইছোঁ। নিজৰ স্ত্রী জাতিৰ ইমান সোনকালে জাতীয় উন্নতিৰ কামত লাগিব পৰা হোৱা কথাটো নিজ চকুৰে দেখিবলৈ পোৱাও আমি এটা সৌভাগ্য বুলিছোঁ। "ঘৰ-জেউতি"য়ে কলেৱৰ বঢ়াবৰ উপক্রম কৰাতে আমি ইয়াৰ গুৰি শকত বুলি অনুমান কৰিবলৈ পাইও সন্তোষ পাইছোঁ।

**মিলন**—"মিলনে" আমাৰ বৰ ডাঙৰ কাম কৰিছে। "মিলন"ক আমি জোখাৰে শলাগিব নোৱাৰোঁ। এইখন কাকতে আমাৰ ছাত্র-সমাজৰ ভিতৰত আমাৰ সাহিত্যলৈ এটা অনুৰাগৰ সৃষ্টি কৰিছে। ইয়াৰ যত্নতে আমি দুজন এজন ডেকা সাহিত্যিক পাইছোঁ বুলিলেও, আমাৰ কথাত আটায়ে হয় দিব। মুঠতে, "মিলনে" তাহানিৰ "জোনাকী" "বিজুলী"ৰ কাম কৰিছে। এই কথা কম গৌৰৱৰ নহয়। "মিলন"ৰ গা-পা দেখিও আমাৰ বং লাগিছে। "মিলন"ৰ আমি দীর্ঘ জীৱন কামনা কৰিছোঁ।

**আসাম হিতৈষী**—ই অসমীয়া ভাষাৰে কলিকতাত প্রকাশিত এখন পষেকীয়া। চলাওঁতাসকল কলিকতাৰ বঙ্গালী ভদ্রলোক। আমি তেখেতসকলৰ কাম শলাগিছোঁ। লোকৰ উপকাৰৰ অর্থে নিস্বার্থ ভাবে কাম কৰি দিলে, বঙ্গালী বুলি নশলাগি পাৰিনে? "হিতৈষী"ক পাই আমি বং পাইছোঁ। "হিতৈষী"য়ে বর্ণ বিন্যাসলৈ আৰু লিখাবিলাক আৰু অলপ অসমীয়া কৰিবলৈ যত্ন কৰা দেখিলে আমি আৰু বং পাম। "হিতৈষী"ৰ পৰা যেন আমাৰ হিত হয়।


**আর্য্য-দর্পণ**—এইখনি যোৰহাটৰ ককিলা-মুখত প্রকাশিত বঙ্গালী কাকত। ইয়াৰ ভাব আৰু ভাষা ওখ খাপৰ। শুনিছোঁ বোলে এই কাকতৰ অসমীয়া গ্রাহকো কিছু কিছু আছে আৰু বোলে ইয়াত অসমীয়া প্রবন্ধ প্রকাশ কৰাৰো নিয়ম আছে। মাজে সময়ে ইয়াত দুটা এটা অসমীয়া প্রবন্ধ ওলোৱাও দেখিছোঁ। এই বাবে আমি চলাওঁতাসকলৰ গুণ লৈছোঁ। সংখ্যাই পতি একোটা অসমীয়া প্রবন্ধ প্রকাশ কৰিবলৈ আমি তেখেতসকলক অনুৰোধ কৰোঁ; তেতিয়াহলে আমাৰো উপকাৰ হব আৰু "আর্য্য-দর্পণ"ৰো উদ্দেশ্য আৰু বহলৰূপে সিদ্ধি হ'ব।

---

## এখন পুৰণি পুথিৰ চিত্র।

আমাৰ সভাৰ সহকাৰী সম্পাদক শ্রীযুত হৰিনাৰায়ণ দত্ত বৰুৱাই প্রাচীন পুথি অনুসন্ধান কামত বৰদোৱা অঞ্চল ফুৰোঁতে এখন পুথি পাইছিল। ই এখন সংস্কৃত ভাগৱত ৬ষ্ঠ, ৭ম, আৰু ৮ম স্কন্ধ ইয়াত আছে। ইয়াৰ টীকাবোৰ ভাবার্থদীপিকাৰ বুলি উক্ত আছে। পুথিখন ১৭০৭ শকত লিখা; লিখকৰ নাম নাই। পুথিখনৰ প্রতি পৃষ্ঠাৰ চাৰি কামৰে লতা বচা আছে। প্রতি পৃষ্ঠাৰ লতাই বিভিন্ন ধৰণৰ; কেচি ভাগ লতাই মনমোহা। ইয়াৰ দুটা পাতত মাখোন চিত্র আছে। চিত্রৰ এটা নমুনা এই সংখ্যাৰ মূৰতে ছপা কৰা হৈছে; আৰু এটা পাতৰ নমুনা ইয়াৰ পাচৰ পিঠিত ছপা কৰা হ'ল। ব্লকত কেৱল দুবিধ ৰংহে দেখুওৱা হৈছে; কিন্তু পুথিৰ চিত্রত হলে বিবিধ ৰকমৰ ৰং আছে। আমাৰ বহুত পুৰণি পুথিত এনে প্রকাৰৰ চিত্র আছে। ইয়াৰ পৰাই পুৰণি কালত আমাৰ ভিতৰত চিত্রকলাৰ আদৰ বুজিব পাৰি।





এখন পুৰণি পুথিৰ পাতৰ পিঠিত ছপা নমুনা।

# ডেকাসকলৈ গোহাৰি।

উচ্চ-শিক্ষাত আজি কালি অসম দেশ নিচেই পাচ পৰি থকা নাই। অকল বিশ্ববিদ্যালয়ৰ উপাধি পোৱা-সকলৰ কথাকে ধৰিলেও, ৪০ বছৰৰ আগৰ দিনেৰে সৈতে ৰিজাই চালে, আজি আমাৰ উপাধিধাৰীৰ সংখ্যালৈ চকু দিলেও মন ভাল লাগি যায়; তেওঁলোকৰে ডেকাবিলাকক দেখিলে চকু জুৰ লাগে আৰু মনত সঁচাকৈয়ে বৰ আশা হয়।

আমাৰ এই উচ্চ-শিক্ষিত ডেকা সমাজলৈহে এই গোহাৰি আগ বঢ়াইছোঁ। তেওঁলোকৰ প্ৰায় সকলোৱেই কিবা ব্যৱসায় বা চাকৰিত লাগি গৈছে। চাকৰি বা ব্যৱসায় কৰিও দেশৰ উপকাৰ কৰিব পাৰি; আমি তাক দুই কৰিব নোৱাৰোঁ। তথাপি কোনো কোনোৱে আন আন দেশহিতকৰ কামতো ধৰিছে। ঈশ্বৰে তেওঁ-লোক সকলোৰে উন্নতি কৰক। কিন্তু, আন সকলো দেশৰ দৰেই, এই দেশৰো তেওঁলোকেই সম্প্ৰতি সকলো আশা-ভৰসাৰ মূল। তেওঁলোক উচ্চ-শিক্ষিত, তেওঁলোক ডেকা, এই বাবে দেশৰ সকলো কৰ্ম্মক্ষেত্ৰই তেওঁলোকলৈ আশা কৰে; আৰু তাৰ ভিতৰৰে, সাহিত্য ক্ষেত্ৰও এখন। তেওঁলোকে ভয় নেখাব, আমি তেওঁলোকক প্ৰবন্ধ বা কিতাপ লিখিবলৈ ক'ব খোজা নাই।

আমাৰ সাহিত্যৰ গুৰিটো শকত যদিও, ওপৰলৈ এতিয়াও লঠা আৰু চিয়া হৈ আছে। দুখীৰ দুখী অৱস্থাৰে সকলোৱে যি পাৰে একোমুঠি গোবৰ-জাবৰ দিলেহে ইয়াক, ডাল বঢ়াই, পাত মেলাই, ভালকৈ ফুল ফুলাই আৰু গুটি লগাই শুৱনি কৰিব পৰা যাব। আৰু সেয়ে নহলে, আজি কালিৰ এই ভীষণ জীৱন-সংগ্ৰামৰ পাচত অসমীয়া সাহিত্যই, কোনো মতে থিয় দি থাকিব পাৰে যদিও, কেতিয়াও গা কৰিব নোৱাৰিব।

প্ৰত্যেক শিক্ষিত অসমীয়াৰ এতিয়া নিজৰ সাহিত্যলৈ বিশেষকৈ কাণ কৰিবলগীয়া হৈছে। আৰু কিছু টনকীয়াল হলে, সকলো নেলাগিলেও হব বুলি আমি আশা কৰিছোঁ। তেতিয়া অকল এজাক বছা বছা মানুহ লাগিলেও চলিব পাৰে। কিন্তু সম্প্ৰতি, অৰ্থাৎ অসমীয়া সাহিত্যৰ বৰ্ত্তমান অৱস্থাত, শিক্ষিত মানুহৰ এগৰাকীকো এৰিব নোৱাৰি। সকলোৱে সাহিত্যৰ অৰ্থে অলপ অচ-ৰপ ভাবিব লাগে; যি পাৰে, যৎকিঞ্চিৎ হলেও, স্বাৰ্থ-ত্যাগ কৰিব লাগে আৰু মনত সদায় এটা ৰতি ৰাখিব লাগে। ৰুচি আৰু সুবিধা ভেদে, যাৰ যিহকে কৰা সম্ভৱপৰ হয়, তেওঁ তাকে কৰি যাব লাগে। কোনোৱে লিখক; কোনোৱে পঢ়ক (আমি আসাম সাহিত্য-সভা-পত্ৰিকা পঢ়িবলৈকো কব খোজা নাই); কোনোৱে পঢ়াওক; কোনোৱে ধন ভাঙ্গক আৰু কোনোৱে গাৰে খাটক। এইবিলাকৰ এটাও কৰিবলৈ অক্ষম, এনে কোনোবা শিক্ষিত অসমীয়া ডেকা ক'ববাতহে যদি দুজন এজন ওলায়।

"প্ৰবন্ধ বা কিতাপ লিখিবলৈ ক'ব খোজা নাই" বুলি ওপৰতে কৈ আহিছোঁ। এতিয়াও খোজা নাই; কথা-যাৰ লাটতহে ওলাইছে—নিলিখা কিয় বুলি সুধিলে, বহুতৰ-পৰা একো সন্তোষজনক উত্তৰ পোৱা নহয়। কোনোৱে কয় "মইনো আকৌ কি লিখিম?" কোনোৱে কয় "মই চেষ্টা কৰি চোৱাই নাই;" কোনোৱে আকৌ হাঁহিয়েই কথাটো উৰাই দি গা সাৰি থয়; কোনোৱে জানিবা কৰবাত কেনেবাকৈ লিখা বেয়া হলে লোকে হাঁহিব, এই ভয়তে কলম নধৰে। টেঙ্গা আমৰ গছত মিঠা আম নলগাৰ দৰে, এওঁলোকৰ কলমৰপৰাও কেতিয়াও বেয়াত বাজে ভাল লিখা ওলাব নোৱাৰে বুলি এটা ধাৰণা বদ্ধমূল কৰি লৈ, এওঁলোক হাত সাবটি বহি আছে, নতুবা ইয়াকে মুখত লৈ লোকক ভুৱা দিছে। কিন্তু এওঁবিলাক কোনেও এই কথাটো ভাবি নেচায় যে, লিখা কামটো এদিনতে হৈ নুঠে; মানুহ লিখি লিখিহে লিখিব পৰা হয়গৈ; যিবিলাকৰ লিখা আমি ভাল বুলি শলাগোঁ-হক, তেখেতবিলাকৰ লিখাও বহুদিনীয়া চেষ্টাৰহে ফল। আচলতে ৰাগৰ গুৰিত তানা-না-নাৰ দৰে, এই কথাৰ গুৰিত এলাহ। আমাৰ দৃঢ় বিশ্বাস যে, এই

এলাহ এৰি দিলেই, সকলো উচ্চ-শিক্ষিত মানুহে প্ৰথমতে অলপ অচৰপ আৰু পাচত ভালকৈয়ে লিখিব পাৰে। নোৱাৰিব কিয়? তেওঁলোকে কালিদাস, চেকস্‌পিয়েৰ, মিল্‌টন্‌, বৰ্ক, টেনিচন্‌ প্ৰভৃতি জগতৰ মূৰ্দ্ধা-ফুটা লিখক-সকলৰ লিখা পঢ়ি পৰীক্ষা পাছ কৰি আহিছে; সেই দেখি সাহিত্যালৈ এটা স্পৃহা তেওঁলোকৰ মনত স্বভাৱতে গজি আছে। ভাল আৰু বেয়া সাহিত্য তেওঁলোকে পঢ়ি যাওঁতেই বাছি যাব পাৰে। কি কি সম্পদ বঢ়ালে অসমীয়া সাহিত্য শকত-আৱত, লোদোৰ-পোদোৰ আৰু সকলোৰে চকুত লগা হব পাৰে, তাক তেওঁলোকে অতি সুন্দৰকৈ জানে। গতিকে, নতুন নতুন ভাব, নতুন নতুন ভঙ্গী, নতুন নতুন সৌন্দৰ্য্য সুমাই অসমীয়া লিখি, অসমীয়া সাহিত্যৰ উন্নতি কৰিবলৈ অসমীয়া শিক্ষিত ডেকাসকলতকৈ বেচি পাকৈত মানুহ আৰু কোন আছে? যি হওক, এই বিষয়ে নকওঁ বুলি আহিছো যেতিয়া একো নকওঁ।

লিখাৰ বাহিৰে, ওপৰত কৈ অহা বাকী কেইটা কামৰ, অৰ্থাৎ পঢ়া, পঢ়োৱা, ধন ভঙ্গা আৰু গাৰে খটা—এই চাৰিওটাৰ ভিতৰত প্ৰথমৰটোৱেই নিচেই উজু। লোকক পঢ়োৱা কামটো সকলোৱে ভাল নেলাগিব পাৰে; ধন ভাঙ্গিবলৈ সকলোৰে নেথাকিব পাৰে; আৰু গাৰে খাটিবলৈকো অনেকৰ অনেক অসুবিধা থাকিব পাৰে। কিন্তু নিজে পঢ়িব হ'লে, সকলোৱে অনায়াসে পাৰে। হাজাৰ আহকালৰ মাজতো, দিনে এঘণ্টা বা দুঘণ্টা পঢ়িবৰ কাৰণে, শিলত পুখুৰী খানি বা ঢৌতে খৰ মাৰি সময় উলিয়াই লব নোৱাৰা মানুহ অতি তাকৰ। তাকে কৰিবলৈ লাগে মাত্ৰ এটা আন্তৰিক ইচ্ছা। খোৱা, শোৱা, গা-ধোৱা প্ৰভৃতি নিত্য-নৈমিত্তিক কামৰ বাবে মানুহে যেনেকৈ দুৰ্দ্দমনীয়া জঞ্জালৰ মাজতো, দিনৌ কোনোমতে জোৰা মাৰি হলেও, একোটা সুকঙ্গা উলিয়াই লয়, সেইদৰেই দিনৌ পঢ়িবলৈকো একোটা সময় উলিয়াই লব লাগে। আমি বহুতে তাচ, পাশা খেলি, নিষ্কৰ্ম্মা হৈ বহি থাকি বা অলাগতিয়াল কথাৰ চৰ্চ্চা কৰি অনেক সময় নষ্ট কৰোঁহক। তাৰ ভিতৰৰে অলপ সময় থাপ মাৰি আনি পঢ়াত খৰচ কৰিলে, নিজৰ আৰু দেশৰ ভালেখিনি উপকাৰ কৰিব পাৰি। তাচ, পাশা আদিৰ উল্লেখ কৰাত আমাক যেন কোনেও খং নকৰে। আমি তাৰ বাবে কাৰো একো জগৰ ধৰা নাই; মুঠেই তাৰপৰা অলপ সময় ইহাত-সিহাতকৈ আনি পঢ়াত লগাবলৈহে কৈছো। বহুত বেলি তাচ, পাশা খেলা, এনেই বহি থকা বা অলাগতিয়াল কথা চৰ্চ্চা কৰাৰ পাচত, আমাৰ মনলৈ স্বভাৱতে এটা "অৱসাদ" আহে, মনত এটা অনুতাপ হয়। বুকত হাতখন দি, অলপ স্থিৰ মনেৰে দ-কৈ ভাবি চালে সকলোৱে এই কথা স্বীকাৰ কৰিব। কিন্তু পঢ়াৰ পাচত, মনত এটা তৃপ্তি লাগে আৰু এটা ওখ থাপৰ বৰ মিহি সুবিমল আনন্দ পোৱা যায়।

শ্ৰৱন আৰু কীৰ্ত্তনৰ দৰেই, পঢ়া আৰু লিখা দুই-টাৰে সমান ফল। পঢ়িলে সাহিত্যলৈ মনত এটা স্পৃহা সোমায়, মনৰ উন্নতি হয় আৰু তোমাকে দেখি লোকৰো পঢ়িবলৈ আগ্ৰহ জন্মে। পঢ়ি পঢ়ি নিজৰ যি জ্ঞান হয়, কথাই-বাৰ্ত্তাই, বক্তৃতাই-অভিভাষণে কাকতে-পত্ৰে, লোকেও তাৰ ভাগ পায়। ইয়াৰ বাহিৰেও পঢ়া শুনাৰ এটা বৰ আচৰিত শক্তি আছে। মানুহে পঢ়ি শুনি যি শিকে বুজে তাক লোকক বিলাই দিবলৈ, নিজে গম ধৰিব নোৱাৰাকৈয়ে, মনত এটা প্ৰবৃত্তি জন্মে; আৰু এই প্ৰবৃত্তিপৰা সমাজৰ নথৈ উপকাৰ হয়। তাহানি শঙ্কৰাচাৰ্য্য, কালিদাস প্ৰভৃতিয়ে আৰু তেখেতসকলৰ নামনাচতে, আজিকালিৰ দিনতো, বঙ্কিমচন্দ্ৰ, নবীন সেন ৰবীন্দ্ৰনাথ আদিয়ে প্ৰথমতে নিজে পঢ়ি-শুনি এই প্ৰবৃত্তি লাভ কৰাৰ পৰা সমাজৰ কি মহৎ উপকাৰ হৈছে, তাক বহলাই কোৱাৰ সকাম নাই।

কথাৰ শুৰি কৰবাতে এৰি আহিলো। মুঠ কথা হৈছে, আন একো কৰিব নোৱাৰিলে, অকল নিজে পঢ়িলেও নিজৰ দেশৰ সাহিত্যৰ অৰ্থে ভালেখিনি কাম কৰা হয়।

এতিয়া আমাৰ গোহাৰিটো হৈছে এয়ে—আমাৰ শিক্ষিত ডেকাসকলে, অসমীয়া সাহিত্যৰ অৰ্থে আন একো কৰিবলৈ সুবিধা নেথাকিলে, অনুগ্ৰহ কৰি অকল মাথোন পঢ়ক। ওপৰ ডোখৰৰ নহলেও, শঙ্কৰী যুগৰপৰাই ধৰি



আজিলৈকে লিখা সকলোখিনি ভাল ভাল অসমীয়া গ্ৰন্থকে পঢ়ক। তেতিয়া হলেই ইয়াৰ ক্ৰমবিকাশটো তেওঁলোকে ভালকৈ বুজিব পাৰিব আৰু ইয়াৰ বিশেষত্ব আৰু সৌন্দৰ্য্যলৈ আৰু তাৰ লগে লগে ইয়াৰ অভাৱ-বিলাকলৈকো তেওঁলোকৰ চকু পৰিব। সিমানকো যিসকলে কৰিব নোৱাৰে, তেওঁলোকে অন্ততঃ ৺ হেমচন্দ্ৰ বৰুৱাৰ দিনৰেপৰা আজিলৈকে ওলোৱা ভাল ভাল কিতাপ আৰু প্ৰবন্ধখিনিকে পঢ়ক। আমি এইটো একো নতুন কথা কোৱা নাই বুলি অনেকে আমাক উপলুঙা বা ইতিকিং কৰিব। কিন্তু আমি ভিতৰ বিশ্বাসতে সুধি থওঁ—সৰহলৈ যাবই নেলাগে, কীৰ্ত্তন, দশম, ৰত্নাৱলী, ঘোষাৰ কথাকে নকওঁ, গুণমালা, স্যমন্তহৰণ, চোৰধৰা পিম্পৰা গুচোৱা, হেমচন্দ্ৰ বৰুৱাৰ হেমকোষৰ আগৰ কথাখিনি আৰু কানীয়াৰ কীৰ্ত্তন, সত্যনাথ বৰাৰ সাৰথি আৰু সাহিত্যবিচাৰ, লক্ষ্মীনাথ বেজবৰুৱাৰ শঙ্কৰদেৱ আৰু অসমীয়া ভাষাৰ সম্পৰ্কে প্ৰবন্ধাৱলী, গুণাভিৰাম বৰুৱা আৰু পদ্মনাথ বৰুৱাৰ বুৰঞ্জীকেখন আৰু ৰজনীকান্ত বৰদলৈৰ নিৰ্ম্মল ভকতকেনো আমাৰ কিমানে পঢ়িছে?

আমাৰ শিক্ষিত ডেকাসকলে, আমি কোৱামতে, অসমীয়া সাহিত্যৰ গ্ৰন্থবিলাকক যদি পঢ়ে, তাৰপৰাই আমাৰ সাহিত্যৰ বহুত উপকাৰ হব। সম্প্ৰতি আমি অকল এইফেৰা কামৰ নিমিত্তেহে তেওঁলোকক সবিনয়ে গোহাৰি কৰিছো। আমি আৰু সৰহ কামলৈ ধৰা নাই। ইয়াকে কৰা হলেই, অসমীয়া সাহিত্যৰ ৰথখনত, তেওঁলোকে মনে জানি আপোনা-আপুনি একোটা হেচোঁক মাৰি থৈ যাব লাগিব—ই আমাৰ ধ্ৰুৱ বিশ্বাস। দেশৰ আশা, সমাজৰ ভাবী নায়ক আৰু আদৰ্শৰ স্থল আমাৰ শিক্ষিত ডেকাসকলে নিজৰ মাতৃ ভাষাৰ অৰ্থে এইফেৰা কামলৈ আগ নেবাঢ়িবনে? আমাৰ মনেৰে হলে কথাটো ভালকৈ মনত সোমালে, নিশ্চয় বাঢ়িব। তেওঁলোকে কেনেবাকৈ পঢ়ি আমনি পায় বুলি, প্ৰবন্ধটো নিচেই চুটিকৈ লিখিলো।

---

# সমালোচনা।

**ফুলৰ শৰাই**—এই কিতাপখনিত সৰু সৰু ১৫ টি কবিতা আছে। আমাৰ শ্ৰদ্ধাভাজন, গুৱাহাটীৰ শ্ৰীযুত দুৰ্গানাথ বৰুৱা ডাঙৰীয়াৰ সহধৰ্ম্মিনী শ্ৰীযুতা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানীয়ে এই সৰু কিতাপখনি লিখিছে। ইয়াক পঢ়ি আমি বৰ সন্তোষ পাইছোঁ। আদিৰপৰা অন্তলৈকে প্ৰত্যেকটি কবিতাই সুন্দৰ হৈছে—ভাষা সৰল আৰু সহজ, ভাব মধুৰ আৰু ধুনীয়া আৰু তাক প্ৰকাশ কৰাৰ ভঙ্গী শুৱলা আৰু বিতোপন। বৰুৱানী ডাঙৰীয়ানীয়ে, সদায় ৰোগ-শয্যাত পৰি থাকিও, সাহিত্য চৰ্চ্চা কৰি অকল নিজেই যে সুখ-ভোগ কৰিব পাৰিছে এনে নহয়, সেই সুখৰ ভাগ আনকো বিলাব পাৰিছে—ই তেখেতৰ পক্ষে বৰ প্ৰশংসাৰ আৰু আমাৰ পক্ষে বৰ সৌভাগ্যৰ কথা। তেখেতে "ফুলৰ শৰাইখনি ৰাইজলৈ আগবঢ়াই মূৰ দোৱোৱা" বাবে, আমিও তেখেতলৈ আমাৰ শলাগৰ শৰাই, সন্মানেৰে আগ বঢ়াইছোঁ। ঈশ্বৰে তেখেতৰ শৰীৰ আৰোগ্য কৰক। তেখেতৰপৰা আমি আৰু সাহিত্য-সম্পদ পাবৰ আশাত থাকিলোঁ।

কিতাপখনিত মাজে মাজে কিছু বৰ্ণাশুদ্ধি দোষ আছে। এই দোষ আগলৈ নেথাকিব বুলি আমি আশা কৰিলোঁ।

---

**কৃষক সাৰথি**—লিখক আসাম কৃষি-বিভাগৰ শ্ৰীযুত দেৱীপ্ৰসাদ গোঁহাই; দাম ৵০ অনা। এই সৰু কিতাপখনি দেখি আমি বৰ সন্তোষ পাইছোঁ। অসম কৃষি-প্ৰধান দেশ। কিন্তু ইয়াৰ কৃষকসকল আন দেশৰ কৃষকৰ বহুত পাচ পৰিছে। সেই দেখি, এই বিধৰ

কিতাপৰ আমাৰ বৰ প্ৰয়োজন হৈছে। এই বিষয়লৈ চকু দিয়া বাবে, লিখক আমাৰ অতিশয় শলাগৰ পাত্ৰ। ইয়াত কৃষিৰ কেৱল মূলতত্ব (elementary principle) গোটাদিয়েকৰ আলোচনা কৰা হৈছে। সম্প্ৰতি আমি তাৰেপৰাইহে আৰম্ভ কৰিব লাগে, আৰু কিতাপত লিখা কথাখিনি যাতে লোকে পঢ়ি গলেও, আমাৰ দেশৰ খেতিয়কসকলে ভালকৈ বুজিব পাৰে, তালৈ বিশেষ-ৰূপে চকু দিব লাগে। তাৰ পাচত লাহে লাহে ওখ খাপৰ কিতাপ উলিয়াই গৈ থাকিব লাগিব।

এই কিতাপৰ প্ৰথম ৩০ পৃষ্ঠাৰ কথাবিলাক আমাৰ দেশৰ খেতিয়কসকলে সম্প্ৰতি বুজিব পাৰিব বুলি আমাৰ মনে নধৰে। তাৰ ভাষাও তেওঁলোকৰ উপযোগী হোৱা নাই। সেই কথাখিনি তেওঁলোকে বুজিব পৰাকৈ লিখি-বলৈ যে বৰ টান, তাকো আমি বুজিছোঁ। আমি মাত্ৰ এই কথালৈ লিখকৰ চকু পেলাইহে দিছোঁ। আমি লিখকক অনুৰোধ কৰোঁ, তেওঁ যেন কৃষিৰ বিষয়ে এই-খন কিতাপতে সামৰণি নেমাৰে। কৃষি বিভাগে আৰু আমাৰ চৰকাৰেও তেওঁক এই বিষয়ে উৎসাহ দিব বুলিও আমি আশা কৰিছোঁ।

---

**মালতী**—কবিতাৰ পুথি; লিখক শ্ৰীযুত ডিম্বেশ্বৰ নেওগ। কিতাপখনি সৰু, কিন্তু, ইয়াৰ ভাষা ভাল, লিখাত ভঙ্গী আছে আৰু ভাব গধুৰ আৰু মধুৰ। প্ৰতি কবিতাটিকে পঢ়ি ভাল লাগে। মুঠতে, সৰু হলেও, ই এখনি লেখত ল'বলগীয়া কিতাপ আৰু ওখ শ্ৰেণীৰ।

বিদেশত ছপা হোৱাতো, বৰ্ণাশুদ্ধিৰ দোষো অকল তলত লিখা তিনটাহে আমাৰ চকুত পৰিল—২০ পিঠিৰ ৪ৰ্থ শাৰীত "তেওঁ"ৰ ঠাইত "তেওঁ"; ২৬ পিঠিৰ ৭ম শাৰীত "চিন-ছাপ"ৰ ঠাইত "চিন-চাব" আৰু ৩৫ পিঠিৰ ১০ম শাৰীত "কেৰেৰ" ঠাইত "কেৰে"।

২৭ পিঠিত "লাৱণী ছবিটি" লিখিছে। এই "লাৱণী" শব্দটোৰ কি অৰ্থ, আমি বুজিব পৰা নাই। যদিহে লাৱণ্য থকা অৰ্থ বুজাব খুজিছে, তেন্তে "ল-ণী" হে হব লাগিছিল। ৩৮ পিঠিতো ১১শ শাৰীত প্ৰনয়ে "পীৰে" নে "পীড়ে"?

---

লিখক আমাৰ এজন উঠি অহা সাহিত্যিক। তেওঁৰ ওপৰত আমাৰ বহুত আশা। তেওঁক আমি মুঠেই ইমানকেহে কওঁ যে, তেওঁৰ দৰে ডেকাসকলে পাচত নাঙ্গলৰ খুঁটিত ধৰা দেখিলে, বুঢ়া হালোৱাহঁতবো গা উঠে, লৰা তৰপ যি আগ বাঢ়ি আহিবই।

**সাহিত্য**—এই নামৰ ৪ৰ্থ, ৫ম আৰু ৬ষ্ঠ ভাগ, তিনি ছোৱা ডাঙৰ ডাঙৰ কিতাপ: লিখক আৰু সংগ্ৰহক শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱা। এখেত আমাৰ এজন নাম ওলোৱা ডেকা সাহিত্যিক। কিতাপকেখন তেওঁৰ নামৰ আৰু আমাৰ আশাৰ জোখাৰে হোৱা দেখি আমি বৰ সন্তোষ পাইছোঁ। ইয়াৰ বিষয়বিলাক বছাও ভাল হৈছে, কাগজো ভাল আৰু ছপাও কট্‌ফটীয়া আৰু শুদ্ধ। কেউখন কিতাপ স্কুলত চলাবৰ উপযুক্ত হৈছে আৰু স্কুলত চলাবলৈ আমি কৰ্তৃপক্ষক অনুৰোধ কৰোঁ।

**মহম্মদ চৰিত**—পাইকা আখৰেৰে ছপা, ১১৮ পৃষ্ঠাৰ ১৬ পেজী ক্ৰাউন; দাম ৷৵, পকা বন্ধা ৵৵; লিখক শ্ৰীযুক্ত মহাদেৱ শৰ্ম্মা এম, এল, চি। এই কিতাপখনি দেখি আমি বৰ সন্তোষ পাইছোঁ। মছলমান ধৰ্ম্মৰ প্ৰতি-ষ্ঠাতা মহাপুৰুষ মোহম্মদৰ অসমীয়া ভাষাত ওলোৱা এইখনিয়েই প্ৰথম জীৱন চৰিত। এই বাবে আমি ইয়াক বৰকৈ সমাদৰ কৰিছোঁ আৰু লিখকৰ বিশেষৰূপে শলাগ লৈছোঁ। মছলমান সম্প্ৰদায়ৰ বাহিৰ হৈও এই কামত হাত দিয়া বাবে তেখেতক আমি আৰু শলা-গিছোঁ। এই কিতাপখনিয়ে, সৰু হলেও, আমাৰ এটা ডাঙৰ অভাৱ আঁতৰ কৰিছে।

কিতাপখনিত মাজে মাজে দুই চাৰিটা বৰ্ণাশুদ্ধি আছে। ঠায়ে ঠায়ে মানুহ আৰু ঠাইৰ নাম মূলে সৈতে অমিল হৈছে বুলিও জনাশুনা মুছলমানসকলে কয়, যেনে—খোয়েৰ, অলমলাত আবুতামিৰ, সাৰাকা, ফতেমা ওহেদ, আৰকাত, আৰু আথমানৰ সলনি চোয়েবা, অলমনাত, আবুতালিব, চোৰাকা, ফাতিমা, ওহোদ, আৰ-কতে আৰু ওচ্‌মান হব লাগিছিল। লিখকে ১৩পিঠিত লিখিছে—"গাঁৱৰ দুষ্ট আন ভেড়া ৰখীয়াৰ লগত পৰি মহম্মদে সিহঁতৰ লগত দুদিন দুনিশা অসৎ অভিপ্ৰায়ে মক্কা চহৰলৈ যোৱাৰ উল্লেখ দেখা যায়।" তেওঁলোকে



এই উক্তিটোৰো একো ভাল প্ৰমাণ নাই বুলি কয়। তেওঁলোকে আৰু কয় বোলে ফাতিমা বিবিৰ বিয়াত বৰ সমাৰোহ আৰু ধুম-ধাম হোৱা কথাটোও স্বৰূপ নহয়।

৪১পিঠিত আছে—"আবিছিনিয়াৰ ৰজা নাজ্জাছীয়ে"। এই ঠাইত "ৰজা" শব্দটো বাঢ়ি পৰিছে; কাৰণ "নাজ্জাছী" মানেই ৰজা।

"পিতাকৰ" নিলিখি "পিতায়েকৰ" "ধৰ্ম্ম নেৰি প্ৰাণকে এৰে" নিলিখি "ধৰ্ম্ম নেৰি প্ৰাণেই এৰে" "চকু জপালে" নিলিখি "চকু জিপিলে"—এনে বিধৰ ভুলো দুঠাই এঠাইত দেখা যায়।

৪৭ পিঠিত আছে "প্ৰকৃত পক্ষে ইছ্‌লাম ধৰ্ম্ম প্ৰচাৰৰ পঞ্চম বছৰতো যেতিয়া দেখা গল যে আশানুৰূপ লোকে নতুন ধৰ্ম্ম গ্ৰহণ কৰা নাই বৰং কোৰেশসকলৰ অত্যা-চাৰত মহম্মদ নিজে আৰু তেওঁৰ শিষ্যসকলে বিশেৰ ৰকমে লাঞ্ছিত আৰু অপমানিত হবলৈ ধৰিলে"।—এই বাক্যটোত কিবা এৰা পৰি গৈ বাক্যটো অসম্পূৰ্ণ হৈ থাকিল যেন লাগে। এনে অসম্পূৰ্ণ বাক্য আৰু দুঠাই এঠাইত চকুত পৰে।

ইয়াৰ পাচৰ বাৰ ছপাওঁতে এই সৰু সৰু খুঁতবিলাকো কিতাপখনৰপৰা গুচিব বুলি আমি আশা কৰিছোঁ।

---

# বিবিধ।

এই গুৱালপৰীয়া অসমীয়াকেইটাই বাৰু কেনেকৈ তত পায়? ইহঁতক ছলিবলৈ চল্ চাই চাই, কতনো ভেৰাকুটি আৰু বাগি-বুগা নোলাইছে! এই বাৰ আকৌ "প্ৰান্তবাসী" হৈ এইটো নতুন ৰূপ ওলাল। এই নতুন অৱতাৰ জাতত বঙ্গালী নহয়, প্ৰান্তবাসীহে; বঙ্গাল দেশৰ মানুহক কাম দিয়া দেখিলে এওঁ "স্থানীয়" লোকৰ হৈ চিয়ঁৰিবলৈ ধৰে; কিন্তু "স্থানীয়"হে "দেশীয়" লোকৰ হৈ নহয়। "স্থানীয়" কথাটোৱে দেশীয়কো সামৰে; গুৱালপাৰত "দেশীয়" অৰ্থাৎ অসমীয়া মানুহৰ ভিতৰত উচ্চ-শিক্ষিত মানুহৰ সংখ্যা তাকৰ; সেই দেখি "স্থানীয়" মানুহক কাম দিবলৈ হলে, প্ৰান্তবাসীসকলেই পাব। নতুন অৱতাৰৰ ভাষাটো হলে বঙ্গালী। এতেকে এওঁ মাছো নহয় পহুও নহয়; এওঁ সীমা মূৰলিত বহি লৈ, গুৱালপাৰৰ অসমীয়াক মাতিছে—"আহাঁ, মোৰ লগলৈ আহাঁ; মই আৰু নিলগৰ নহওঁ নহয়; মই তোমাৰ লগলৈ উঠি আহিলোঁ যেতিয়া তুমিয়ে মযেহে এগোট"। ফাঁকি-ফুকাৰো এটা সীমা আছে, আৰু তাকো ডেই যোৱাটো ইঁহিয়াতৰ কথা। গুৱালপৰীয়া অসমীয়াই "প্ৰান্তবাসী"ক চিনি পাব পায়। প্ৰান্তবাসীয়ে অসম সাহিত্য সভাৰ উদ্দেশ্যতো বিভীষিকা দেখিছে। সৌভাগ্যক্ৰমে তাৰ উত্তৰ আমাতকৈ পাকৈত লোকে দিছে। সেই দেখি আমি আৰু সেই বিষয়ে একো কোৱাৰ প্ৰয়োজন নাই।

* * *

এইবাৰ পূজাৰ বন্ধত সাহিত্য সন্মিলন পতা নহল। ইয়াৰ পাচৰ সুযোগ পৰিছে বৰ দিনৰ বন্ধ। কোকৰা জাৰৰপৰা সিবাৰ কৰা নিমন্ত্ৰণটো তেতিয়ালৈকে বলৱৎ থাকিবনে নেথাকে, আমি বুজিব পৰা নাই। বৰ দিনত সন্মিলন পাতিবলৈ হলে, এতিয়াৰেপৰা বনত ধৰিবৰ হ'ল। পাচত মূৰামূৰি সময়ত কোনো ঠাইৰ মানুহেই ভুকুতে কলটো পকাবলৈ সাহ কৰিব নোৱাৰিব। বৰ দিনৰ বন্ধটোও, পূজাৰ বন্ধৰ দৰেই কেনেবাকৈ সাৰি যাবলৈ দিয়াটো বেয়া হব। আমাৰ সাহিত্যিকসকলে সোনকালে সন্মিলনৰ দিহা কৰক। আসাম সাহিত্য সভাখন আমাৰ দেশৰ এটা জাতীয় সম্পদ, এই কথাটো যেন কোনেও নেপাহৰে। সন্মিলনখন ভেকো-ভাৱনা পতাৰো আমি পক্ষপাতী নহওঁ। সেই দেখি ইমানতে সকলোৱে ইয়ালৈ কাণ কৰক।

* * *

আমাৰ দ্বিতীয় বছৰৰ তৃতীয় সংখ্যাত, গুৱালপাৰৰ ইতিহাস" বোলা প্ৰবন্ধটোত, ১২৩ পিঠিত লিখা হৈছে—"এওঁৰ (অৰ্থাৎ কোচবিহাৰৰ ৰজা নৰনাৰায়ণৰ) ৰাজত্ব কালতে পুৰুষোত্তম দত্তই 'ৰত্নমালা ব্যাকৰণ' ৰচনা কৰিছিল।" এই গৰাকী "পুৰুষোত্তম" কোন? আমি এগৰাকী "পুৰুষোত্তমৰ" কথাহে জানোঁ। তেখেতে ৰত্নমালা ব্যাকৰণ ৰচনা কৰিছিল। তেখেতৰ নাম পুৰুষোত্তম ভট্টাচাৰ্য্য, কিন্তু পুৰুষোত্তম দত্ত নহয়। ৰত্নমালা ব্যাকৰণৰ প্ৰতি বিন্যাসৰ তলে তলে এইদৰে লিখা আছে:—

মহামহোপাধ্যায় শ্ৰীপুৰুষোত্তম শৰ্ম্মা—বিদ্যাবাগীশ ভট্টাচাৰ্য্য নিৰ্ম্মিতায়াং।

আৰু আখ্যাত বিন্যাসৰ আৰম্ভনিত লিখিছে—

শ্ৰীযদুমণি গুৰুচৰণ—
ক্ষুৰদৰ বিন্দানিবন্দাৰুঃ।
শ্ৰীপুৰুষো ম শৰ্ম্মা—
লৌকিক পদমঞ্জৰীস্তনুতে॥

এই বিষয়ে কাৰোপৰা একো সঠিক সম্বাদ নেপালে, আমি আমাৰ প্ৰবন্ধত প্ৰকাশ হোৱা "পুৰুষোত্তম দত্ত," প্ৰবন্ধ লিখকৰ কলমৰ ভুল বুলিহে ধৰিম। এই কথা প্ৰবন্ধৰ লগতে আমি ফুট ন'টত (foot note) প্ৰকাশ কৰিব লাগিছিল; কিন্তু তেতিয়া আমাৰ চকুত নপৰিল।

* * *

এটা শ্লোকত আছে—শয়নে পদ্মনাভঞ্চ। সেইদেখি কোনো কোনোৱে শুবলৈ ধৰোঁতে "শয়নে পদ্মনাভ" বুলি ঈশ্বৰক স্মৰণ কৰে। এজন বামুণে ৰাতি গাৰুত মুৰ দিয়েই, সদায় হুবাৰ হুবাৰ "শয়নে পদ্মনাভ" বুলিছিল। তেওঁৰ আকৌ নামটোও আছিল পদ্মনাভ। তাকে দেখি দেখি ঘৈণীয়েকে ভাবিলে,—শুবৰ বেলিকা নিজৰ নামটো মতাটো চাগৈ কিবা এটা বৰ ভাল দস্তুৰ। সেই গুণে তেওঁ পাটীত পৰি, "শয়নে গেৰেলী গেৰেলী" বুলি আপোন নামটো মাতিবলৈ ধৰিলে।

আমাৰ এই "ৱ" আখৰটোৰ কথাও এতিয়া তেনে হৈছে। কলিকতাৰ কোনোবা "সীতানাথ ৰায় এণ্ড সন্স"ৰ প্ৰকাশিত কীৰ্ত্তন এখনত সিদিনা দেখিছোঁ, অসমীয়া বৰ্ণমালাৰপৰা "ৱ" আখৰটো একেবাৰেই তুলি দিছে। গোটেই কিতাপখনত ক'তো "ৱ" এটা বিচাৰি নেপালোঁ। "ৱ" গুচাই সকলোবোৰ "ৰ" কৰি পেলালে। কলিকতাৰপৰা ওলোৱা "আসাম হিতৈষী" বোলা কাগজখনেও কৰিছে তাকে। এওঁলোকে মনেৰে ভাবিছে হবলা বোলে অসমীয়াৰ "ৱ" আখৰটো নায়েই। সেই দৰে ভাবিবৰ হেতুও আছে, কাৰণ তেওঁলোকৰ বঙ্গালী বৰ্ণমালাত "ৱ" এটা বাঢ়ি থকা বুলি এটায়ে জানে। কিন্তু এই ভুলটোৱে অসমীয়াৰ মাজতো সোমাবলৈ উপক্ৰম কৰিছে যেন লাগে; তাৰ প্ৰমাণ—আমাৰ "পাৰ্ব্বতি প্ৰসাদ"।

* * *

আমাৰ দেশত বোলে এটা ডাঙৰ আবিষ্কাৰ হৈছে। ইয়াৰ পৰিচয়টো কিজানি আমাৰ পাঠকসকলৰ উপাদেয় লাগিব।

সংস্কৃত-শিক্ষাই হেনো মানুহক অকৰ্ম্মণ্য কৰে বুলি জানি শুনিহে, আমাৰ অপকাৰ কৰিবৰ মনেৰে গৱৰ্ণমেণ্টে দেশত সংস্কৃত-শিক্ষাৰ সাহায্যাৰ্থে সহানুভূতি দেখুৱাইছে আৰু যিসকল অসমীয়া অসম দেশত সংস্কৃত শিক্ষাৰ পক্ষপাতী হৈছে, তেওঁলোকে হেনো ৰায় বাহাদুৰ বা ৰায় চাহাব হবলৈ পাই বা হবৰ আশাৰেহে, গৱৰ্ণমেণ্টৰ ফলীয়া হৈ এই দেশদ্ৰোহ আচৰণ কৰিছে।

সংস্কৃত-শিক্ষাই মানুহৰ দুৰ্গুণ কৰে বুলি যদি কোনোবাই ভাবে, ভাবক; সি কেৱল মতৰ পাৰ্থক্য। কিন্তু সংস্কৃত-শিক্ষালৈ সহানুভূতি দেখুওৱাৰ বাবে গৱৰ্ণমেণ্টৰ, আৰু পক্ষপাতী হোৱা বাবে আন মানুহৰ গাত এনে নীচ স্বাৰ্থ আৰোপ কৰিবলৈ কাৰো একো অধিকাৰ নাই। নিজেৰে সৈতে কিবা কথাত মন নিমিলা বাবেই লোকৰ বিৰুদ্ধে মুখত যি আহে তাকে কৈ ফুৰিব নেপায় আৰু এইদৰে অকথাত কুৎচ কৈ লোকৰ প্ৰতিকৃতি আঁকি দেখুৱাই, নিজৰ প্ৰতিপত্তি বঢ়াবলৈ বিচৰাটোও অতি নীচ উপায়। এই বিধৰ "দেশ হিতৈষী" মানুহৰপৰা দেশৰ এক ধনিষ্ঠামানো উপকাৰ হব নোৱাৰে, কিন্তু অপকাৰ হলে পদে পদে হব।